পৰম পূজ্যপাদ

শ্ৰীশ্ৰীমৎ পৰমহংস শিৱ নাৰায়ণ স্বামীৰ

# উপদেশ সাৰ সংগ্ৰহ

ওঁ

পৰম পুজ্যপাদ

শ্ৰীশ্ৰীমৎ পৰমহংস শিৱ নাৰায়ণ স্বামীৰ

# উপদেশ সাৰ সংগ্ৰহ

## দ্বিতীয় খণ্ড

—প্ৰথম সংস্কৰণ—

চন ১৩৮০, ৰহাগ বিহু

অধ্যক্ষ

শ্ৰীমৎ আণিৰাম ধীমান

দীনানন্দ শান্তি আশ্ৰম

অনুবাদক

শ্ৰীমৎ নিত্যানন্দ ব্ৰহ্মচাৰী

ব্ৰহ্মজ্যোতি যজ্ঞ মন্দিৰ

প্ৰকাশক

শ্ৰীসোণাৰাম চৌধুৰী

সাং তাৰাপাৰা

দৰংগিৰী ।

গুৱাহাটী নিউপ্ৰেছত

শ্ৰীসোণাৰাম বেজৰ দ্বাৰা মুদ্ৰিত ।

# ভূমিকা

পৰম পূজ্যপাদ শ্ৰীমৎ শিৱনাৰায়ণ পৰমহংস স্বামীৰ সকলো শাস্ত্ৰ গ্ৰন্থ হিন্দি আৰু বঙলা ভাষাত কৃত। তেওঁৰ উপদেশ আৰু উদ্দেশ্য জগতৰ পৰম মঙ্গল সাধন। হিন্দি আৰু বঙলা ভাষাৰ তথ্য আমাৰ অসমীয়া জনসাধাৰণে ভালদৰে ভাব ধাৰা আয়ত্ত কৰিব নোৱাৰে, আৰু পূণ্য ভূমি অসমৰ মাতৃ ভাষাৰ সম্মান আৰু গৌৰৱ বজায় ৰাখি এই শাস্ত্ৰখন অসমীয়া ভাষাত অনুবাদ কৰি প্ৰথম সংস্কৰণ কৰা হ'ল। অসমী আইৰ সুপুত্ৰ অসমীয়া ভক্ত-সকলৰ আৰু আশ্ৰম অধ্যক্ষ আচাৰ্য্য দেৱৰ আদেশ শিৰত লৈ লিখিলোঁ। ইয়াত যে ভুল ভ্ৰান্তি থাকিব ই এক আৰু সত্য। অসমীয়া পাঠক পাঠিকা ভক্তসকলে শাস্ত্ৰখন আদ্যোপান্ত পঢ়ি চাই ভুল-ভ্ৰান্তিবোৰ জ্ঞাত কৰাই দিলে কৃতাৰ্থ মানিম। ইতি—

অনুবাদক

নিত্যানন্দ।

# প্ৰকাশকৰ নিবেদন

পৰমহংস শিৱনাৰায়ণ স্বামীৰ উপদেশ সাৰ-সংগ্ৰহ শাস্ত্ৰ কিতাপখন বঙলা ভাষাৰ পৰা অসমীয়া ভাষাত অনুবাদ কৰি পূজনীয় শ্ৰীমৎ নিত্যানন্দ আচাৰ্য্য দেৱে নিজে প্ৰকাশ কৰিবলৈ লিখিছিল। কিন্তু এসময়ত কথা-প্ৰসঙ্গত মই প্ৰকাশ কৰিবৰ ইচ্ছা প্ৰকাশ কৰাত তেওঁ প্ৰকাশৰ আদেশ দিয়াত মই প্ৰকাশ কৰিবৰ ভাৰ গ্ৰহণ কৰিলোঁ।

প্ৰকাশক

শ্ৰীসোণাৰাম চৌধুৰী

সাং ভাৰাপাৰা।



পরমহংস শিবনারায়ণ স্বামী

ওঁ

# উপদেশ

## উপাস্য বস্তু আৰু নানা নাম।

হে জগৎবাসী মানুহসকল, তোমালোকে অজ্ঞানৰ কাৰণে বস্তু শূন্য নামৰ কোনোবাক ডাঙৰ, কোনোবাক সৰু কল্পনা কৰি নিজে নিজে হিংসা, দ্বেষ, তৰ্ক-বিতৰ্কৰ বাক্‌বিতণ্ডা বশতঃ জগতত অমঙ্গলৰ গুটি পচাৰ কৰিছা। কোনোৱে কয় যে, ঈশ্বৰ ডাঙৰ, কোনোৱে কয় যে গড ডাঙৰ, ঈশ্বৰ সৰু, কোনোৱে কয় যে, কৃষ্ণ ভগৱান নাম ডাঙৰ, সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্বৰূপ সৰু ইত্যাদি। প্ৰত্যেক কল্পিত সম্প্ৰদায়ৰ মানুহ সকলে নিজৰ নিজৰ কল্পিত বস্তু শূন্য সাম্প্ৰদায়িক নাম ডাঙৰ আৰু আন সম্প্ৰদায়ৰ নাম সৰু বুলি পৰস্পৰ ঘৃণা আৰু উপাস্য দেৱতাক তুচ্ছ তাচ্ছিল্য কৰে। ই সমস্ত যি বস্তুৰ নাম আৰু সি বস্তু কত আছে ই জ্ঞান নাই আৰু ভাবিও নাচায়।

তোমালোকে মানুহ আৰু চেতন। তোমালোকৰ হিত অহিত বিচাৰ কৰিবৰ শক্তি বা জ্ঞান আছে। ইয়ে পশুৰ লৈতে তোমালোকৰ প্ৰভেদ। নহলে যিদৰে পশু বিলাকৰ জন্ম মৰণ, আহাৰ মৈথুনাদি গুণ-কৰ্ম, মানুহৰো সেই ৰূপ। কি কাৰণত মানুহ পশুত কৈ শ্ৰেষ্ঠ? পশু পক্ষীৰ জ্ঞানৰ সীমা আছে। পশু-পক্ষীয়ে মাথোন নিজৰ আহাৰ মৈথুন আদিকেহে বুজে।

নিজে কি বস্তু, পৰমাত্মা কি বস্তু আৰু কি উপায়েৰে তাক পোৱা যায় ই জ্ঞান পশু সকলৰ নাই। মানুহ জীৱৰ অকল আহাৰ মৈথুন ইত্যাদি জ্ঞানৰ সীমা নহয়। হিত, অহিত, জীৱ, ব্ৰহ্ম, চেতন, অচেতন, সত্য, মিথ্যা ইত্যাদিৰ বিষয় বিচাৰ কৰিবৰ, অসীম জ্ঞান বা শক্তি গুপ্ত ভাৱে মানুহৰ আছে; এলাহ ত্যাগ কৰি বিচাৰ কৰিলে সহজে বুজিব পাৰে। উপাস্য বা উপাস্য দেৱতাৰ এই নাম ডাঙৰ বা শ্ৰেষ্ঠ আৰু সেই নাম সৰু বা নিকৃষ্ট এই ধাৰণাত অশান্তি ভোগৰ বিষয় এটি উপমাৰ দ্বাৰা সাৰ ভাৱ গ্ৰহণ কৰি সকলোৱে এক মনেৰে জগতৰ হিত সাধন কৰা। একেই পানী সকল দেশত আৰু সকলো সময়ত আছে। দেশ আৰু ভাষা বিশেষে একে পানীৰেই বেলেগ বেলেগ নাম কল্পিত হৈছে যেনে— জল, পানী, নীৰ, ওৱাটাৰ, আব, সলিতা, তোয়, অম্বু, বাৰি জীৱন, তনি ইত্যাদি। কিন্তু পানী বস্তু যেনে তেনে আৰু যতে ততেই এক। যি জনৰ যি দেশৰ যেনেকুৱা সংস্কাৰ পৰিছে সি সেই ৰূপ সংস্কাৰত আবদ্ধ হৈ নিজে নিজে সেই নাম লৈ পানী বস্তুক পান কৰিছে, তাতে পিয়াহ নিবৃত্তি হৈ শান্তি পাইছে। এনেকুৱা নহয় যে, জল বুলি পানী খালে পিয়াহ গুচিব, পানী বুলি পানী খালে পিয়াহ নুগুচে। ওৱাটাৰ বুলি পানী খালে পিয়াহ গুচিব, আন নাম বুলি পানী খালে পিয়াহ নুগুচিব। যি জনৰ যি নামে সংস্কাৰ আছে সেই নাম লৈ পানী বস্তুক চিনি পান কৰিলে পিয়াহ গুচি শান্তি পাব। বিচাৰ কৰি দেখা যদি পানী বস্তুক চিনি বা জানি পান নকৰা তেন্তে পিয়াহ গুচি শান্তি নাহিব আৰু দুখ-কষ্টৰ সীমা নাথাকিব। দিন-ৰাতি তুমি পানী বস্তুক চকুৰে দেখি থাকা আৰু পানী পানী, জল জল, ওৱাটাৰ ওৱাটাৰ, আব আব

আৰু নীৰ নীৰ ইত্যাদি পানীৰ নাম আৰু শব্দ মুখহে কৰি উচ্চাৰণ কৰি থাকা কেতিয়াও পিয়াহ নাযাব, শান্তি নাহিব আৰু যি কষ্ট সি কষ্টই থাকিব। ই ধ্ৰুৱ আৰু সত্য। পানীৰ যিমান কল্পিত নাম আছে, পানী বস্তুক এৰি সেই বস্তু শূন্য নাম কোন্‌টি সত্য বা শ্ৰেষ্ঠ, কোনটি মিথ্যা বা নিকৃষ্ট বুলি ত্যাগ বা গ্ৰহণ কৰিবা? পানী যি বস্তু তাৰ কোনো এটা নাম লৈ পান কৰিলে পানী পবিত্ৰ হয়, পিয়াহ নিবৃত্তি হয় আৰু কোনো এটা নাম লৈ পান কৰিলে পানী অপবিত্ৰ হয়, পিয়াহ গুচে শান্তি নাহে এনে নহয়। পানীৰ যি কোনো নাম লৈ বা নাম নলৈ পানী বস্তু পান কৰিলে পিয়াহ গুচি শান্তি পাবা। পানীৰ নানা কল্পিত নাম লোৱা বা নোলোৱা তাতে পানীৰ একো নাযায় আৰু নাহেও। পানী শুদ্ধ বা অশুদ্ধ নহয় যি পানী সি পানীয়েই থাকে। পানী বস্তুক চিনি পান কৰিলে জীৱ সকলৰ পিয়াহ নিবৃত্তি হৈ শান্তি আহে। কিন্তু পানী বস্তুক ত্যাগ কৰি পানী বস্তুৰ যি কল্পিত নানা নাম তাক শুদ্ধ-অশুদ্ধ, ডাঙৰ-সৰু ইত্যাদি কল্পনাত ত্যাগ গ্ৰহণ কৰাত কোনো ফল নাই।

হে মৌলবী, পাদুৰী, পণ্ডিত, ঋষি-মুনি প্ৰভৃতি মানুহ সকল যদি তোমালোকে পানী বস্তুক পাহৰি মিছে মিছে তৰ্ক বাক-বিতণ্ডা কৰা আৰু ৰাতি-দিন পানী পান নকৰি অকল পানীৰ নাম লৈ থাকা, তেন্তে তোমালোকৰ কেতিয়াও পিয়াহ নগুচিব আৰু কষ্টৰ সীমা নাথাকিব, চেতন শক্তি হেৰাব, প্ৰাণান্ত ঘটিব, ইয়াত একো সন্দেহ নাই। সেইদৰে যদি বস্তু শূন্য কল্পিত নাম ঈশ্বৰ পৰমেশ্বৰ, গড্, আল্লাহ-খোদা, দেৱ-দেৱী, কৃষ্ণ-ভগৱান, যীসাস্ ক্ৰাইষ্ট, ৰাম, লক্ষ্মণ, সীতা, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, সাকাৰ,

নিৰাকাৰ, সগুণ, নিৰ্গুণ, দ্বৈত, অদ্বৈত, জীৱ ব্ৰহ্ম ইত্যাদি শব্দ মুখস্থ কৰি দিন-ৰাতি উচ্চাৰণ কৰি থকা আৰু এই সকল যি বস্তুৰ নাম সেই বস্তুক অৰ্থাৎ পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপক অপমান সহ ত্যাগ কৰা—তোমালোকৰ কেতিয়াও কোনো কালে শাস্ত্ৰীয় নানা কুসংস্কাৰ অজ্ঞানাদি ভ্ৰম দূৰ হৈ সম দৃষ্টি জ্ঞান নহ'ব শান্তি নাপাবা, পৰস্পৰ হিংসা-দ্বেষ কৰি পুৰি মৰিবা। যি জনৰ এই সমস্ত ঈশ্বৰ, কৃষ্ণ, ভগৱান ইত্যাদি নানা নাম কল্পিত, সেই বস্তুক চিনি তাৰ শৰণাগত হৈ তাৰ ওচৰত ক্ষমা ভিক্ষা আৰু জগতৰ হিত সাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য কৰিলে তেওঁ প্ৰসন্ন হৈ তোমাৰ সকল প্ৰকাৰ অমঙ্গল দূৰ কৰি মঙ্গল বিধান কৰিব ই ধ্ৰুৱ আৰু সত্য জানিবা।

যি জনৰ এই নানা নাম কল্পিত সি বস্তু বা তাৰ শক্তি ৰূপ, গুণ বা অস্তিত্ব কত? তেওঁ সত্য নে মিথ্যা, নিৰাকাৰ নে সাকাৰ? যদি বস্তু শূন্য, মিথ্যা, কল্পিত, নানা নাম মাত্ৰ বুলি জানা বা বোধ কৰা তেন্তে মিথ্যা মিথ্যাই। মিথ্যা সকলৰ ওচৰত মিথ্যা, মিথ্যা নিৰাকাৰেও নাই, মিথ্যা সাকাৰেও নাই। ঈশ্বৰ, পৰমেশ্বৰ, গড্, আল্লাহ, খোদা, দেৱ-দেৱী, কৃষ্ণ, ভগৱান, যীশাস্ ক্ৰাইষ্ট, ৰাম, ৰহিম, জীৱ, ব্ৰহ্ম বস্তু শূন্য কোনো কিছু হ'ব নোৱাৰে, অসম্ভৱ। যি বস্তু শূন্য সি কিছুই নহয়, কল্পিত নাম মাত্ৰ যেনে ধোঁৱাৰ কণী বা আকাশ-কুসুম। ইয়াত ধোঁৱা আছে কিন্তু ধোঁৱাৰ কণী নাই, আকাশ আছে কিন্তু আকাশৰ কুসুম নাই। ধোঁৱা বা আকাশ বস্তুক অপমান বা ত্যাগ কৰা, আৰু ধোঁৱাৰ কণী বা আকাশ-কুসুমক গুৰু বুলি বাঞ্ছা কৰা কিমান দূৰ দুখ আৰু লাজৰ বিষয়। যদি জানা বা বোধ কৰা যে ই আকাশ মণ্ডলত কোনোবা সত্যনামা বস্তু আছে সি জনৰেই

ঈশ্বৰ কৃষ্ণ, ভগবান ইত্যাদি নানা নাম কল্পিত, তেন্তে বিচাৰ কৰি বুদ্ধিবলে চেষ্টা কৰা যে নানা নামাদি বোধ হৰ লাগিছে মিছা কিন্তু বস্তু কত। যদি সত্যৰ নাম বস্তু তেন্তে সত্য একৰ বাহিৰে দ্বিতীয় সত্য ই আকাশত কোনো নাই, নহব, হবৰ সম্ভাৱনাও নাই। সত্য স্বয়ং স্বতঃ প্ৰকাশ অনাদি কালৰে পৰা এককই সত্য নিৰাকাৰ সাকাৰ প্ৰকাশ মান। এওঁ অপ্ৰকাশ নিৰাকাৰ ভাবেও সত্য, প্ৰকাশ সাকাৰ ভাবেও সত্য। নিৰাকাৰ অদৃশ্য ভাবে থাকে সাকাৰ প্ৰত্যক্ষ প্ৰকাশমান। এওঁ একই সৰ্ব্ব-শক্তিমান পূৰ্ণ। এই যে ভিন ভিন নাম ৰূপ জগত, জীৱ সমূহ প্ৰকাশ পাইছে, সত্য আছে বুলি প্ৰকাশ পাইছে। মিথ্যাৰ পৰা জগৎ, নানা নাম ৰূপ জীৱ সমূহ হব নোৱাৰে অসম্ভৱ। ভিন ভিন নাম ৰূপ গুণ ক্ৰিয়া প্ৰকাশ পোৱা সত্ত্বেও এওঁ যেনে তেনেই প্ৰকাশ মান অৰ্থাৎ অনাদি স্বতঃ প্ৰকাশ নিৰাকাৰ সাকাৰ এ মাথোন সত্য মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জীৱ সমূহক লৈ, সৰ্ব্বশক্তিমান পূৰ্ণৰূপে প্ৰত্যক্ষ বিৰাজমান। তাৰ নামো আছে আৰু বস্তু বা ৰূপো প্ৰত্যক্ষ প্ৰকাশমান। শাস্ত্ৰত ঈশ্বৰ, কৃষ্ণ, ভগবান ইত্যাদি যিমান নাম আছে সকলোৱে তাৰেই কল্পিত নাম মাত্ৰ। এওঁ অমূল্য ধন, অব্যয় অবিনাশী। তাৰ কোনো কালে নাশ নাই। তেওঁ স্ব-ইচ্ছাত নিৰাকাৰৰ পৰা সাকাৰ, সাকাৰৰ পৰা নিৰাকাৰ, অপ্ৰকাশৰ পৰা প্ৰকাশ, প্ৰকাশৰ পৰা অপ্ৰকাশ, ব্যক্তৰ পৰা অব্যক্ত, অব্যক্তৰ পৰা ব্যক্ত, কাৰণ সূক্ষ্ম স্থূল জগৎ চৰাচৰ জীৱ সমূহক লৈ পূৰ্ণ ৰূপে ব্যক্ত প্ৰকাশমান। তেওঁৰে পৰা জীৱ সমূহৰ উৎপত্তি, পালন আৰু স্থিতি। এওঁ স্ত্ৰী-পুৰুষ জীৱ মাত্ৰেৰেই এ মাথোন পিতা-মাতা, গুৰু আত্মা বা পৰমাত্মা। এওঁৰ বাহিৰে কোনো সত্য

ই আকাশ মন্দিৰত নাই, নহব, হবৰ সম্ভাৱনাও নাই। ই ধ্ৰুব আৰু সত্য জানিবা। যদি ই আকাশ মন্দিৰত তাৰ বাহিৰে দ্বিতীয় কোনো সত্তা মঙ্গলকাৰী উপাস্য দেৱতা আছে, তেন্তে তাক বিচাৰি ব্যক্ত বা বাক্ত কৰা, যাতে তেওঁ অমঙ্গল দূৰ কৰি মঙ্গল বিধান কৰে, জীৱ সমূহে শান্তি পায়। যদি বস্তু শূন্য বা তাৰ বাহিৰেও দ্বিতীয় কোনো আছে বুলি বোধ কৰা, তেনেহলে কোটি কোটি যুগ বিচাৰি অহঙ্কাৰৰ ওপৰ অহঙ্কাৰৰ চূড়ান্ত গৈ মৃত্যু প্ৰাপ্ত হবা কোনো ঠাইত পাৰ নাপাবা। শান্তি নহব ই ধ্ৰুব আৰু সত্য জানিবা।

যি জনৰ এই মানা লায় কল্পিত, সি জনক জানি বা চিনি তাৰ শৰণাগত হৈ সকলোৱে এক মনেৰে জগতৰ মঙ্গল চেষ্টা কৰা যাতে তোমালোকৰ শান্তি হয়।

ওঁ শান্তিঃ। ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

## উপাস্য বস্তুৰ কল্পিত নানা নামৰ মাহাত্ম্য।

বস্তু শূন্য কল্পিত নানা নাম ঈশ্বৰাদিৰ সত্য-মিথ্যা মাহাত্ম্য লৈ মানুহে নানা প্ৰকাৰ অশান্তি ভোগ কৰিছে। কোনোবাই কয় যে বস্তু শূন্য মাত্ৰ নানা কল্পিত নামেহে সত্য। নামক মানিলেহে বা নামৰ সৈতে ব্যৱহাৰ কৰিলে সকল কাৰ্য্য সিদ্ধ হয়। কোনো জনে কয় যে, নাম ৰূপ গুণ শূন্য বস্তুহে সত্য। সত্য বস্তু চেতনৰ সৈতে ব্যৱহাৰ কৰিলে সকল কাৰ্য্য সিদ্ধ হয়। এনে ঠাইত হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, ৰজা, বাদসাহ, ধনী, মহাজন, স্ত্ৰী, পুৰুষ, পণ্ডিত, মৌলবী, পাদ্ৰী, ঋষি, মুনি প্ৰভৃতি নিজৰ নিজৰ মান-অপমান, জয়-পৰাজয়, সামাজিক মিথ্যা স্বাৰ্থ পৰিত্যাগ কৰি গম্ভীৰ আৰু শান্তচিত্তেৰে সাৰ ভাব গ্ৰহণ কৰা। যাতে জগতৰ অমঙ্গল দূৰ হৈ মঙ্গল বিধান হয়, জীৱ সমূহে শান্তি পায়।

তোমালোকে স্থূল দৃষ্টান্তেৰে বিচাৰ কৰি বুজা যে, বস্তু আৰু বস্তুৰ নানা কল্পিত নামৰ মাহাত্ম্য কি? যদি ৰজা, বাদশাহ, ধনী, মহাজন, পণ্ডিত, মৌলবী, পাদ্ৰী, ঋষি, মুনি প্ৰভৃতি চেতন জীৱক কোনো ফলৰ আশাত বা কোনো কাৰ্য্য সিদ্ধ কৰিবলৈ অভিপ্ৰায়ত পূজা আহাৰ কৰিবৰ কাৰণে শ্ৰদ্ধা-ভক্তিৰে নিমন্ত্ৰণ কৰি এঠাইত বহুৱাই খাবা আৰু সিহঁতৰ প্ৰত্যেকৰ কল্পিত নামে নানা শ্লোক বা মন্ত্ৰ উচ্চাৰণ কৰি ভাল ভাল খোৱা বস্তু দি সিহঁতক জিজ্ঞাসা কৰা যে "মহাশয় সকল, আপোনালোকৰ প্ৰত্যেকৰ নামে ভোগ দিয়া হৈছে, আপোনালোকৰ উদৰ পূৰণ হৈছে নে বা আনন্দ পাইছে নে?" তেতিয়া সিহঁতে কি অনুভৱ কৰি

কি উত্তৰ দিব ? ৰজা, বাদসাহ, পণ্ডিত প্ৰভৃতি প্ৰত্যেকৰে মাটি বা ধাতু নিৰ্ম্মিত মূৰ্ত্তিৰ প্ৰাণ প্ৰতিষ্ঠা কৰি সেই মূৰ্ত্তি অৰ্থাৎ ধাতু বা মাটিৰ বাদসাহ, ৰজা, পণ্ডিত প্ৰভৃতিৰ কল্পিত নামে শ্লোক বা মন্ত্ৰ পাঠ কৰি ফুল নৈবেদ্য সুগন্ধ আদিৰ দ্বাৰা পূজা কৰিছা আৰু আহাৰ বা ভোগ দিছা কিন্তু বস্তু যে চেতন জীৱ, যি জনৰ ৰজা, বাদসাহ, ধনী, মহাজন, পণ্ডিত, মৌলবী, পাদুৰী, ঋষি, মুনি প্ৰভৃতি কল্পিত নাম শব্দ আঘাতেৰে তাৰ অঙ্গ-প্ৰত্যঙ্গাদি ভাঙি চূৰ্ণ কৰি দিব ধৰিছা আৰু মুখেৰে কব ধৰিছা যে, “মহাশয় সকল, কোন বস্তু শূন্য কল্পিত নানা শব্দ নামৰ মাহাত্ম্য, ইয়াত কেনে „আনন্দ ভোগ কৰিছা ? আপোনা-লোকৰ নামে ভক্তিৰে খোৱা বস্তু দিছো অথচ আপোনালোকক খাবলৈও আদেশ নিদিছো। আপোনালোকৰ কল্পিত নামে ফুল নৈবেদ্যাদি দিছো কিন্তু আপোনালোকে যে স্বয়ং চেতন বস্তু আপোনালোকক প্ৰহাৰ কৰি দুখহে দিছো। আপোনালোকৰ কি কল্পিত নামৰ মাহাত্ম্যত সুখ বোধ হোৱা নাই ?” এনেকুৱা কাৰ্য্য যে কিমান দূৰ অধৰ্ম্ম আৰু দুখৰ বিষয়। ভাত বস্তু নাথাই মাথোন দিন-ৰাতি ভাত ভাত কৈ থাকিলে কি ভোক নিবৃত্তি হয় ? বিদ্যা শিক্ষা কৰি তোমালোকৰ কি বুদ্ধি হ'ল ? বস্তু শূন্য কল্পিত নামৰ মাহাত্ম্য হ'ল আৰু বস্তু যে পৰমাত্মাৰ স্বৰূপ অগ্নি অৰ্থাৎ চেতন জীৱ তাৰ মাহাত্ম্য নহ'ল ? বুদ্ধিৰ চেষ্টা কৰা যে, এক সত্য স্বতঃ প্ৰকাশ চেতন ময়, নিৰাকাৰ সাকাৰ, কাৰণ সূক্ষ্ম স্থূল অৰ্থাৎ এক সত্য মঙ্গলকাৰী জ্ঞানময় চেতনময় ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য সাধাৰণ জীৱ সমূহক লৈ অসীম অখণ্ডাকাৰ সৰ্ব্বব্যাপী নিৰ্ব্বিশেষ, সৰ্ব্বশক্তি-মান পূৰ্ণৰূপে প্ৰত্যক্ষ বস্তুৰূপে প্ৰকাশমান। তেওঁৰেই নানা নাম

হৰি, ঈশ্বৰ, গড্, আল্লাহ, খোদা, দেৱ, দেৱী, জীৱ, নিৰাকাৰ সাকাৰ অৰ্থাৎ পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপৰ নানা যে নাম দি কল্পনা মাত্ৰ কিন্তু তেওঁ যতে ততেই প্ৰকাশমান। তেওঁ নিৰাকাৰে অদৃশ্য ভাবে আছে আৰু তেৱেঁই সাকাৰ প্ৰত্যক্ষ প্ৰকাশমান, তাক তোমালোকে কোনো প্ৰকাৰৰ প্ৰেম-ভক্তি নকৰি, ফল ফুলাদি নিদি, তাৰ প্ৰিয় কাৰ্য্য জগতৰ হিত সাধন নকৰি, তাৰ বস্তু শূন্য কল্পিত শব্দ মাত্ৰ নানা নামৰ সন্মান ভক্তি পূজা কৰিছা। এনেকুৱা কৰিলে কি বস্তুৰূপী ভগবানক পূজা বা সন্মান কৰা হয়, নে যি জনৰ এই সমস্ত নাম সেই বস্তুক চিনি পাই তাক সন্মান পূজা প্ৰেম ভক্তি কৰিলে কাৰ্য্য সিদ্ধ হয়? যি জনৰ এই সমস্ত কল্পিত নাম সেই জন বা বস্তু কত আছে বিচাৰ কৰি দেখা।

এই চেতন অগ্নি দেৱতা আৰু জীৱ সমূহ ঠাকুৰৰ ঠাকুৰ, প্ৰতিমাৰ প্ৰতিমা। ইহাক নৈবেদ্য প্ৰসাদ ভোগ নিদি অৰ্থাৎ যি জনে খাব তাক খাবলৈ নিদি, যি বস্তুৱে নেকি কোনো কালে নাখাব তাৰ বস্তু শূন্য নাম কল্পনা কৰি ফল ফুল নৈবেদ্য ভোগ দি পূজা কৰা কিমান দূৰ অধৰ্ম আৰু অবিচাৰৰ কাৰ্য্য। চেতন অগ্নি বা স্ত্ৰী-পুৰুষ জীৱৰূপী প্ৰতিমা ঠাকুৰক প্ৰত্যক্ষ ফুল সুগন্ধ আদিৰে পূজা কৰিলে অৰ্থাৎ ভাল ভাল খোৱা বস্তু খুৱালে আৰু অগ্নিত হোম কৰিলে তেওঁ প্ৰত্যক্ষ ভোগ কৰি প্ৰসন্ন হব আৰু জগতৰ হিত সাধন হব। এনেকুৱা কৰিলে জীৱ, ব্ৰহ্ম, ভগবানক পূজা ভক্তি কৰা হয়। নহলে যিমান আড়ম্বৰ নকৰা কিয় সকলো পণ্ডশ্ৰম। এনেকুৱা আড়ম্বৰ প্ৰপঞ্চ কৰিলে জগতত অমঙ্গলহে ব্যাপি দিয়া হয়।

এতিয়াও বহু সময় আছে, এতিয়াও তোমালোকে অগ্নিত প্ৰেম ভক্তিৰে ভাল ভাল সুগন্ধ সুমিষ্ট বস্তু আহুতি কৰা, চেতন জীৱ

সমূহ স্ত্ৰী-পুৰুষক সমভাবে প্ৰেম প্ৰীতিৰে পালন কৰা, যাতে জগতৰ কোনো জীৱে অন্ন-বস্ত্ৰৰ দুখ-কষ্ট নাপায়। শাস্ত্ৰত স্পষ্টই লিখা আছে যে, "অগ্নিমীলে পুৰোহিতং" অগ্নি মুখে দেবাঃ খাদন্তি" অগ্নিগুৰু দ্বিজাতীনাং ইত্যাদি।

বাদসাহ, ৰজা, মন্ত্ৰী, ধনী মহাজন সকলোৰ এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাবে নিজৰ নিজৰ অধিকাৰে প্ৰপক্ষি সকলোকে দণ্ড বিধান কৰি এই সকল কাৰ্য্য উত্তম ৰূপে সম্পন্ন কৰা উচিত। এনেকুৱা কৰিলে ভগবানে প্ৰসন্ন হৈ জগতৰ সকল প্ৰকাৰ অমঙ্গল আঁতৰাই মঙ্গল বিধান কৰিব, জীৱ সমূহে শান্তি পাব, ই ধ্ৰুব আৰু সত্য সত্য জানিবা।

ওঁ শান্তিঃ। ওঁ শান্তিঃ॥ ওঁ শান্তিঃ।।।

## উপাসনাত জ্যোতিঃ স্বৰূপৰ বিশেষ প্ৰয়োজন কিয়?

মানুহে অজ্ঞান বশতঃ কৈ থাকে যে ব্ৰহ্ম নিৰাকাৰ সাকাৰ পূৰ্ণ এক সত্যৰ বাহিৰে দ্বিতীয় সত্য নাছিল যেতিয়া, আৰু নহব হবৰ সম্ভাৱনাও নাই। তেন্তে উপাসনা প্ৰেম, ভক্তি বা জ্ঞান-মুক্তিৰ কাৰণে বিশেষ কে পূৰ্ণ বিৰাট চন্দ্ৰমা সূৰ্য্যনাৰায়ণ লাইট স্থূল বা জ্যোতিঃ স্বৰূপক ধাৰণ কৰিবলৈ কিয় আছে কিয়? স্বৰূপ প ক সকলোবেইতো সমান? মানুহ সকল তোমালোকে গম্ভীৰ আৰু শান্তচিত্তেৰে বস্তু বিচাৰ কৰি সাৰ ভাব গ্ৰহণ কৰা, যাতে জগতৰ অমঙ্গল আঁতৰি মঙ্গল বিধান হয় আৰু তোমালোকেও যাতে শান্তি পোৱা।

এই অংশাংশত নিৰাকাৰ সাকাৰ মাধোন অনাদি স্বতঃ প্ৰকাশ মঙ্গলকাৰী, ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্যনাৰায়ণ; কাৰণ সূক্ষ্ম স্থূল ক্ষেত্ৰ, ক্ষত্ৰী, ক্ষত্ৰজ্ঞ চৰাচৰ, স্ত্ৰী পুৰুষ জীৱ সমূহক লৈ সৰ্ব্বশক্তিমান পূৰ্ণ বিৰাট বিৰাজমান। তেওঁৰ বাহিৰে দ্বিতীয় কোনো সত্য উৎপত্তি নাই হয়—হব সম্ভাৱনাও নাই। ই ধ্ৰুব আৰু সত্য সত্য জানিবা। এই মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্মৰ অঙ্গ-প্ৰত্যঙ্গ স্বৰূপ গ্ৰহ দেৱতা অৰ্থাৎ ব্ৰহ্ম দেৱীৰ দ্বাৰা এক এক প্ৰকাৰ উৎপত্তি পালন আৰু স্থিতি জ্ঞান মুক্তি, মঙ্গলামঙ্গল ইত্যাদি সকল কাৰ্য্য নিৰ্দ্দিষ্ট হৈ আছিছে, হৈ আছে আৰু হব। এই প্ৰকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপৰ বাহিৰে দ্বিতীয় কোনো নাই যে তিলমাত্ৰ ব্যতিক্ৰম কৰিব পাৰে। কৰা নকৰা সকলোতে তেৱেঁই। পৰমাত্মাৰ যি শক্তিৰ দ্বাৰা যি

কাৰ্য্য উত্তম ৰূপে সহজে সম্পন্ন হয়, পৰমাত্মাৰ সেই শক্তিৰে সেই কাৰ্য্য পৰমাত্মাৰ স্বৰূপ জানি মানুহ মাত্ৰেই বিচাৰ কৰি সম্পন্ন কৰা উচিত আৰু এয়াই জ্ঞানবান মানুহৰ লক্ষণ। যি স্থূল শক্তি পৃথিৱী আদি যি বস্তুৰ দ্বাৰা যি কাৰ্য্য অৰ্থাৎ জীৱ সমূহৰ স্থূল শৰীৰ ৰক্ষাৰ কাৰ্য্য সম্পন্ন হয়, তাৰ দ্বাৰা সি কাৰ্য্য সম্পন্ন কৰা উচিত। আৰু যি সূক্ষ্ম শক্তি দ্বাৰা সূক্ষ্ম শৰীৰ ৰক্ষা হয় বা জ্ঞান মুক্তি হয় সেই সূক্ষ্ম শক্তিৰে অৰ্থাৎ জ্যোতিৰ দ্বাৰা পূৰ্ণ ৰূপে সেই কাৰ্য্য স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই সমাপন কৰা উচিত। ইয়াৰ বিপৰীত আচৰণ কৰিলে পৰমাত্মা ভগৱানৰ আদেশ লঙ্ঘন কৰা হয়। তাৰ নিয়ম যি শক্তিৰে যি কাৰ্য্য হয় তাৰ দ্বাৰা সেই কাৰ্য্য নকৰিলে কাৰ্য্য সিদ্ধ নহয় বৃথা পৰিশ্ৰম কৰি সময় নষ্ট হয়, দুখ ভোগ ঘটে আৰু জগতত অশান্তি থাকে। যদি এই ৰূপে বস্তুৰ গুণ বা বস্তু বিচাৰ কৰি মানুহ মাত্ৰেই ধাৰণা বা ব্যৱহাৰ কৰে, তেন্তে সকলেই শান্তি পায়। জীৱ সমূহৰ স্থূল শৰীৰ ৰক্ষা কৰিব লাগিব যেতিয়া অৰ্থাৎ অন্ন-জল প্ৰয়োজন হয় যেতিয়া তেন্তে ভাত পানী খাব খাবই লাগিব। বিচাৰ কৰি দেখিব লাগিব যে, নিৰাকাৰ সাকাৰ তৃণ প্ৰস্তৰ পৰ্য্যন্ত এক সত্য ব্ৰহ্মৰ বাহিৰে দ্বিতীয় সত্তা কোনো বস্তু আকাশত নাই। যেতিয়া, নহব, হবৰ সম্ভাৱনাও নাই, তেতিয়া তোক পিয়াহত কোন আন সত্য ব্ৰহ্মক পাই আমাৰ তোক পিয়াহ গুচি প্ৰাণ ৰক্ষা হব। যদি তোমালোকে কোৱা বা ভাবা যে ব্ৰহ্মময়তো সমস্তই, তেন্তে পৃথিৱীৰ পৰা অন্নাদি উৎপন্ন কৰি নাখাই, ব্ৰহ্ম, কৃষ্ণ, ভগৱান, ঈশ্বৰ, পৰমেশ্বৰ, গড্, আল্লাহ, খোদা প্ৰভৃতি নাম ললেই হব। এতিয়া বিচাৰ কৰি দেখা যে, যদি তোমালোকে পৃথিৱী সত্য ব্ৰহ্মৰ পৰা অন্নাদি খোৱা বস্তু উৎপন্ন কৰি, স্ত্ৰী-পুৰুষ জীৱ সমূহ প্ৰতিপালন লাভ নকৰা, দিন ৰাতি

বহি ঈশ্বৰ, পৰমেশ্বৰ, ৰাম কৃষ্ণ ভগবান যীশাস্ ক্রাইষ্ট মহম্মদ দেব দেবী প্রভৃতি অর্থাৎ পূর্ণ পৰব্রহ্ম জ্যোতিঃ স্বৰূপ গুৰু মাতা পিতা আত্মা বা পৰমাত্মাৰ বস্তু শূন্য কল্পিত নাম লৈ মুখ টুকি মৰা তথাপিও তোমালোকৰ ভোক আঁতৰি প্ৰাণ ৰক্ষা নহয়। পৰমাত্মাৰ আদেশ লঙ্ঘন কৰাৰ কাৰণে ভোকত তোমালোকৰ দুখৰ সীমা নাথাকিব আৰু সোনকালে প্ৰাণ-নাশ হব। ভগবানৰ নামও লব লাগিব, আৰু বিচাৰ কৰি ব্ৰহ্মৰ অংশ স্থূল পৃথিৱী বা অন্নক স্থূল শৰীৰ ৰক্ষাকাৰী ব্ৰহ্ম জানি খাবই লাগিব তেতিয়াহে শৰীৰ প্ৰাণ ৰক্ষা আৰু জ্ঞান লাভ হব। যেতিয়া পিয়াহ শান্তি বা অন্ন আদি উৎপন্ন কৰিবৰ প্ৰয়োজন হয়, তেতিয়া স্থূল পানী ব্ৰহ্মৰ পৰা বৰুণ আৰু সেই বৰুণৰ পানীত স্নান পান কৰিবৰ প্ৰয়োজন হবই হব। পানী পৰব্ৰহ্ম বৰুণ বিনা প্ৰাণ পৰ্য্যন্ত শুকাই যাব আৰু স্ত্ৰী পুৰুষ জীৱ সমূহৰ পানীৰ অভাৱত পিয়াহত মৃত্যু ঘটিব। দিন-ৰাতি বস্তু শূন্য কল্পিত নাম ঈশ্বৰ, গড্, আল্লাহ, খোদা, পৰমেশ্বৰ, ব্ৰহ্ম, পৰম ব্ৰহ্ম, কৃষ্ণ ভগবান ইত্যাদি নানা কল্পিত নাম আৰু পানী পানী কলে পিয়াহ নগুচে আৰু শান্তি নহব। বস্তু শূন্য কাৰণত সৰ্ব্ব নাম পৰিত্যাগ কৰি স্থূল বস্তু পানী ব্ৰহ্মক পান কৰি প্ৰাণ ৰক্ষা কৰিব লাগিব, নহলে ভগবানৰ আদেশ লঙ্ঘন আৰু মৰণ ঘটিব। যেতিয়া স্থূল পদাৰ্থ নাম ৰূপ আদি ভস্ম কৰিব লাগে বা এন্ধাৰ গুচাব লাগে যেতিয়া সূক্ষ্ম জ্যোতিঃ অগ্নি ব্ৰহ্ম দ্বাৰা বাহ্য স্থূল পদাৰ্থ ভস্ম কৰি নাম ৰূপ ৰহিত কৰিব লাগিব বা অগ্নি জ্যোতিঃ দ্বাৰা এন্ধাৰ গুচাব লাগিব। যদি কোনো বা ভাবা যে, এইবাৰ পানী অগ্নিত এটাই বস্তু তেন্তে এন্ধাৰেই এন্ধাৰক আঁতৰাব তেন্তে অন্ধকাৰত অনুভৱ ঠাইত বিহ খাই প্ৰাণ যাব

বা একোনত মূৰাত পৰি হাত-ভৰি জাপি মৰিব লাগিব। যদি ভাবা যে, অগ্নিয়ে ভস্ম বা পোহৰ নকৰি পানী আৰু পৃথিৱীয়ে সকলো বস্তু ভস্ম বা পোহৰ কৰিম, পিয়াহ লাগিলে পানী ব্ৰহ্মক পান নকৰি অগ্নি ব্ৰহ্মক পান কৰি পিয়াহ গুচাম, তেন্তে ঈশ্বৰৰ আদেশ লঙ্ঘনত পিয়াহ নগুচিব, শান্তি নহব, দুখ-কষ্টই সাৰ হব। সমস্তে এক সত্য ব্ৰহ্মময়। কিন্তু ৰূপান্তৰ উপাধি ভেদে স্থূল সূক্ষ্ম চেতনা বিষয়ত শক্তি গুণ ক্ৰিয়াৰ প্ৰভেদ আছে। স্থূল পৃথিৱী আৰু স্থূল পানীত যি চেতনা আছে সি স্থূল ভাৱে আছে, সমষ্টি জ্ঞান চেতনা নাই। সূক্ষ্ম জ্যোতিত যি চেতনা আছে, তাত সমষ্টি জ্ঞান আছে। এই কাৰণে শাস্ত্ৰকাৰ বা সমদৰ্শী জ্ঞানী মহাত্মা পণ্ডিত সকলে বিশেষ ৰূপে পুঞ্জিভূত চেতনা বা জ্ঞান আছে বুলি লাইত হব ওঁকাৰ জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জগতৰ আত্মা পৰমাত্মাক জ্ঞান মুক্তিৰ কাৰণে শৰণা প্ৰেম ভক্তি উপসনা কৰিবৰ বিধি কৰি গৈছে, কৰিছে আৰু কৰিব। জ্ঞানী মানুহে জানে যে ব্ৰহ্ম সত্য একেই। কিন্তু ৰূপান্তৰ ভেদে যি শক্তিৰে যি কাৰ্য্য উত্তম ৰূপে সহজতে সম্পন্ন হয়, তেওঁ সি শক্তিৰে সেই কাৰ্য্য প্ৰীতিপূৰ্ব্বক সমাধা কৰি ব্ৰহ্মৰ আদেশ পালন কৰে। অজ্ঞানী মানুহসকলে তাৰ বিপৰীত কাৰ্য্য কৰে।

যেতিয়া জীৱ সমূহৰ স্থূল শৰীৰ ৰক্ষা বা পালন কৰিব লাগিব, তেতিয়া স্থূল পৃথিৱী পানীয়ে অন্ন আদি উৎপন্ন কৰি স্থূল শৰীৰ ৰক্ষা হব। যেতিয়া জীৱৰ সূক্ষ্ম শৰীৰ ৰক্ষা বা প্ৰতিপালন অৰ্থাৎ জ্ঞান মুক্তিৰ প্ৰয়োজন হয়, তেতিয়া সূক্ষ্ম জ্যোতিঃ স্বৰূপ ওঁকাৰ মঙ্গল কাৰী বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপে চন্দ্ৰমা সূৰ্য্য নাৰায়ণ গুৰু মাতা পিতা আত্মা বা পৰমাত্মাৰ শৰণাগত হৈ কৰ্ম্ম,

ভিক্ষা, প্ৰাৰ্থনা, প্ৰেম, ভক্তি উপাসনা কৰিবে আৰু জগতৰ হিত সাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য কৰিলে তেওঁ জ্যোতি জ্ঞান দি জীৱ সমূহক নিজৰ জ্যোতিঃ স্বৰূপত অভেদে মুক্ত স্বৰূপ পৰমানন্দে আনন্দৰূপে ৰাখিব। জীৱৰ অজ্ঞান জনিত ভিন ভিন নাম ৰূপ আশা, তৃষ্ণা, লোভ, কাম, ক্ৰোধ, অহঙ্কাৰ অভিমান, জন্ম মৰণ নানা শাস্ত্ৰৰ সংস্কাৰ ইত্যাদি সমস্ত ভ্ৰান্তি এক্কাৰ পূৰ্ণ জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্ঞান জ্যোতিঃ দ্বাৰা ভস্ম কৰি জীৱ ব্ৰহ্ম অভেদ বা এক কৰি জীৱক মুক্ত স্বৰূপ পৰমানন্দে ৰাখিব, জীৱ সমূহেও শান্তি পাব। এই জ্যোতিঃ স্বৰূপ বিমুখ জীৱে অজ্ঞান আচ্ছন্ন হৈ জন্ম-মৃত্যু, শত্ৰু মিত্ৰ ভাবে হিংসা দ্বেষ, তৰ্ক বিতৰ্ক বাক বিতণ্ডা কৰি অশান্তি ভোগ কৰে। জ্যোতিঃ স্বৰূপৰ শৰণাগত হৈ প্ৰেম ভক্তি কৰা, ক্ষমা ভিক্ষা কৰা, সকলে জগতৰ হিত সাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য কৰা, তেনে কৰিলে তেওঁ জ্ঞান দি জীৱসমূহক, অভেদে দৰ্শন দিব। হে জীৱ সকল। তোমালোকে পৰস্পৰক নিজৰ আত্মা পৰমাত্মা জানি পৰস্পৰৰ মঙ্গল চেষ্টা কৰা, যাতে সকলে শান্তি পাব পাৰা।

তোমালোকে উপাধি ভেদে নিজৰ নিজৰ স্থূল সূক্ষ্ম শৰীৰ লক্ষ্য কৰি বিশেষ জড় বা চেতনা বুজিবলৈ চেষ্টা কৰা যে, কাৰ দ্বাৰা কি কাৰ্য্য হয়। তেতিয়া হলে ওঁকাৰ মঙ্গলকাৰী বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপে চন্দ্ৰমা সূৰ্য্য নাৰায়ণ গুৰু আত্মাৰ ৰূপান্তৰ ভেদে শক্তিক তোমালোকে নিৰুপাধি ৰূপে বুজিবলৈ সক্ষম হব। তোমালোকৰ স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদি ওঁকাৰ পুৰুষ যি যি তত্ত্ব শক্তিৰে উৎপন্ন বা গঠন কৰিছে অৰ্থাৎ যি যি স্থূল সূক্ষ্ম অঙ্গ-প্ৰত্যঙ্গ দ্বাৰা স্থূল সূক্ষ্ম কাৰ্য্য হয়, তাৰ কোনো ধৰণৰ ব্যতিক্ৰম কৰিব নোৱাৰা, কৰিব গলে তাৰ আদেশ লঙ্ঘন হব আৰু কষ্ট

ভোগ হব। তোমালোকৰ কোনো এটা স্থূল সূক্ষ্ম অঙ্গৰ হানি হলে তোমালোকে পূৰ্ণ আৰু সকল গুণে গুণান্বিত হব নোৱাৰা; অঙ্গহীন হব আৰু কষ্টৰ সীমা নাথাকিব। তোমালোকৰ হাত ভৰি ইত্যাদি স্থূল বস্তু আৰু তোমাৰ জ্ঞানেন্দ্ৰিয় অৰ্থাৎ চকুত, কাণত, নাকত, জিহ্বাত, স্পৰ্শত, সূক্ষ্ম চেতনা জ্ঞান জ্যোতিঃ। ইয়াৰ মাজত স্থূল বস্তু হাত ভৰি নাথাকিলে লৰচৰ কৰিব নোৱাৰি এঠাইত পৰি স্থূল শৰীৰ পচি যাব। যদি চকুৰ জ্ঞান জ্যোতিঃ নাথাকে অৰ্থাৎ অন্ধ হয় তেন্তে তোমালোকে অঙ্গ হানি হব, ৰূপ জ্ঞান নাথাকিব, কষ্টৰ সীমা নোহোৱা হব যদি কৰ্ণ যাবত আকাশ জ্ঞান জ্যোতিঃ নাথাকে তেন্তে বধিৰ হবা। শুনিব নাপাই শাস্ত্ৰ বেদ বেদান্ত বাইবেল কোৰাণ পুৰাণাদিৰ শব্দ জ্ঞান নহব, মুৰ্খ হৈ থাকিব। জিহ্বাত জ্ঞান শক্তি নাথাকিলে তোমাৰ খোৱা বস্তু খাবলৈ গলে তিতা মিঠা বিহ অমৃত জানিব নোৱাৰিবা। স্পৰ্শ ইন্দ্ৰিয়ত জ্ঞান জ্যোতিঃ নাথাকিলে কোনো কিছু স্পৰ্শ কৰিলে জ্ঞান নহব, অসাৰ জড় হৈ থাকিবা। তোমাৰ নাকত থকা জ্ঞান জ্যোতিৰ দ্বাৰা সুগন্ধ দুৰ্গন্ধ জ্ঞান পাইছা। সেই জ্ঞান জ্যোতিঃ নাথাকিলে সুগন্ধ দুৰ্গন্ধ জ্ঞান নহব। প্ৰাণ-বায়ু জ্যোতিঃ নিৰ্বাণ হলে অলপ সময়তে স্থূল শৰীৰ পচি ফুলি উঠিব। সোঁফালৰ প্ৰাণ-বায়ু সূৰ্য্য নাৰায়ণ আৰু বাওঁ ফালৰ প্ৰাণ-বায়ু চন্দ্ৰমা জ্যোতিঃ— ই স্বৰোদয় শাস্ত্ৰত লিখাই আছে। তোমাৰ স্থূল সূক্ষ্ম কোনো এটা অঙ্গ-প্ৰত্যঙ্গ নাথাকিলে কষ্ট হয় আৰু শৰীৰৰ অস্তিত্বই নাথাকে। স্থূল সূক্ষ্ম সমস্ত অঙ্গ-প্ৰত্যঙ্গ লৈ তুমি অন্তৰে এক পূৰ্ণ। তুমি নিজৰ এক এক অঙ্গ বা এক শক্তিৰে এক প্ৰকাৰ কাৰ্য্য সমাধা কৰিছা আৰু সুখে দুখে দিন নিয়াইছা। স্থূল শক্তিৰে স্থূলৰ কাৰ্য্য, সূক্ষ্ম শক্তিৰে সূক্ষ্মৰ কাৰ্য্য অৰ্থাৎ হাতেৰে হাতৰ

কাৰ্য্য, ভৰিৰে ভৰিৰ কাৰ্য্য, সূক্ষ্ম জ্যোতিঃ চকুৰে জ্যোতিঃ জ্ঞানৰ কাৰ্য্য, কাণেৰে শব্দ জ্ঞানৰ কাৰ্য্য, প্ৰাণ বায়ু জ্যোতিৰে শ্বাস প্ৰশ্বাস, সুগন্ধ দুৰ্গন্ধ ইত্যাদি জ্ঞান হৈছে। যদি অদিয়াঅদি কৰি কোৱা যে, ভৰিৰ কাৰ্য্য চকুৰে হব, চকুৰ কাৰ্য্য ভৰিৰে হব, বা কাণৰ কাৰ্য্য হাতেৰে, হাতৰ কাৰ্য্য কাণেৰে হব, বা নাকৰ কাৰ্য্য পিঠিৰে, পিঠিৰ কাৰ্য্য নাকেৰে হব, বা জিভাৰ কাৰ্য্য হাত ভৰিৰে, হাত ভৰিৰ কাৰ্য্য জিভাৰে হব, সি কেতিয়াও নহয়। যি ইন্দ্ৰিয়ৰ দ্বাৰা যি কাৰ্য্য নিষ্পন্ন হয় সি কাৰ্য্য ঈশ্বৰ পৰমাত্মাৰ নিয়মানুসাৰে হব। ঈশ্বৰ পৰমাত্মাৰ নিয়মানুসাৰে যি অঙ্গৰ দ্বাৰা যি কাৰ্য্য হয়, তাৰ দ্বাৰা সেই কাৰ্য্য স্ত্ৰী-পুৰুষ জীৱ সমূহ বিচাৰ কৰি সমাধা কৰিলে ঈশ্বৰৰ আদেশ পালন আৰু সহজে কাৰ্য্য সম্পন্ন হয়, জীৱ সমূহেও সুখ শান্তিতে দিন নিয়াব পাৰে।

বিচাৰ কৰি দেখা যে, তোমাৰ চকুৰ আগত হাতযোৰ কৰি কোনোৱে ভক্তি প্ৰাৰ্থনা কৰিলে বা লাখুটি দেখালে চকুৱে দেখি তুমি সমস্ত অঙ্গ-প্ৰত্যঙ্গ লৈ প্ৰসন্ন বা অপ্ৰসন্নৰে তাৰ মঙ্গলামঙ্গল কৰা। সেইদৰে পৰব্ৰহ্মৰ বিষয় বুজি লব লাগে। সাকাৰ নিৰাকাৰ মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ স্বতঃ প্ৰকাশ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জীৱ সমূহক লৈ। কাৰণ সূক্ষ্ম স্থূল সৰ্ব্বশক্তিমান পূৰ্ণৰূপে বিৰাজমান। তেওঁ নিৰাকাৰত অদৃশ্য ভাবে থাকে, সাকাৰত প্ৰত্যক্ষ প্ৰকাশমান। তেওঁক কোনেও জানিব বা চিনিব নোৱাৰে, তেওঁ যি জনক দয়া কৰি নিজক জনায় বা চিনাকি দিয়ে সেই জনেই তেওঁক জানিব, চিনিব পাৰে। তেওঁ সমস্তকে লৈ এক ভাবে থকা স্বত্বেও নিজৰ স্থূল শক্তিৰে স্থূলৰ কাৰ্য্য, সূক্ষ্ম শক্তিৰে সূক্ষ্মৰ কাৰ্য্য কৰিছে আৰু কৰাইছে। কাৰণ বা বস্তুৰ ৰূপত কোনো ক্ৰিয়া নহয়, বস্তে তত্তেই পূৰ্ণৰূপে

বিৰাজমান। ঈশ্বৰ, গড্, আল্লাহ, খোদা, দেৱ, দেৱী, কৃষ্ণ, ভগৱান, ৰাম, জীৱ, পৰমেশ্বৰ, পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপে তেওঁৰেই ভিন্ন ভিন্ন কল্পিত নাম মাত্ৰ। তেওঁৰ পৰাই স্ত্ৰী-পুৰুষ জীৱ সমূহ উৎপত্তি, পালন আৰু স্থিতি সকলোেই তেওঁৰ ৰূপ মাত্ৰ। একমাত্ৰ জ্যোতিঃ স্বৰূপ জীৱ সমূহৰ মাতা পিতা গুৰু আত্মা পৰমাত্মা মঙ্গলকাৰী। তেওঁ নিজৰ স্থূল শক্তি পৃথিৱী আৰু পানীৰে অন্ন আদি উৎপন্ন কৰি চেতন জীৱ সমূহক প্ৰতি পালন কৰে। যদি স্থূল অন্ন পানী জীৱে আহাৰ পান নকৰে, তেন্তে অন্ন পানী বিনা জীৱে লৰচৰ কৰিব নোৱাৰি মৰণ ঘটিব। সেইৰূপে চেতন জীৱৰ সূক্ষ্ম শৰীৰ জ্যোতিঃ বিনা জীৱে জ্ঞান হীন হৈ থাকে। জ্ঞান জ্যোতিঃ সূক্ষ্ম চন্দ্ৰমা সূৰ্য্য নাৰায়ণ ৰূপে জ্ঞান দি জীৱ সমূহক সত্যৰ পিনে আগবঢ়াই দিয়ে, আৰু ক্ৰমে অভেদ জ্ঞান দি জীৱ ব্ৰহ্ম অভেদ কৰি পৰমানন্দে ৰাখে। সেই কাৰণে সমদৰ্শী জ্ঞানী সকলে স্ত্ৰী-পুৰুষ জীৱ সকলোক জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ গুৰুক শ্ৰেষ্ঠ বুলি প্ৰেম ভক্তি উপাসনা কৰিবৰ বিধি দিছে যে, মানুহ মাত্ৰেই জ্ঞান মুক্তিৰ কাৰণে জ্যোতিক ধাৰণা কৰক। তত্ত্ব পক্ষে শ্ৰেষ্ঠ নিকৃষ্ট নাই, ঘটে ঘটেই এক। কিন্তু উপাধি ভেদে শ্ৰেষ্ঠ নিকৃষ্ট আছে। যিমান দিন স্থূল শৰীৰত চেতন জ্যোতিঃ মাতা পিতা বৰ্ত্তমান থাকে, তিমান দিন ভক্তি পূৰ্ব্বক তোমালোকে পুত্ৰ কন্যা পিতা-মাতাৰ আদেশ পালন কৰা, মৃত্যু হলে স্থূল শৰীৰ মাতা-পিতাক প্ৰেম ভক্তি নকৰা কৰিলে লাভ নাই। সেই হলে স্থূল সূক্ষ্ম ওঁকাৰ জ্যোতি ৰূপ ভাব গ্ৰহণ কৰিবা।

তোমাৰ বুজা উচিত যে, জ্ঞান মুক্তি কাক বোলে। জ্ঞান মুক্তিৰ নানা লোকে নানা প্ৰকাৰ অৰ্থ কৰে। কিন্তু যথাৰ্থ সাৰ ভাব এই সাকাৰ নিৰাকাৰ স্থূল প্ৰভাব পৰ্য্যন্ত নাম ৰূপ গুণ ক্ৰিয়া

সৈ তেওঁ এক সত্য, যতে ততেই প্ৰকাশমান। এই ৰূপ বিজনৰ জ্ঞান আছে, যি জনে ৰূপান্তৰ উপাধি ভেদে জ্ঞান আৰু ক্ৰিয়াৰ যি প্ৰভেদ বোধ হৈছে বুলি জানে তথাপি সমস্ত এক সত্য ব্ৰহ্ম এই জ্ঞানেৰে যি শক্তিৰ দ্বাৰা যি কাৰ্য্য হয়, সেই শক্তিৰে সেই কাৰ্য্য প্ৰীতি পূৰ্ব্বক উত্তম ৰূপে সমাপন কৰে তেৱেঁই জ্ঞানী আৰু মুক্ত। এই অৱস্থাৰ মানুহে ঈশ্বৰ পৰমাত্মাৰ নিয়মিত কাৰ্য্যৰ ব্যতিক্ৰম বা বিপৰীত নকৰে, আৰু আনজনকো কৰিবৰ উপদেশ নিদিয়ে। স্বৰূপ পক্ষত চেতন জীৱ সমূহক নিজৰ আত্মা পৰমাত্মাৰ স্বৰূপ জানি জগতৰ মঙ্গল চেষ্টা কৰে, সেইয়ে সমদৃষ্টি বা জ্ঞান। মুক্তি কিহক কয়? জীৱ ব্ৰহ্মৰ অভেদ জ্ঞান অৰ্থাৎ এক ব্ৰহ্মৰ বাহিৰে দ্বিতীয় জীৱ নাই, আৰু জীৱ বাহিৰে দ্বিতীয় কোনো সত্য চেতন ব্ৰহ্ম নাই—এই এক মাত্ৰ সত্য সৰ্ব্ব শক্তিমান পূৰ্ণ ৰূপে বিৰাজমান। নানা নাম ৰূপ গুণ ক্ৰিয়া থকা সত্ত্বেও তেওঁ যতে ততেই প্ৰকাশমান। যি জীৱে এই ভাবে সুখে দুখে সকল অৱস্থাতে প্ৰকাশমান, সেই জীৱেই মুক্ত স্বৰূপ। এই ৰূপ ভাব প্ৰকাশেই জীৱৰ জীৱনৰ শেষ সীমা আৰু উন্নতিৰ পৰাকাষ্ঠা। যি জনে বিশ্বাস কৰে যে মোৰ বাহিৰে আৰু এটা দ্বিতীয় সত্য আছে, তেনে বিশ্বাস কৰোঁতা মানুহ জন অজ্ঞান বন্ধনতে আছে জ্ঞান-মুক্ত হোৱা নাই। জীৱ সমূহক সৈ ব্ৰহ্ম বা ভগৱান পূৰ্ণ, তাক নিজৰ পৰা পৃথক বিশ্বাসে পৰিত্যাগ কৰি জীৱে অপূৰ্ণ প্ৰকাশ পায়।

হে চেতন জীৱসমূহ, তোমালোকে নিজৰ নিজৰ মান অপ-মান, জয়-পৰাজয়, সামাজিক মিথ্যা স্বাৰ্থ ত্যাগ কৰি একমাত্ৰ নিৰাকাৰ সাকাৰ মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ গুৰু মাতা পিতা আত্মাৰ শৰণাগত হৈ তাৰ প্ৰিয় কাৰ্য্য

অৰ্থাৎ সকলে যিনি চেতন জীৱসমূহৰ মঙ্গল চেষ্টা কৰা। তেওঁ মঙ্গলময় তোমালোকৰ সকল প্ৰকাৰ অমঙ্গল আঁতৰাই মঙ্গল বিধান কৰিব। তুমি জীৱ সমূহ শান্তি পাবা ধ্ৰুৱ আৰু সত্য সত্য জানিবা।

ওঁ শান্তিঃ ! ওঁ শান্তিঃ !! ওঁ শান্তিঃ !!!

## *আচাৰ আৰু বিচাৰ।*

নামধাৰী পণ্ডিতসকলে আচাৰ বিচাৰৰ বিষয় নানা প্ৰকাৰ শব্দাৰ্থ আৰু বাক বিতণ্ডা কৰি অমঙ্গলৰ সৃষ্টি কৰিছে। স্ত্ৰী পুৰুষ জীৱ সমূহৰ কোনো প্ৰকাৰ শান্তি নাই। পাঠক সকল তলত লিখা মতে ইয়াৰ সাৰ ভাব গ্ৰহণ কৰক।

ওঁকাৰ পৰমাত্মা পূৰ্ণ সৰ্ব্ব শক্তিমান। তাৰ যি যি শক্তি নাম ৰূপৰ দ্বাৰা যি যি কাৰ্য্য সহজে সম্পন্ন হয় সেই সেই শক্তি নাম ৰূপক ব্ৰহ্ম বা ব্ৰহ্মৰ শক্তি জানি তাৰ দ্বাৰা সেই সেই কাৰ্য্য যথা সময়ত প্ৰীতিপূৰ্ব্বক সমাধা কৰি নিজৰ আৰু আনৰ অভাৱ মোচন কৰাৰ নাম বিচাৰ। ভোক লাগিলে অন্ন আহাৰ পিয়াহ লাগিলে পানী, জাৰ হলে অগ্নিৰে পোহৰ কৰা ইত্যাদি বিচাৰ। পৃথিৱীৰ দ্বাৰা পৃথিৱীৰ কাৰ্য্য, পানীৰ দ্বাৰা পানীৰ কাৰ্য্য, অগ্নিৰ দ্বাৰা অগ্নিৰ কাৰ্য্য, আৰু জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদি বিহৰ দ্বাৰা যি যি কাৰ্য্য সম্পন্ন হয় তাৰ দ্বাৰা সেই সেই কাৰ্য্য উত্তম ৰূপে সমাধা কৰাই বিচাৰ। তেনে কাৰ্য্য কৰিলে পৰমাত্মাৰ আদেশ পালন কৰা হয়। তাৰ বিপৰীত অৰ্থাৎ পানীৰে

অগ্নিৰ কাৰ্য্য, অগ্নিয়ে পানীৰ কাৰ্য্য আৰু চকুৱে ভৰিৰ কাৰ্য্য কৰিবৰ চেষ্টা বা উপদেশ চয়তানৰ কাৰ্য্য, অবিচাৰ, অধৰ্ম আৰু অজ্ঞানৰ কাৰ্য্য জানিবা। তাৰ দ্বাৰাই জীৱৰ বন্ধন আৰু জন্ম-মৃত্যু।

আচাৰ কিহক কয়? সকল বিষয় শৰীৰ, মন, ইন্দ্ৰিয়, বস্ত্ৰ, শয্যা, ঘৰবাৰী, বাট ঘাট, চহৰ বজাৰ, আৰু পৃথিবী পানী বায়ু অগ্নি ইত্যাদি সমস্ত বস্তু যিহৰ দ্বাৰা যি বস্তুৰ পৰিষ্কাৰ হয়, তাৰ দ্বাৰা সেই বস্তু উত্তম ৰূপে পৰিষ্কাৰ কৰি ব্যৱহাৰ কৰাই আচাৰ। যেনে এন্ধাৰ সমস্ত অগ্নিয়ে পোহৰ কৰিলে সহজতে এন্ধাৰ গুচে, স্থূল বস্তু সহজে অগ্নিৰ দ্বাৰা ভস্ম হয় তাকে নকৰি পানীৰে পোহৰ কৰিবলৈ বা স্থূল বস্তু ভস্ম কৰিব গলে বা চাবনৰ দ্বাৰা স্থূল শৰীৰ বস্ত্ৰ আদি পৰিষ্কাৰ হয়, তাকে নকৰি যদি কয়লা কেৰাচিন তেলেৰে পৰিষ্কাৰ কৰিব খোজা বা এন্ধাৰ অজ্ঞান ৰূপী ময়লা জ্ঞান ৰূপী চাবন জ্যোতিঃ স্বৰূপ গুৰুৰ দ্বাৰা সহজে পৰিষ্কাৰ কৰি অভেদ জ্ঞান উদয় মুক্ত স্বৰূপ পৰমানন্দে থাকিব পাৰা. সিটোকে নকৰি অজ্ঞান এন্ধাৰ দ্বাৰা আঁতৰাৰ ইচ্ছা কৰা—সেইয়ে অত্যাচাৰ আৰু এনেকুৱা যিয়ে কৰে, সি জনক পৰমাত্মা ভগৱানৰ অভক্ত, জগতৰ অমঙ্গলকাৰী পশু ভাবাপন্ন বুলি জানিবা।

ওঁ শান্তিঃ! ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

—:০:—

# মহাদেৱৰ বুকুত কালী আই।

কালী আই যে মহাদেৱৰ বুকুত থিয় দি আছে তাৰ অৰ্থ নানা মানুহে নানা প্ৰকাৰে কয়। কিন্তু তাৰ যথাৰ্থ সাৰ-ভাব এই ৰূপে বুজিবা। এক সত্য অনাদি কাল স্বতঃ প্ৰকাশ নিৰাকাৰ সাকাৰ মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জীৱ সমূহক লৈ পূৰ্ণৰূপে প্ৰত্যক্ষ প্ৰকাশমান। তেওঁৰেই প্ৰকৃতি পুৰুষ বা যুগল ৰূপ নাম কল্পিত হৈছে। কিন্তু তেওঁ যতে ততেই প্ৰকাশমান। ওঁকাৰ অক্ষৰ নানা শাস্ত্ৰৰ পৰমেশ্বৰৰ ৰূপ দেখুৱা হৈছে। তাত যে চন্দ্ৰ বিন্দু অৰ্থাৎ ওপৰত বিন্দু পিচত অৰ্দ্ধমাত্ৰা চন্দ্ৰ তাৰ সাৰ ভাব এই— বিন্দু কালী আই মহাশক্তি সূৰ্য্য নাৰায়ণ ওপৰত আছে, অৰ্দ্ধমাত্ৰা চন্দ্ৰমা জ্যোতিঃ পিচত আছে। ওপৰত চৰি আছে অৰ্থাৎ জীৱ সমূহৰ ইন্দ্ৰিয় দেৱতা, প্ৰেৰক দেৱৰ দেৱতা মহাদেৱ, অৰ্দ্ধমাত্ৰা চন্দ্ৰমা জ্যোতিঃ জীৱ সমূহৰ মন। তেওঁৱেই ব্ৰহ্মাণ্ডৰ ঋষি মুনিক জিকায় বা জয়ী কৰায়। অৰ্দ্ধমাত্ৰা মন জয় হলে সকলোৰেই জয় হয়, মন জয় নহলে কোনোৱেই জয় নহয় অৰ্থাৎ শিৱৰ বা জীৱৰ কোনো প্ৰকাৰ জ্ঞান শান্তি নাহে। এই অৰ্দ্ধমাত্ৰা চন্দ্ৰমা জ্যোতিৰ ওপৰত বিন্দু জ্ঞানৰ পুঞ্জীভূত মহাশক্তি কালী আই বা সাবিত্ৰী সূৰ্য্য নাৰায়ণ এই নিৰাকাৰ সাকাৰ একমাত্ৰ ওঁকাৰ ব্ৰহ্ম সূৰ্য্য নাৰায়ণ স্ত্ৰী-পুৰুষ জীৱ সমূহৰ মূৰত সহস্ৰ দল বিন্দুৰূপে প্ৰকাশ থাকে। এই জ্যোতিঃ জীৱ সমূহৰ কণ্ঠত মহাদেৱ চন্দ্ৰমা জ্যোতিঃ মনক জিকে অৰ্থাৎ জয়ী কৰে। জ্ঞান হলে জীৱে ইয়াকে সৰস্বতী ৰূপে কণ্ঠত বা জিভাত

গলাত ৰেখে। এই জ্যোতিঃ জীৱৰ হৃদয়ত আছে, কাৰণে তাক বিশ্বময় বিষ্ণু ভগবান কয়। এই জ্যোতিঃ জীৱৰ গুহ্য লিঙ্গত আছে, সেই কাৰণে তাক সূৰ্য্য নাৰায়ণৰ পুত্ৰ যম কয়। এই জ্যোতিঃ জীৱৰ উপস্থ লিঙ্গত আছে, সেই কাৰণে তাক্ গণেশ কয়। ঠাই ভেদে একেই ওঁকাৰ বিৰাট ব্ৰহ্ম জ্যোতিঃ স্বৰূপ সূৰ্য্য নাৰায়ণৰ নানা নাম কল্পিত মাত্ৰ। যেনেকৈ তোমালোকৰ একেই শৰীৰৰ কোনো ঠাই মুখ, কোনো ঠাই পিঠি, কোনো ঠাইত বুকু, কোনো ঠাইত হাত, কোনো ঠাইত ভৰি ইত্যাদি নাম কল্পনা কৰা। কিন্তু সমস্ত স্থূল শৰীৰ লৈ তুমি এক। সেই ৰূপে তোমাৰ সূক্ষ্ম শৰীৰ জ্যোতিঃ অন্তৰত একেই বা স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদি লৈ তুমি এক পূৰ্ণ। তোমাৰ স্থূল শৰীৰত কোনো ঠাই ছুৰীৰে বা অন্য প্ৰকাৰে আঘাট কৰিলে তোমাৰ অৰ্থাৎ চেতনৰ কষ্ট বোধ হয় আৰু স্থূল শৰীৰত কোনো প্ৰকাৰ মালিচ কৰিলে তোমাৰ ভাল সুখ বোধ হয়। যদি তোমাৰ সূক্ষ্ম শৰীৰক কোনোবাই মাৰে বা গালি দিয়ে বা সন্মান ভক্তি প্ৰাৰ্থনা কৰে, তেতিয়া হলে তুমি স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদিক লৈ ৰাগ বা প্ৰসন্ন হৈ মঙ্গলামঙ্গল কৰা। সেই ৰূপ এক সত্য নিৰাকাৰ সাকাৰ ওঁকাৰ মঙ্গলকাৰী বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জীৱ সমূহক লৈ একেই পূৰ্ণৰূপে বিৰাজমান। এই জ্যোতিৰ সন্মুখত কোনো প্ৰকাৰ সন্মান অপমান ভক্তি অভক্তি কি কৰা, প্ৰণাম নমস্কাৰ কৰা বা নকৰা, জ্ঞানৰ পুঞ্জিভূত সমস্ত বুজিব পাৰে। তেওঁ প্ৰসন্ন বা অপ্ৰসন্ন হলে নিৰাকাৰ, সাকাৰ, দেব-দেবী, চৰাচৰ, স্ত্ৰী-পুৰুষ, জীৱ সমূহৰ লৈ প্ৰসন্ন বা অপ্ৰসন্ন হৈ মঙ্গলামঙ্গল কৰিছে, কৰি আছিছে আৰু কৰিব। এই একমাত্ৰ মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্মৰ শাস্ত্ৰত ঈশ্বৰাদি

কল্পিত নানা নাম মাত্ৰ। তেওঁ যতে ততেই সৰ্ব্ব কালে সৰ্ব্ব অৱস্থাতে প্ৰকাশমান। তেওঁৰ বাহিৰে দ্বিতীয় কোনো নাই যে জগতত এটি পাত সৃষ্টি কৰিলে নষ্ট কৰিব পাৰে।

মানুহ মাত্ৰেই নিজৰ নিজৰ অহঙ্কাৰ, অভিমান ত্যাগ কৰি তেওঁৰ শৰণাগত হৈ সকলোৱে জগতৰ মঙ্গল চেষ্টা কৰা যাতে তোমালোক সকলোৱে শান্তি পাব পাৰা।

ওঁ শান্তিঃ! ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

## যুক্তিহীন বিচাৰৰ দৃষ্টান্ত আৰু অসমদৰ্শী পণ্ডিত

কোনো কোনো নামধাৰী সমদৃষ্টিহীন পণ্ডিত সকলে কয় যে যদি ব্ৰহ্ম বা ভগবান স্ত্ৰী-পুৰুষ জীৱ-সমূহক লৈ এক সত্য পূৰ্ণ সৰ্ব্ব শক্তিমান হয়, তেন্তে কাউৰীৰ বুলি আৰু মানুহৰ ভাষা কেলেই বেলেগ হ'ল? এই বিষয় মানুহ মাত্ৰেই বিচাৰ কৰি স্থূল দৃষ্টান্তৰে ইয়াৰ সাৰ ভাৱ গ্ৰহণ কৰা।

তুমি নিজৰ স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদিক লৈ পূৰ্ণ সৰ্ব্ব শক্তিমান। তেওঁ এক এক অঙ্গ বা শক্তিৰে এক এক কাৰ্য্য কৰিছে। কোনো এক অঙ্গ বা শক্তি নাথাকিলে অঙ্গহীন হব, পূৰ্ণ নহব। কি ইন্দ্ৰিয়ৰ কি গুণ, শক্তি, ধৰ্ম্ম সি প্ৰত্যেকৰে ভিন্ন ভিন্ন ভাৱে প্ৰকাশ পায় আৰু সেই অনুসাৰে ভিন্ন ভিন্ন ক্ৰিয়া হৈছে। কিন্তু তুমি সমস্ত স্থূল-সূক্ষ্ম ইন্দ্ৰিয়াদিক লৈ

এক পূৰ্ণ। ভিন ভিন ক্ৰিয়া যেনে—চকুৰে ৰূপ জ্ঞান, কাণেৰে শব্দ জ্ঞান, নাকেৰে গন্ধ জ্ঞান, ইত্যাদি। এক এক ইন্দ্ৰিয়ৰ দ্বাৰা এক এক ৰকম ব্যৱহাৰিক পাৰমাৰ্থিক জ্ঞান ক্ৰিয়া হৈ আছে। মুখেৰে তুমি খোৱা বস্তু খাইছা আৰু ভাল ভাল পৱিত্ৰ কথা কৈছা। কিন্তু আন ইন্দ্ৰিয়ৰে তেনে খোৱা, কথা কোৱা ক্ৰিয়া নহয়। গুহ্য পণ্ডিত বা পণ্ডিতৰ মুখৰ পৰা মল দুৰ্গন্ধ আৰু অনৰ্থক শব্দ প্ৰকাশ হৈছে। পণ্ডিতৰ মুখ আৰু গুহ্যৰ কাৰ্য্য এক নহয়, দুয়োটাৰে প্ৰভেদ আছে। কিন্তু পণ্ডিতে হলে সমস্ত অঙ্গ প্ৰত্যঙ্গ লৈ এক। যদি চুৰীৰে পণ্ডিতৰ মুখ কটা যায় তেন্তে পণ্ডিতে আই বোপাই বুলি চিঞৰিব আৰু পণ্ডিতৰ গুহ্য কাটিলেও দুখত চিঞৰিব। পণ্ডিতৰ দুই মুখেৰে দুই কথা বাক কৈছে কিন্তু পণ্ডিত একেই স্থূল মুখেৰে স্থূল ক্ৰিয়া, সূক্ষ্ম-মুখেৰে সূক্ষ্ম ক্ৰিয়া বা শব্দ লাভ হৈছে।

তেওঁ অৰ্থাৎ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ ভিন ভিন জীৱৰ মস্তিষ্কত থাকি ভিন ভিন বুলি প্ৰকাশ কৰায়। সেই কাৰণে তেওঁৰ নাম হৰ বোলা। তেওঁ সামান্য অংশ একজন হৰ বোলা মানুহে কিমান প্ৰকাৰৰ কথা কয়। ব্ৰহ্ম বা ভগৱান জগৎৰূপে নানা কলা বা ৰং চং নানা ৰূপে প্ৰকাশমান। সেই কাৰণে তেওঁক বহুৰূপী বোলে। তেওঁৰ অংশ সামান্য এজন মানুহ বহু ৰূপে কিমান সং সাজি থাকে তেওঁ সকল কথা কৰপাৰে, সকল ৰূপ ধৰিব পাৰে। ব্ৰহ্ম বা ভগৱানৰ বাহিৰে এই আকাশ মণ্ডলত দ্বিতীয় কোনো যে জগৎ জীৱ সমূহ নাম ৰূপ বহুৰূপী বা হৰ বোলা হয়। সেই কাৰণে শাস্ত্ৰে কয় যে জীৱ বা জগৎ ভাৱনা মিথ্যা, ব্ৰহ্মই সত্য অৰ্থাৎ ব্ৰহ্মই জগৎ—জগতেই ব্ৰহ্ম। ব্ৰহ্মই কাৰণ সূক্ষ্ম স্থূল প্ৰকাশ মান। ব্ৰহ্ম বা ভগৱানৰ ৰূপ সম্বন্ধে শাস্ত্ৰত লিখা আছে যে, "অনেক ৰূপ ৰূপায় বিষ্ণবে প্ৰভবিষ্ণবে।" যি জনৰ সমদৃষ্টি জ্ঞান আছে তি জনেই সকলো বিষয় জানে আৰু বুজে।

পৰমাত্মা জ্যোতিঃ স্বৰূপ যিহকে যি ৰূপে শক্তি স্বাধীনতা বা অধীনতা দিছে, তাৰ সেই ৰূপ কর্ম কৰি সুখ দুখ ভোগ হয়। যি জীৱৰ যিমান আৱশ্যক তাক সিমান পৰিমাণ চেতনা দি জীৱ সমূহৰ পালন কৰিছে। জীৱ সমূহে পৰস্পৰ ভিন ভিন ভাষাৰে মাত বোল কৰিছে, কিন্তু পৰস্পৰে পৰস্পৰৰ কথা বা বোল বুজি নাপায়। কিন্তু স্ত্রী-পুৰুষ জীৱ সমূহৰ মাজত যি জনৰ যি অভাৱ নিজে নিজে বুজিছে বা জানিছে আৰু নিজৰ নিজৰ অভাৱ মোচন কৰি লৈছে। যি জনৰ সমদৃষ্টি জ্ঞান বা স্বৰূপ অৱস্থা লাভ কৰিছে, সেই জীৱে. চেতন কল্পিত শব্দ বুজক বা নবুজক তাতে তাৰ একোৰে ক্ষতি লাভ নাই, স্বৰূপপক্ষত জীৱৰ জ্ঞান পূর্ণ আৰু ঘটে ঘটেই প্রকাশমান।

যি জনৰ যি অভাৱ, সিটো জীৱ সকলে পৰস্পৰ বিচাৰ কৰি মোচন কৰক, কোনো প্রকাৰে যেন জগতত চেতন জীৱে নিজে কষ্ট নাপায় আৰু আনকো যেন কষ্ট নিদিয়ে, যাতে চেতন জীৱ সমূহ সকল প্রকাৰে সুখী হয় এইয়ে পৰমাত্মাৰ অভিপ্রায়। স্ত্রী-পুৰুষ জীৱ সমূহ পৰস্পৰে পৰস্পৰৰ আত্মা পৰমাত্মা স্বৰূপ। সেই কাৰণে শাস্ত্রত লিখা আছে যে "বিদ্যাবিনয় সম্পন্নে ব্রাহ্মণে গবি হস্তিনি। শুনিচৈব শ্বপাকেচ পণ্ডিতাঃ সমদর্শিনঃ।" ইয়াৰ সাৰভাৱ এই যে যি জনে যথার্থ সমদৰ্শী পণ্ডিত বা যি জনৰ অভেদ জ্ঞান হৈছে তেওঁ বিদ্যা বিনয় যুক্ত ব্রাহ্মণ, গো, হস্তী, কুকুৰ, চণ্ডাল, স্ত্রী-পুৰুষ জীৱ সমূহৰ নিজৰ আত্মা পৰমাত্মা জানি সকল জীৱৰ মঙ্গল কামনা কৰে। তেনে জ্ঞান যি জনৰ নাই, যি জনে এনেকুৱা নকৰে, তেওঁ বেদ বেদান্ত শাস্ত্রজ্ঞ হলেও মূর্খ।

এই সকল বিষয়ৰ সাৰ ভাৱ গ্রহণ কৰি জীৱ জগতৰ হিত সাধন কৰা যাতে তোমাৰ আৰু জীৱ জগতৰ শান্তি হয়।

ওঁ শান্তিঃ ! ওঁ শান্তিঃ !! ওঁ শান্তিঃ !!!

# জ্যোতিত ক'লা দাগ

বৰ্ত্তমান জগতত ওঁকাৰ পুৰুষ জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণৰ মাজত নানা ক'লা চিন দাগ আদি দোষ নিৰূপণ কৰি হৈ-হৈ হৈছে। সত্য-ভ্ৰষ্ট পৰমাত্মা-বিমুখ অজ্ঞান অৱস্থাপন্ন লোকে জগতৰ একমাত্ৰ মঙ্গলকাৰী জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জগতৰ মাতা পিতা আত্মা গুৰুক চিন নাপাই নানা প্ৰকাৰ উপহাস ঠাট্টা কৰিছে। অজ্ঞান সকলৰ ই জ্ঞান নাই যে কিয় ইয়াৰ মাজত নানা উপাধি বোধ হৈছে। তেওঁৰ বাহিৰে দ্বিতীয় সত্য কোন আছে যে উপাধি আদি তাৰ মাজত হব? তেওঁ যে অনাদি স্বতঃ প্ৰকাশ একমাত্ৰ নিৰাকাৰ সাকাৰ বিৰাট পৰ-ব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ সমুচক হৈ প্ৰত্যক্ষ বিৰাজমান। অহঙ্কাৰী পৰমাত্মা বিমুখ নিন্দুক সকলোৰে মূৰ ছেদন কৰিব বুলি তেওঁ নানা ক'লা চিন বা দাগ কৰিছে আৰু জনাব লাগিছে যে "এতিয়া মোৰ শেষ কৃষ্ণ কালী কল্কী অৱতাৰ সংস্থাপনৰ সময় আহিছে, মই কৃষ্ণ কালী কল্কী সং সাজি পৰ পীড়ক পৰনিন্দুক মিথ্যা প্ৰপঞ্চি সকলোৰ মূৰ ছেদন কৰি অহঙ্কাৰ চূৰ্ণ কৰিম।" এই কাৰণে তেওঁৰ মাজত অজ্ঞান সকলে নানা চিন বা দাগ দেখে আৰু অজ্ঞান জীৱক তেও দেখায়।

জ্যোতিৰ মাজত অন্তৰে বাহিৰে আকাশময় শ্যামবৰ্ণ ক'লা দাগ বা চিন আছে। তাৰ মাজত জ্যোতিঃ সুন্দৰ। চন্দ্ৰমা সূৰ্য্য নাৰায়ণ অগ্নি জ্যোতিঃ প্ৰকাশ থাকিলে সিটোকে সুন্দৰ বোলে, আৰু জ্যোতিঃ মাৰ গলে তেওঁ এন্ধাৰ ৰূপে প্ৰকাশ পায় তেতিয়া তেওঁক শ্যাম সুন্দৰ বোলে। ই কিছু শাস্ত্ৰত কম্মিত নাথ জানিবা। তেওঁ যতে ততেই প্ৰকাশমান।

মানুহ মাত্রেই বিচাৰ কৰি বুজা যে চন্দ্রমা সূর্য্য নাৰায়ণ জ্যোতিঃটো সূক্ষ্ম, তাৰেই কিঞ্চিত অংশ স্থূল অগ্নি। অগ্নিত কোনো স্থূল বস্তু ক'লা ৰূপ ৰং আদি দাগ বা চিন দিলে অগ্নি জ্যোতিত দাগ বা চিন নাথাকি পুৰি ছাই হৈ যাব। এই অগ্নিৰ পৰা সূর্য্য নাৰায়ণ সূক্ষ্ম জ্যোতিঃ আকাশ বা পৃথিৱীত আছে। সেইসূক্ষ্ম জ্যোতিত যে কেনেকুৱা স্থূল বস্তুৰ ক'লা ৰং আদি দাগ বা চিন লাগিব? মানুহৰ কি অলপো বুদ্ধি বা জ্ঞান নাই? ইযে কিমান দুখ আৰু লাজৰ বিষয়। জ্ঞানী বিজ্ঞানী লোক সকলে জানে যে জ্যোতিঃ স্বৰূপ সূর্য্য নাৰায়ণৰ পৰা জগৎ নানা নাম ৰং ৰূপ ইত্যাদি উৎপন্ন বা প্রকাশ পাইছে। জ্যোতিত বা অগ্নিত নানা ৰং ৰূপ স্থূল বস্তু দিলে পুৰি ছাই হৈ যায়। তাত ক'লা ৰং দাগ বা চিন কেনেকুৱা লাগিব? সমদর্শী জ্ঞানী পণ্ডিতসকলে জানে আৰু জ্যোতিষ শাস্ত্র আদিত লিখা আছে যে, যেতিয়া সূর্য্য নাৰায়ণ সাকাৰ সৃষ্টি জগত খন প্রলয় কৰে, তেতিয়া আদিত্য বা সূর্য্য নাৰায়ণ বাৰ কলা তেজৰূপে প্রকাশ হৈ সমস্ত স্থূল জগত নামৰূপ ভস্ম কৰি নিজৰ ৰূপ নিৰাকাৰ কাৰণত স্থিত হয়। তেওঁ নাথাকিলে সৃষ্টি নাথাকে, তেওঁ প্রকাশ হলে সৃষ্টি প্রকাশ হয়, নহলে সমস্ত শূন্য মিথ্যা। সময়ন্তৰত তেওঁ পুনঃ জগতক নানা নাম ৰূপ উৎপত্তি বা প্রকাশ কৰে। জ্যোতিত কোনো ক'লা বগা গৰম ঠাণ্ডা কিছু নাই। যিমান পৰিমাণ তেজ শক্তি প্রকাশ কৰে, তিমান পৰিমাণ জগতে পোহৰ গৰম বোধ পায়, যিমান পৰিমাণ তেজ শক্তি সঙ্কোচ কৰে তিমান পৰিমাণ ঠাণ্ডা বা এন্ধাৰ বোধ পায়। সেই অনুসাৰে গ্রীষ্ম বর্ষা শীত ইত্যাদি ঋতু হিচাবে জীৱসকলে ওলপ বেচি বোধ পাইছে।

ওঁ শান্তিঃ! ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

# স্ত্ৰী সকলৰ প্ৰতি অন্যায় বিধি

হিন্দু, মুছলমান, খ্ৰীষ্টান, ৰজা, প্ৰজা, পণ্ডিত, স্ত্ৰী, পুৰুষ মানুহ সকল নিজৰ নিজৰ উপাস্য দেৱতাত নিষ্ঠা ৰাখি মান অপমান ভয় পৰাজয় সামাজিক মিথ্যা স্বাৰ্থ পৰিত্যাগ কৰি গম্ভীৰ আৰু শান্ত চিত্তে সমদৃষ্টিৰে সাৰ ভাৱ গ্ৰহণ কৰা। যাতে স্ত্ৰী-পুৰুষ সকলো জীৱসমূহে সুখে আনন্দে দিন নিয়াব পাৰা সিটোকে সকলোৱে কৰা কৰ্ত্তব্য।

বিধি ব্যৱস্থা কৰ্ত্তাসকল স্বাৰ্থবশতঃ ঈশ্বৰ বা ঋষি মুনি সকলৰ দোহাই দি বিশেষ ৰূপে হিন্দু স্ত্ৰী সকলৰ প্ৰতি যে কিমান প্ৰকাৰ অন্যায় বিধি ব্যৱস্থা কৰি আহিছে কৰিব লাগিছে আৰু কৰিব সেই বিষয় মানুহে দেখিও নেদেখা হৈ আছে। যদি স্ত্ৰীসকল বিধি ব্যৱস্থা কৰ্ত্ৰী হলহেঁতেন তেন্তে স্বাৰ্থপৰ নামধাৰী পুৰুষ পণ্ডিতসকলে বুজিব পাৰিলহেঁতেন যে এই কি ৰূপ ব্যৱস্থা ইয়াত কিৰূপ কষ্ট বা দুখ হয়। নামধাৰী পুৰুষ পণ্ডিতসকল কিৰূপ বিধি ব্যৱস্থা কৰিছে চোৱা। পুৰুষসকল পবিত্ৰ সৰ্ব্ব বিষয় অধিকাৰী আৰু সৰ্ব্ব সুখ ভোগ কৰিব আৰু অবলা স্ত্ৰীসকল অপবিত্ৰ, সকলো বিষয় অনধিকাৰী আৰু সকলো দুখ ভোগ কৰিব। পুৰুষসকলে স্ত্ৰীসকলক মুক্তি দিব পাৰে, কিন্তু স্ত্ৰীসকলে পুৰুষ সকলক মুক্তি দিব নোৱাৰে। এনেকুৱা বিধিক আৰু বিধি কৰ্ত্তাক ধিক, শত সহস্ৰ বাৰ ধিক। ঈশ্বৰ বা সমদৰ্শী জ্ঞানবান ঋষি ব্যক্তিৰ জানো এই বিধি? এনেকুৱা বিধি ব্যৱস্থা প্ৰয়োগ কৰা মাত্ৰ ঈশ্বৰ বা সমদৰ্শী জ্ঞানবান সকলৰ অপমান আৰু দোষ নিৰূপণ

কথা। ঈশ্বৰ বা সমদৰ্শী জ্ঞানীৰ কি এই জ্ঞান নাই যে একেই ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ ঈশ্বৰৰ পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ সমভাৱে উৎপত্তি, পালন আৰু স্থিতি অনাদি কালৰে পৰা হৈ আহিছে। স্ত্ৰী-পুৰুষ জীৱ সমূহ পৰস্পৰৰ আত্মা পৰমাত্মা স্বৰূপ।

পুৰুষসকলে স্ত্ৰী-মৃত্যুৰ শেষত বিবাহ কৰিব পাৰে, আৰু সুখ ভোগত স্বাধীন থাকিব, কিন্তু স্ত্ৰীসকলে স্বামীৰ মৃত্যুৰ পিচত ইচ্ছা থকা স্বত্বেও পুনঃ বিবাহ কৰিব নাপায়, পৰাধীন ভাৱে থাকিব, ইচ্ছামতে বস্ত্ৰ অলঙ্কাৰ আদি খোৱা খাদ্যাদি ব্যৱহাৰ কৰিব নোৱাৰে বা নাপায়। স্ত্ৰীসকল শিশু কালতে বিবাহ হলে স্বৰ্গবাস হয়, ঈশ্বৰৰ নিয়মমতে পূৰ্ণ বয়সত বিবাহ কৰিলে নৰক বাস হয়। কিন্তু পুৰুষ সকলে যেতিয়াই ইচ্ছা বিবাহ কৰিব, স্ত্ৰী জাতিও এক ওঁকাৰ ভগৱান চেতনৰ পৰা উৎপন্ন হোৱা নাই, দ্বিতীয় সত্যৰ পৰা উৎপন্ন হৈছে। স্ত্ৰীজাতি যেনিবা জড়, সিহঁতৰ সুখ দুখো বোধ নাই। পুৰুষে খালে হিন্দু স্ত্ৰীসকলৰ ভোক আঁতৰে, কিন্তু স্ত্ৰীসকলে খোৱাত পুৰুষসকলৰ ভোক নগুচে। পুৰুষসকলে ঠাণ্ডাত কাপোৰ উৰিলে স্ত্ৰীসকলৰ বিনা কাপোৰতে ঠাণ্ডা নিবাৰণ হয়, স্ত্ৰীসকলে কাপোৰ উৰিলে পুৰুষসকলৰ ঠাণ্ডা গুচে। স্ত্ৰীসকলৰ ৰোগত পুৰুষসকলে ঔষধ খালে স্ত্ৰীসকলৰ ৰোগ এৰে, কিন্তু স্ত্ৰীসকলে ঔষধ খোৱাত পুৰুষসকলৰ ৰোগ আৰোগ্য নহয়। স্ত্ৰী মৰাৰ পিচত পুৰুষসকলে ধন সম্পত্তিৰ অধিকাৰী হয়, কিন্তু স্ত্ৰীসকল স্বামী বৰ্ত্তমানে বা স্বামী মৃত্যুৰ পিচত ধন সম্পত্তিৰ অধিকাৰিণী হব নোৱাৰে। স্ত্ৰী জাতি স্বামী মৃত্যুত সহমৃতা হব, কিন্তু পুৰুষসকল স্ত্ৰীৰ মৃত্যুত সহমৃতা হব নেলাগে। স্ত্ৰীসকলে বিদ্যা শিক্ষা কৰিলে আৰু ধন বস্ত্ৰ পালে

বেশ্যা হয়, কিন্তু পুৰুষসকলে বিদ্যা শিক্ষা কৰিলে, ধন . বস্ত্ৰ পালে, পৰস্ত্ৰীলোলুপ নহয়। এইয়ে কি মানুহৰ ধৰ্ম? বিধি ব্যৱস্থা-পকৰ হৃদয়ত কি অলপো জ্ঞান বা দয়া নাছিল? পৰমাত্মাৰ প্ৰিয় জ্ঞানবান মানুহে কেতিয়াও এনেকুৱা ব্যৱস্থা নকৰে। সকলোৱেই মুখে মুখে শাস্ত্ৰৰ কথা কয় কিন্তু কাৰ্য্যত একোৱেই নাই। শাস্ত্ৰত লিখাই আছে যে বিদ্যা বিনয় সম্পন্ন ইত্যাদি। যি জনৰ এইৰূপ সমদৃষ্টি বা জ্ঞান নাই, তেওঁ ব্ৰাহ্মণ, মুনি, ঋষি, দণ্ডী পৰমহংস সন্ন্যাসী হলেও ভণ্ড আৰু অজ্ঞান। যি সকলে সমভাৱে বিধি ব্যৱস্থা নকৰি স্ত্ৰী সকলৰ ওপৰত অন্যায় নিৰ্দ্দয় বিধি ব্যৱস্থা কৰিছে সিহঁতক উচিত দণ্ডে দণ্ডিত কৰা কি ৰজা, মন্ত্ৰী সকলৰ উচিত নহয়? এনেকুৱা বিধি ব্যৱস্থা দেখি সমদৰ্শী জ্ঞানী সকলে ভাবে যে এনেকুৱা বিধি কৰ্ত্তা ব্যৱস্থাপকে পৰস্ত্ৰী লোলুপতা ত্যাগ জ্ঞান শিক্ষাৰ কাৰণে নিজৰ স্ত্ৰীৰ চাপেৰে গালত পাঁচটা বাঢ়নীৰ কোব নাখায় কিয়। স্ত্ৰী সকলৰ উত্তম গুণ আৰু শিক্ষা লাভৰ ক্ষমতা থাকিলে কোনেও এনেকুৱা অন্যায় বিধি নকৰিলেহেঁতেন যে, পুৰুষ সকল সৰ্ব্ব বিষয় অধিকাৰী আৰু স্ত্ৰী সকল সৰ্ব্ব বিষয় অনধিকাৰিণী। অধিকাৰী অনধিকাৰীৰ ভাব এই ৰূপে বুজিবা যে স্ত্ৰী বুদ্ধিমতী হলে তাক শ্ৰেষ্ঠ গুৰুৰ সমান মান্য কৰা পুৰুষ সকলৰ কৰ্ত্তব্য। পুৰুষ বুদ্ধিমান সমদৰ্শী হলে তাক শ্ৰেষ্ঠ গুৰুৰ সমান মান্য কৰা স্ত্ৰী জাতিৰ কৰ্ত্তব্য। এই ৰূপে স্ত্ৰী পুৰুষ পৰস্পৰ সেৱা ভক্তিৰে মঙ্গল সাধন কৰিবা।

সত্য ধৰ্ম্ম বিষয় সম বুদ্ধত সকল বিষয় সৰ্ব্বত্ৰ জয়। কিন্তু এই দেখি আৰ্য্য নাম ধাৰী হিন্দু সকলৰ সত্য ধৰ্ম্ম, যে সৰ্ব্ব বিষয় সকলৰ ওচৰত ধৰ্ম্ম বিষয় পৰাধীন হৈ থকা? হায়! আৰ্য্য হিন্দু সকল, ইমান বুদ্ধিহীন হৈ পৰিছা যে, যি মাতৃৰ গৰ্ভৰ পৰা বৰ

ৰৰ পৰা, বাদসাহ, ঋষি, মুনি প্ৰভৃতি উৎপন্ন হৈছে, হব লাগিছে আৰু হব, তেওঁ সৰ্ব্ব বিষয়ত অনধিকাৰিণী, নিকৃষ্টা, অপবিত্ৰা। এনেকুৱা বিধি ব্যৱস্থাপকক শত সহস্ৰবাৰ ধিক্। এনেকুৱা বিধি ব্যৱস্থা প্ৰণয়ন হোৱাতেই জগতত এনেকুৱা দুৰ্দ্দশা ঘটিছে। যিমান পৰ্য্যন্ত আৰ্য্য হিন্দু সকল স্ত্ৰী সকলৰ লগতে সকলো বিষয় সমভাৱে ব্যৱহাৰ নকৰিব, তিমান দিনলৈকে সিহঁতৰ উদ্ধাৰ হবৰ কোনো সম্ভাৱনা নাই। যি সকলে এনেকুৱা সমদৃষ্টি শূন্য, স্ত্ৰী-পুৰুষ জীৱ সমূহক আত্মা পৰমাত্মাৰ স্বৰূপ নাজানি পুৰুষৰ প্ৰতি দয়া, স্ত্ৰী জাতিৰ প্ৰতি অত্যাচাৰ কৰে, তেন্তে ইহকাল পৰকাল সিহঁতৰ নিস্তাৰ নাই। সিহঁতক মহাশক্তি বা ঈশ্বৰে বলহীন, তেজোহীন, শক্তিহীন, জ্ঞানহীন, ধৰ্ম্মহীন আৰু সকল বিষয় পৰাধীন কৰি ৰাখিছে আৰু ৰাখিব। ইয়াতকৈ দুখৰ বিষয় আৰু কি হব পাৰে ?

নিৰাকাৰ সাকাৰ এক মাত্ৰ ওঁকাৰ মঙ্গলকাৰী বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জগতৰ গুৰু আত্মা মাতা পিতাৰ বাহিৰে দ্বিতীয় সত্য ই আকাশ মন্দিৰত কোনো নাই, নহয়, হবৰ সম্ভাৱনাও নাই। জীৱৰ দুখ মোচন কৰিব তেৱেঁই। যাতে স্ত্ৰী-পুৰুষ জীৱসমূহ কষ্ট-মুক্ত হৈ সদায় সুখেৰে থাকে, এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাবে ৰাজা প্ৰজা মানুহ মাত্ৰেই কৰা কৰ্ত্তব্য নহলে জীৱৰ শান্তি নাই ই ধ্ৰুৱ আৰু সত্য।

ওঁ শান্তিঃ ! ওঁ শান্তিঃ !! ওঁ শান্তিঃ !!!

# কল্যাণ বাণী

## সৰ্ব্ব শাস্ত্ৰৰ সাৰ তত্ত্ব

মানুহ সকল, নিজৰ নিজৰ মান অপমান জয় পৰাজয় সামাজিক স্বাৰ্থ এৰি গম্ভীৰ আৰু শান্ত চিত্তে সৎ আৰু অসৎ বিচাৰ কৰি মিথ্যাক ত্যাগ কৰি সত্যক গ্ৰহণ কৰা। মঙ্গলকাৰী ইষ্ট দেৱতাক চিনি তাৰ শৰণ লাভৰ কাৰণে ক্ষমা ভিক্ষা কৰি জগতৰ হিতসাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য সাধনত যত্নশীল হোৱা। তেওঁ প্ৰসন্ন হৈ সৰ্ব্ব অমঙ্গল, সৰ্ব্ব অপৰাধ ক্ষমা কৰি মঙ্গলময় শান্তি বিধান কৰিব। তাতে জীৱ সকল হিংসা-দ্বেষ শূন্য হৈ পৰমানন্দে থাকিব।

সাৰ তত্ত্ব বস্তু এক। সেই একৰেই দেশ কাল সম্প্ৰদায় আদি ভেদে ধৰ্ম্ম উপাস্য দেৱতা, ঈশ্বৰ, পৰমেশ্বৰ, গড, আল্লাহ, খোদা ব্ৰহ্মা বিষ্ণু মহেশ্বৰ, ব্ৰহ্ম পৰ ব্ৰহ্ম দেৱদেৱী ইত্যাদি কল্পিত নাম সংজ্ঞা। তাকে ছাৰি এই সমস্ত নাম বস্তু শূন্য কল্পনা মাত্ৰ। এই নানা কল্পিত নামত নিৰ্দ্দিষ্ট যি বস্তু সি ক'ত? মানৱ ভিত্তি বা স্থিতি যি বস্তু তাকেই সকলোৱে বিচাৰ কৰা। সেই বস্তুই সত্য, বস্তুক এৰি নাম মিথ্যা। মিথ্যা কাক বা কিহক কয়? যি বস্তু কোনো কালে নাই, নিৰাকাৰ অপ্ৰকাশ অদৃশ্যতেও নাই, সাকাৰ প্ৰকাশ বা দৃশ্যতেও নাই, সিয়ে মিথ্যা। মিথ্যা মিথ্যাই, মিথ্যা সকলৰ ওচৰত মিথ্যা, মিথ্যাৰ পৰা সৃষ্টি জীৱ ব্ৰহ্ম ইত্যাদি একোৱেই হব নোৱাৰে হোৱা অসম্ভৱ। যি বস্তুৰ কাৰণ মিথ্যা তাৰ কাৰ্য্যও মিথ্যা, যি জনৰ কাৰ্য্য মিথ্যা, তাৰ

কাৰণো মিথ্যা। যি জনৰ কাৰণ ৰূপী মাতা-পিতা সত্য, তাৰ কাৰ্য্য ৰূপী পুত্ৰ কন্যাও সত্য। ইয়াত পুত্ৰ কন্যা শব্দত স্ত্ৰী পুৰুষ জীৱ সমূহ বুজিব, মাতা পিতা সংজ্ঞা এক মাত্ৰ সত্য বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ উপাস্য দেৱতা পূজনীয়।

সত্য কিহক কয় আৰু সত্য কি বস্তু? যি বস্তু সৰ্ব্বকালে প্ৰকাশমান সেইয়ে সত্য। সত্য সকলৰ ওপৰত সত্য। সত্য স্বতঃ প্ৰকাশ এক সত্য ভিন্ন দ্বিতীয় সত্য নাই। সত্য নিৰাকাৰ সাকাৰ কাৰণ সূক্ষ্ম স্থূল চৰাচৰ স্ত্ৰী-পুৰুষ জীৱসমূহক লৈ অসীম অখণ্ডাকাৰ সৰ্ব্ব ব্যাপী নিৰ্বিশেষ সৰ্ব্বশক্তিমান পূৰ্ণ ৰূপে প্ৰত্যক্ষ প্ৰকাশমান অৰ্থাৎ এক সত্য মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতিঃ স্বৰূপ স্ত্ৰী-পুৰুষ জীৱসমূহক লৈ পূৰ্ণ ৰূপে প্ৰত্যক্ষ বিৰাজমান। তেওঁক আৰু নিজক জানিব বা চিনিব নোৱাৰি জীৱে নিজক তেওঁৰ পৰা ভিন্ন আৰু অপূৰ্ণ বোধ কৰে। সেই কাৰণে জীৱসকলে পৰস্পৰ হিংসা দ্বেষ কৰি জগতত অমঙ্গল সৃষ্টি কৰিছে। এই প্ৰত্যক্ষ প্ৰকাশমান বিৰাট পৰব্ৰহ্মৰ পৰমেশ্বৰাদি ভিন ভিন নাম কল্পনা মাত্ৰ। তেওঁ বস্তু আৰু নাম উভয় ৰূপেই প্ৰকাশমান। বস্তুক এটি যিমানে নাম কল্পনা নকৰা কিয় সি অকল নামেৰে মাথোন। সমাজ ভেদে, ভাষা ভেদে, ধৰ্ম্ম আৰু উপাস্য দেৱতা পৰমেশ্বৰ, আল্লাহ, গড্, দেৱদেবী প্ৰভৃতি নাম প্ৰচলিত আছে। সি কি একেই সত্যৰ বহু নাম কল্পনা, নে বহু নামৰ বহু নাম? যদি একেই সত্য ৰূপান্তৰ উপাধি ভেদে নিৰাকাৰ সাকাৰ ভিন ভিন নাম ৰূপ লৈ সৰ্ব্ব শক্তিমান পূৰ্ণ ৰূপে প্ৰকাশমান হয় আৰু নানা নাম, দেশ ভাষা উপাধি ভেদে, কল্পনা মাত্ৰ হয়, তেন্তে এক সমাজৰ মানুহৰ লৈতে আন সমাজৰ মানুহৰ ধৰ্ম্ম উপাস্য দেৱতা

হৈ বিৰোধ অশান্তি থাকিব নোৱাৰে ধৰা অসম্ভৱ। যদি একেই সত্যৰ এই সমস্ত নাম নহয় আৰু ধৰ্ম পৰমেশ্বৰ গড্ খোদা প্ৰভৃতি নাম কল্পিত শব্দ মাত্ৰ হয়, তেনেহলে মানুহৰ মাজত বিৰোধ বা অশান্তিৰ কাৰণ নাই। কিয়নো যি জনে যি নাম গ্ৰহণ কৰে কৰক সকল নামেইতো বস্তু শূন্য কল্পিত শব্দ মাত্ৰ। আচলতে সকলোৰেই বিচাৰ কৰা প্ৰয়োজন যে ধৰ্ম আৰু উপাস্য দেৱতা আদি যি জনৰ নাম লওঁ তেওঁ কোন, কি বস্তু কতনো থাকে। মানুহে সত্য হৈ সত্যক মানিব, নে মিথ্যা হৈ মিথ্যাক মানিব। সদায় মনত ৰখা উচিত যে মিথ্যাৰ পৰা একোৱেই হব নোৱাৰে, যি কোনো হয় সত্যৰ পৰাহে হয়। একেই সত্য স্বতঃ প্ৰকাশ নিৰাকাৰ সাকাৰ জীৱ সমূহক লৈ পূৰ্ণ ৰূপে প্ৰত্যক্ষ বিৰাজমান। তেওঁৰেই ভিন ভিন শক্তি আৰু প্ৰত্যক্ষৰ পৰা জীৱ সমূহৰ সূক্ষ্ম স্থূল শৰীৰৰ উৎপত্তি, পালন, স্থিতি হৈছে। তেওঁ জীৱ সমূহৰ এক মাত্ৰ উপাস্য দেৱতা পূজ্য গুৰু মাতা পিতা আত্মা অৰ্থাৎ পৰমাত্মা। তেওঁ জীৱ সমূহৰ এক মাত্ৰ জ্ঞান দাতা মুক্তি দাতা, তেৱেঁই এক মাত্ৰ সকল ব্ৰহ্মাণ্ডৰ ৰজা। তেওঁৰ বাহিৰে দ্বিতীয় সত্য নাছিল, নাই, নহব হবৰ সম্ভাৱনাও নাই। ই ধ্ৰুব আৰু সত্য বুলি জানিবা।

যেনেকুৱা আকাশৰ সীমা নাই, তেনেকুৱাই পৰব্ৰহ্মৰ সীমা নাই। তেওঁ নিৰাকাৰত অদৃশ্য অব্যক্ত অপ্ৰকাশ থাকে, কোনো কাৰ্য্য নকৰে, ব্যক্ত আৰু সাকাৰ প্ৰকাশত উৎপত্তি পালন স্থিতি জ্ঞান বিজ্ঞান মুক্তি ভেদা-ভেদ প্ৰভৃতি সমস্ত কাৰ্য্য সম্পন্ন কৰে। পৰমাত্মাৰ নিজৰ ইচ্ছাত কাৰণ সূক্ষ্ম স্থূল ৰূপে প্ৰকাশমান। তেওঁ স্থূলৰে স্থূল কাৰ্য্য, সূক্ষ্মৰে সূক্ষ্ম কাৰ্য্য কৰে। আৰু কাৰণ ৰূপী

সকলোকে সৈ পূৰ্ণ ৰূপে প্ৰকাশমান। তেওঁ পৃথিৱী পানী ধূলেৰে অন্নাদি উৎপন্ন কৰি চেতন জীৱ সমূহক পালন কৰিছে। সূক্ষ্ম জ্ঞান চন্দ্ৰমা সূৰ্য্য নাৰায়ণ ৰূপে জীৱ সমূহক জ্ঞান দি ক্ৰমে জীৱ ব্ৰহ্ম অভেদ কৰি নিজৰ সৈতে এক কৰি পৰমানন্দে ৰাখে। পৰমাত্মাৰ প্ৰিয়ভক্ত সমদৰ্শী জ্ঞানী সকলে তেওঁৰ সকলো ভাব বুজে। মানুহ মাত্ৰেই তেওঁৰ শৰণাগত হৈ সকল বিষয় তত্ত্ব বস্তু বিচাৰ পূৰ্ব্বক এই সাৰ ভাব গ্ৰহণ কৰা যে, অব্যক্ত সুসুপ্তি অৱস্থাত জীৱেৰে কোনো কাৰ্য্যই নহয়, ব্যক্ত প্ৰকাশ জাগ্ৰত অৱস্থাত হে সকল কাৰ্য্য হয়। নিৰাকাৰ অৱস্থাত পৰমাত্মাই কোনো কাৰ্য্য নকৰে সাকাৰ জ্যোতিঃ ৰূপ অৱস্থাত সমস্ত কাৰ্য্য কৰে অৰ্থাৎ ব্যৱহাৰিক আৰু পাৰমাৰ্থিক সকলো কাৰ্য্য সিদ্ধ কৰে। এনেকুৱা বুজি হে মানুহসকল। পৰস্পৰৰ মঙ্গল চেষ্টা কৰা যাতে জীৱ জগতত অমঙ্গল আঁতৰি মঙ্গল স্থাপন হয়।

ইয়াত এটা শঙ্কা উঠিব পাৰে। শঙ্কৰ উপদেশ যে একসত্যৰ বাহিৰে দ্বিতীয় সত্য নাই, অৰ্থাৎ ব্ৰহ্ম এক তেওঁৰ বাহিৰে দ্বিতীয় ব্ৰহ্ম বা সত্য কোনো নাই। এক কাৰণ ব্ৰহ্ম বা সত্যৰ পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ উৎপত্তি পালন স্থিতি হৈছে। আৰু শাস্ত্ৰত দেখে সমদৰ্শী জ্ঞানী সকলেও কয় যে জীৱ সমূহ ব্ৰহ্ম স্বৰূপ মাত্ৰ। সকল জীৱই নিজৰ আত্মাপৰমাত্মা স্বৰূপ। স্ত্ৰী-পুৰুষ জীৱসকল ব্ৰহ্ম বা ভগৱানৰ ভক্তিপূৰ্ণ উপাসনাৰে সমদৃষ্টি বা অভেদ জ্ঞান লাভ কৰে, আৰু জীৱ ব্ৰহ্ম যে একেই সিটোকে অনুভৱ কৰে। ইয়াত এইয়ে শঙ্কা উঠে যে, ঋষি-মুনি অৱতাৰ আদি প্ৰত্যেক জীৱেই কি ভিন ভিন কোটি কোটি সৃষ্টি পালন সংহাৰ কৰ্ত্তা ব্ৰহ্ম হব নে সৰ্ব্বকালে সৰ্ব্বশক্তিমান একেই পূৰ্ণ ব্ৰহ্ম

থাকিব। এটি উপমাৰে সাৰ ভাৱ গ্ৰহণ কৰিলে এই শঙ্কা আঁতৰিব।

সমুদ্ৰ এক আৰু পূৰ্ণ। সেই এক সমুদ্ৰৰ পানীৰে কিমান হাজাৰ হাজাৰ লাখ লাখ অশেষ ডাঙৰ সৰু নৈ বিল ঢেউ ফেন আদি উৎপন্ন হৈছে আৰু পুনঃ সেই সমুদ্ৰতেই লয় হৈ স্থিতি কৰিছে। সমুদ্ৰ সৰ্ব্ব কালতে এক আৰু পূৰ্ণৰূপে বিৰাজমান। সকল নৈ বিল ফেন ঢেউৰ পানী সমুদ্ৰৰ পানীৰ ৰূপান্তৰ মাত্ৰ আৰু সকলোৱেই একেই পানী। অভেদ আৰু ৰূপান্তৰ অৱস্থাত যদি কোনো নৈ বিলৰ পানী বা ডাঙৰ সৰু ফেনৰ জ্ঞান হয় যে "আমি সমুদ্ৰৰ পানীৰ সৈতে ভিন আৰু ডাঙৰ সৰু উৎপন্ন হৈছোঁ বা প্ৰকাশ পাইছোঁ, কিন্তু ভিন ভিন নাম ৰূপ প্ৰকাশ হলেও প্ৰকৃতপক্ষত অৰ্থাৎ স্বৰূপপক্ষত সৰ্ব্ব কালে সৰ্ব্ব অৱস্থাতে আমি দ্বিতীয় বস্তু নহওঁ"। পৃথক ভাৱত বিল হৈ থকাতো যদি সিহঁতৰ এনেকুৱা সমভাৱ অভেদ জ্ঞান হয় সিহঁতৰ কাৰণে কি প্ৰত্যেক নৈ, বিল, ঢেউ, ফেন বেলেগ বেলেগ সমুদ্ৰ হব বা সিহঁতে ভিন ভিন নৈ, ফেন, ঢেউৰ সৃষ্টি, পালন আৰু সংহাৰ কৰ্ত্তা হব? সিটো হব নোৱাৰে। সমস্ত পানী শক্তিৰ আধাৰ সমুদ্ৰ পূৰ্ণ ৰূপে একেই থাকিব।

সমুদ্ৰ ৰূপী সত্য স্বতঃ প্ৰকাশ ব্ৰহ্ম। সেই মঙ্গলকাৰী এক ওঁকাৰ নিৰাকাৰ সাকাৰ বিৰাট পৰব্ৰহ্ম চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্বৰূপ সমুদ্ৰৰ দৰে ঋষি, মুনি, পীৰ, প্যাগাম্বৰ অৱতাৰ আদি স্ত্ৰী পুৰুষ জীৱ সমূহৰ উৎপত্তি, পালন, স্থিতি অনাদি কালৰ পৰা হৈ আহিছে আৰু হব। যদি এক বা বহু জীৱৰ বা ঋষি-মুনি অৱতাৰৰ স্বভাৱতঃ শাস্ত্ৰ পাঠত পৰমাত্মাৰ উপাসনাত বা আন কোনো প্ৰকাৰে সমদৃষ্টি জ্ঞান হয় যে, "স্ত্ৰী পুৰুষ জীৱ সমূহ

আমাৰেই আত্মা পৰমাত্মাৰ স্বৰূপ মাত্ৰ”। তাৰ কাৰণে কি পৰমাত্মাৰ পৰা বেলেগ জীৱ সমূহ ঋষি-মুনি অৱতাৰ সকল এক এক জন বেলেগ বেলেগ সৃষ্টি পালন সংহাৰ কৰ্ত্তা ব্ৰহ্ম হব? সৃষ্টি পালন সংহাৰ কৰ্ত্তা একেই ব্ৰহ্ম ভগবান অনাদি কালৰে পৰা সমুদ্ৰৰ নিচিনা প্ৰকাশমান আছে আৰু থাকিব। তেওঁ স্ত্ৰী-পুৰুষ জীৱ সমূহৰ এক মাত্ৰ উপাস্য দেৱতা, পূজ্য পিতা-মাতা গুৰু আত্মা পৰমাত্মা সকল প্ৰকাৰ মঙ্গল-দাতা, জ্ঞান-দাতা, মুক্তি-দাতা। তেওঁৰ বাহিৰে এই অসীম আকাশত দ্বিতীয় কোনো সত্য পূজনীয় বা উপাস্য দেৱতা নাছিল এতিয়াও নাই, সেইদৰে নহব হবৰ সম্ভাৱনাও নাই। মানুহ মাত্ৰেই ই কথাক সত্য সত্য বুলি জানিবা

ওঁ শান্তিঃ। ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

## চেতন ময় পৰমেশ্বৰ।

ওঁকাৰ চেতনময় মঙ্গল কাৰী বিৰাট জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জগতৰ মাতা পিতা গুৰু আত্মাক চিনিব নোৱাৰি অজ্ঞানবশতঃ মানুহে জড় জ্ঞানে ঘিন কৰিছে তাৰ ফলত জগত অশান্তিময়।

তত্ত্ব বস্তু বিচাৰ কৰি মিথ্যাক ত্যাগ আৰু সত্যক গ্ৰহণ কৰা মানুহ মাত্ৰৰেই কৰ্ত্তব্য। সত্য স্বতঃ প্ৰকাশ, সত্য এক দ্বিতীয়

সত্য নাই। সত্য নিজৰ ইচ্ছাত নিৰাকাৰ সাকাৰ কাৰণ সূক্ষ্ম স্থূল চৰাচৰ স্ত্ৰী-পুৰুষ জীৱ সমূহক লৈ অসীম অনন্ত আকাৰ সৰ্ব্বব্যাপী নিৰ্ব্বিশেষে সৰ্ব্ব শক্তিমান পূৰ্ণ ৰূপে নিত্য প্ৰকাশমান। সমস্ত জ্ঞানৰ মূল এক জ্ঞান। ইয়াৰ কাৰণে ই কথা পুনঃ পুনঃ কব লাগে। তেওঁ স্থূল ৰূপে স্থূলৰ কাৰ্য্য, আৰু সূক্ষ্ম ৰূপে সূক্ষ্মৰ কাৰ্য্য কৰে, আৰু কাৰণ ৰূপে তেওঁ সমষ্টিক লৈ পূৰ্ণ ৰূপে বিৰাজমান। এইয়ে যেতিয়া ঠিক, তেন্তে জড় বুলি দ্বিতীয় সত্য আৰু চেতনা বুলি তৃতীয় সত্তা ক'ৰ পৰা আহিব বা হব? আৰু কাৰণ কলাইবা চতুৰ্থ সত্তা ক'ৰ পৰা আহিব আৰু কোন জনৰ সম্বন্ধে কাৰণ স্বৰূপ কাৰণ সংজ্ঞক হব? যদি এক সত্তাই কাৰণ হয়, দ্বিতীয় সত্য সূক্ষ্ম হয়, তৃতীয় সত্য স্থূল বা জড় হয়, তেনেহলে পৰমেশ্বৰ বা অখণ্ড সত্তা বস্তু নে সূক্ষ্মৰ নে স্থূল অৰ্থাৎ জড়ৰ কাৰণ হব পাৰে আৰু সেই সকল ভিন ভিন সত্তাৰ পৰস্পৰৰ সৈতে কোনো প্ৰকাৰ সম্বন্ধই থাকিব নোৱাৰে। জীৱেও পৰমেশ্বৰক উপাস্য দেৱতা বুলি তাৰ উপাসনাৰে অভেদ জ্ঞান বা মুক্তি পাব নোৱাৰে। কিয়নো এই সকলৰ প্ৰত্যেকৰে সত্তা, প্ৰকৃতি বা কাৰণ বেলেগ বেলেগ। যি জন একেই কাৰণ সত্য স্বৰূপ বস্তু তেওঁৰেই সূক্ষ্ম স্থূল চেতন জড় কাৰ্য্য কাৰণ সংজ্ঞা বা ভাৱ সমস্তই আছে কোনো ৰকম জড় বা চেতনশক্তি কিছুৰেই অভাৱ নাই। এই কাৰণে তাক সৰ্ব্বশক্তিমান পূৰ্ণ সংজ্ঞা দিয়া হয়। অন্যথাত তেওঁ কোনো প্ৰকাৰে পূৰ্ণ শক্তিমান হব নোৱাৰে। তেওঁ একদেশী সঙ্কীৰ্ণ ব্যক্তি নহয়। পৰমেশ্বৰ কাৰণ সূক্ষ্ম স্থূল এই সকলৰ কোনো এটিৰ হয়, কোনো এটিৰ নহয় এনেকুৱা ধৰিলে বা ভাবিলে তাক পূৰ্ণ বা সৰ্ব্বশক্তিমান কোৱা বলিয়াৰ অসম্বদ্ধ প্ৰলাপ মাথোন হব। সমদৰ্শী জ্ঞানী সিটো নিঃসন্দেহে নিশ্চয় প্ৰত্যক্ষে জানে

যে একেই সত্য কাৰণ সূক্ষ্ম বা চেতন আৰু স্থূল বা জড় ৰূপে জীৱ সমূহ লৈ সৰ্ব্বশক্তিমান পূৰ্ণ স্বতঃ প্ৰকাশ। তেওঁ স্থূল বা জড় পৃথিৱী আৰু পানী ৰূপে অন্ন আদি উৎপন্ন কৰি চেতন জীৱ সমূহক প্ৰতি পালন কৰিছে আৰু জ্ঞান ৰূপে অৰ্থাৎ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্যোতি ৰূপে জ্ঞান দি জীৱ ব্ৰহ্মৰ অভেদ অৰ্থাৎ নিজৰ এক স্বৰূপ কৰি পৰমানন্দে আনন্দ ৰূপ ৰাখে। তেওঁ কাৰণ বা বস্তু ৰূপে কোনো কাৰ্য্য নকৰে। সমষ্টিক লৈ পূৰ্ণ-ভাৱে প্ৰকাশমান, ব্যক্ত-অব্যক্ত, নিৰ্গুণ-সগুণ প্ৰভৃতি সৰ্ব্ব সংজ্ঞাৰ অতীত, যতে ততেই।

তুমি যে চেতনময় চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্বৰূপক জড় কোৱা, তুমি গম্ভীৰ আৰু শান্ত চিত্তেৰে বিচাৰ কৰি দেখা যে, তুমি চকুৰে এই যি ৰূপ ব্ৰহ্মাণ্ড দেখিছা অৰ্থাৎ ই পিতা, ই মাতা, ই ভাই, ই ভনী, ই স্ত্ৰী, ই পুত্ৰ, ই ঘৰ, ই দুৱাৰ, ই গছ ই লতা, ই ফল, ই ফুল, ইত্যাদি আৰু শাস্ত্ৰ দেখি পাঠ কৰিছা, ই তোমাৰ চেতন গুণৰ নে জড় গুণৰ কাৰ্য্য? যদি জড় গুণৰ কাৰ্য্য বুলি ভাবা, তেন্তে এন্ধাৰত অৰ্থাৎ জড় গুণত তোমাৰ ঘৰৰ ভিতৰত কি আছে দেখি কব পাৰানে? কেতিয়াও নোৱাৰা। আৰু যদি চেতন গুণৰ বুলি জনা, তেন্তে সেই চেতন গুণ কাৰ? নিজৰে নে আন এজনৰ? যদি কোৱা তোমাৰ নিজৰে, তেনেহলে তুমি যেতিয়া এন্ধাৰত থকা তেতিয়া তোমাৰ চেতন গুণ তোমাৰ লগতেই থাকে তথাপি সেই সময়ত তুমি চকু থকা স্বত্ত্বেও দেখা নোপোৱা কেলেই? তেন্তে অৱশ্য স্বীকাৰ কৰিব লাগিব যে যিহৰ দ্বাৰা দৰ্শন কাৰ্য্য হব লাগিছে সেই চেতন গুণ তোমাৰ নহয় আন এজনৰ। এতিয়া বিচাৰ কৰি দেখা তেওঁ কোন আৰু কত আছে। নিশা এন্ধাৰত যেতিয়া তুমি সূৰ্য্যনাৰায়ণৰ অংশ অগ্নিৰে

প্ৰদীপ জলোৱা, তেতিয়া তুমি সমস্ত দেখিবলৈ পোৱা, কেনে নহলে এন্ধাৰত দেখানোপোৱা আৰু অগ্নিৰ চেতন প্ৰকাশ গুণেৰে তুমি নিশা দৰ্শন কাৰ্য্য কৰি থকা, দিনত যেতিয়া সূৰ্য্যনাৰায়ণ স্বয়ং প্ৰকাশ হয়, তেতিয়া তাৰ প্ৰকাশ অৰ্থাৎ অলপ চেতন গুণেৰে তুমি ৰূপ ব্ৰহ্মাণ্ড দৰ্শন কৰা। এনে অৱস্থাত তোমাৰ চেতন গুণ থকা স্বত্বেও তুমি চন্দ্ৰমা সূৰ্য্যনাৰায়ণ আৰু অগ্নিৰ চেতন গুণৰ প্ৰকাশ অভাৱত দেখিবলৈ নোপোৱা। কাৰণ প্ৰকাশ গুণ নিশ্চই চেতন, কেতিয়াও অচেতন হব নোৱাৰে। যেনেকুৱা নিদ্ৰা অৱস্থাত যেতিয়া তুমি অচেতন অৰ্থাৎ জড় অৱস্থাত থকা, তেতিয়া তুমি আন ঠাইত গৈ প্ৰকাশ হবলৈ নোৱাৰা, জাগ্ৰত অৰ্থাৎ চেতন অৱস্থাত যি ঠাইতে তোমাৰ ইচ্ছা সেই ঠাইতে গৈ প্ৰকাশ হবলৈ পাৰা, সেইৰূপে চেতন গুণ নাথাকিলে কেতিয়াও প্ৰকাশ গুণ থাকিব নোৱাৰে। যি বস্তুৰ প্ৰকাশ গুণ চেতন সেইজন মাজুতো চেতন, সি কেতিয়াও জড় হব নোৱাৰে। যি বস্তু জড় তাৰ গুণো জড় ই স্বতঃ সিদ্ধ। যেতিয়া সূৰ্য্যনাৰায়ণ আৰু তাৰ অংশ অগ্নিৰ চেতনেৰে তোমালোক ব্যৱহাৰিক আৰু পাৰমাৰ্থিক কাৰ্য্য সম্পন্ন কৰিছা, তেতিয়া তাক নবুজি কি প্ৰকাৰে জড় কোৱা? যি বস্তুৰ গুণ চেতন, সি কি কোনো দিন জড় হব পাৰে? সেই অনাদি, অনন্ত, নিত্য শুদ্ধ চৈতন্য পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জগৎ মাতা, জগৎ পিতা, জগদাত্মা, জগৎ গুৰু, নিৰাকাৰ আৰু সাকাৰ ৰূপে অখণ্ডাকাৰে চৈতন্যময় পৰিপূৰ্ণ বিৰাজমান। যেতিয়ালৈকে জীৱৰ জ্ঞান বা স্বৰূপ বোধ নহয়, তেতিয়ালৈকে জগৎ আৰু জগদাত্মা চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতিঃ স্বৰূপক জড় বুলি সংস্কাৰ থাকে। সি যিমানেই শাস্ত্ৰ, বেদ, বেদান্ত, পুৰাণ, কোৰাণ, বাইবেল দিন ৰাতি

পাঠ নকৰক কিয় আৰু সহস্ৰ সহস্ৰ শাস্ত্ৰ ৰচনা নকৰক কিয় যেতিয়ালৈকে উপাসনা যোগ দ্বাৰা জ্ঞান বা স্বৰূপ বোধ নহয় তেতিয়ালৈকে সি নিজে জড় থাকিব, আৰু চন্দ্ৰমা সূৰ্য্যনাৰায়ণ চেতন পুৰুষকো জড় বুলি বিশ্বাস কৰিব। যেতিয়া উপাসনাৰে জীৱৰ জ্ঞান বা স্বৰূপ বোধ হয় তেতিয়া তাৰ চকুত এই জগৎ ব্ৰহ্মাণ্ড অখণ্ডাকাৰে প্ৰত্যেকক লৈ পূৰ্ণৰূপ চৈতন্য ময় সূৰ্য্যনাৰায়ণ অৰ্থাৎ জ্যোতিঃ স্বৰূপ দেখিব। তেতিয়া আৰু জড় বুলি কিছুই বোধ নাথাকিব। সাধাৰণ সংস্কাৰৰ জড় বোধ হব লাগিছে, কিন্তু বিচাৰ কৰি দেখা নাই যে জড় নে চেতন। আৰু এইও সত্য যে জীৱৰ চৰ্ম্ম চকু, জ্ঞান চকু, আধ্যাত্মিক চকু এই তিনিও চকুৰ মাজত কোনো চকুৱে নিজৰ নাই যেতিয়া তেন্তে সি জড় আৰু চেতনৰ স্বতন্ত্ৰতা কেনেকৈ উপলব্ধি কৰিব। কোনোৱাই কব পাৰে যে, চৰ্ম্ম চকু মানুহৰ নিজস্ব নহলে মানুহে কেনেকুৱা ৰূপ ব্ৰহ্মাণ্ড দৰ্শন আৰু অক্ষৰাদি ক্ৰমে বেদ, বাইবেল, কোৰাণ আদি শাস্ত্ৰ পঢ়ি তাৰ মৰ্ম্ম গ্ৰহণ কৰিব লাগিছে? কিন্তু বুলি চাবা দিনত সূৰ্য্য নাৰায়ণৰ চেতন প্ৰকাশ গুণেৰে ৰূপ ব্ৰহ্মাণ্ড দৰ্শন কৰিছা আৰু শাস্ত্ৰাদি পাঠে তাৰ মৰ্ম্ম গ্ৰহণ কৰিছা। শুক্ল পক্ষৰ ৰাতি চন্দ্ৰমা জ্যোতিৰে অলপ দেখিবলৈ পোৱা, কিন্তু এন্ধাৰ ৰাতিত নিজৰ স্থূল শৰীৰকে দেখা নোপোৱা। ওচৰতে কাতী থাকিলেও বুজিব বা জানিব নোৱাৰি যে কি আছে, এন্ধাৰ ঘৰত কি আছে দেখা নেপাই অমৃত এৰি বিহক তুলি পোৱা, বাটত চলিবলৈ প্ৰাণ সঙ্কট হয়। যদি চৰ্ম্ম চকু নিজৰ হৈ থাকে তেন্তে চকু থাকিও এন্ধাৰত নিজৰ হাত ভৰিও দেখা নাপায় কিয়? দিনত সূৰ্য্য নাৰায়ণৰ অংশ অগ্নিৰ প্ৰকাশ গুণৰ সাহায্য পাই চকুৰ ব্যৱহাৰ চলে; নানা বস্তু দেখা পায়, আৰু

শাস্ত্ৰাদি পঢ়ি বুজিব পাৰে। বিনা সাহায্যত তোমাৰ কোনো ক্ষমতা নাই। তেন্তে স্বীকাৰ কৰিব লাগিব যে তোমাৰ স্থূল বস্তু দৰ্শনৰ ক্ষমতা চকুৰ জ্যোতি নাই। যেতিয়া অগ্নি, চন্দ্ৰমা সূৰ্য্য নাৰায়ণৰ প্ৰকাৰ গুণ বিনা স্থূল বস্তুও দেখিবৰ ক্ষমতা নাই, তেতিয়া সূক্ষ্মাতি সূক্ষ্ম যি ঈশ্বৰ বা পূৰ্ণপৰব্ৰহ্ম কেনেকুৱা তাক দেখিব বা তাৰ ভাব বুজিব? যেনেকুৱা অগ্নিৰ প্ৰকাশ বিহনত স্থূল বস্তু দেখা নোপোৱা, তেনেকুৱাই জ্ঞান চকুৰ অভাৱত ঈশ্বৰ পৰমাত্মাক দেখা নাপায়। চন্দ্ৰমা জ্যোতি প্ৰকাশ হলে জুইৰ পোহৰ নোহোৱাকৈও নিজৰ চকুৰে ৰূপ ব্ৰহ্মাণ্ড স্পষ্টৰূপে দেখা পায়। সেই ৰূপ জ্ঞান পোহৰ প্ৰকাশ হলে নিজৰ জ্ঞান চকুৰে ঈশ্বৰ পৰমাত্মাক দেখা পায়। যেনেকুৱা সূৰ্য্য নাৰায়ণ জ্যোতিৰ প্ৰকাশ বিনা দৰ্শন কাৰ্য্য পৰিষ্কাৰ ৰূপে সম্পন্ন নহয়, তেনেকুৱাই আধ্যাত্মিক চকু নহলে নিজক লৈ ঈশ্বৰ পৰমাত্মাক অভেদ দৰ্শন পোৱা নাযায়। যেতিয়া তোমাৰ আধ্যাত্মিক চকু ফুটিব তেতিয়া কোনো প্ৰকাৰ ভ্ৰান্তি নাথাকিব। তাকে আৰু নিজকে অভেদ চেতনময় দৰ্শন কৰিব পাৰিব।

এই তিনিটা চকুৰ কোনো এটাও তোমাৰ নিজৰ নাই যেতিয়া তেনে অৱস্থাত সূৰ্য্য নাৰায়ণ চেতনময় কেনেকৈ চেতনময় পূৰ্ণৰূপে বোধ কৰিব পাৰিব? যি সকলে বালক অৱস্থাৰে পৰা সূৰ্য্য নাৰায়ণক জড় বুলি সংস্কাৰ হৈ আছিছে সি সকলেই সূৰ্য্য নাৰায়ণক জড় বুলি বিশ্বাস কৰি আছিছে। আৰু যি সকলে নেকি বালক অৱস্থাৰে পৰা সূৰ্য্যনাৰায়ণক চেতন বুলি সংস্কাৰ হৈ আছিছে, সি সকলে সূৰ্য্যনাৰায়ণক চেতন বুলি জানিছে। সূৰ্য্যনাৰায়ণ জড় বা চেতন সি বিষয় সিহঁতে নিজে শোধ কৰা নাই। সিহঁতৰ নিজৰ ই জ্ঞান নাই যে জড় বা চেতন কিহক কয়। মাথোন সংস্কাৰৰ জড় বা চেতন শব্দ প্ৰয়োগ কৰিছে। যেনেকুৱা অন্ধ মানুহক

কোনেৰে এটা বগা ফুলকে ক'লা ফুল বুলি দিয়ে, তেনেহলে সেই অন্ধ মানুহজনে সেই ফুল ক'লা বুলি সকলোৰে ওচৰত ক'লা বুলি প্ৰকাশ কৰিব, আৰু বগা বুলি দিলে বগা বুলি মানুহৰ ওচৰত প্ৰকাশ কৰিব। কিয়নো তাৰ নিজৰ চকু নাই কাৰণে ফুলটো বগা বা ক'লা দেখি প্ৰকাশ কৰিব নোৱাৰে। সেই ৰূপ অজ্ঞান অন্ধ মানুহ সকলে যি জনৰ যেনে সংস্কাৰ পৰিছে সি সেই ৰূপেই বোধ কৰিছে আৰু কব লাগিছে।

যদি কোনোৱে কৈ দিয়ে যে তোমাৰ কাণ কাউৰীয়ে লৈ গ'ল, তেন্তে কাণত হাত নিদি নাচাই কাউৰীৰ পিচে পিচে লৰ-মৰা জ্ঞানী মানুহৰ উপযুক্ত নহয়। মানুহ মাত্ৰেৰেই বস্তু বিচাৰ কৰি জড় চেতন বিষয় প্ৰত্যক্ষ জানা উচিত। যি জনৰ বস্তু বোধ আছে, তাৰ জ্ঞান আছে, তাৰ শান্তি আছে। যিজনৰ বস্তু বোধ নাই, তাৰ জ্ঞান নাই, যি জনৰ জ্ঞান নাই তাৰ শান্তি নাই। বস্তু বিচাৰ কি? তুমি আৰু তোমাৰ মঙ্গলকাৰী ইষ্ট দেৱতা ঈশ্বৰ, গড্, আল্লাহ, ইত্যাদি অৰ্থাৎ পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ জড় বা চেতন কি বস্তু, তেওঁ ক'ত আছে, তাৰ অস্তিত্ব ক'ত, তোমাৰ বা তাৰ ৰূপ কি এই বিষয় নিৰ্ণয় কৰিবৰ কাৰণে বুদ্ধিৰ যি চেষ্টা তাকেই বস্তু বিচাৰ। এই যি অনাদি উপকাৰ মঙ্গলকাৰী বিৰাট পৰব্ৰহ্ম প্ৰকাশমান চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতি স্বৰূপ জগতৰ মাতা, পিতা, গুৰু, আত্মা তাক কোন বা কি গুণৰ অভাৱত জড় বুলি বিশ্বাস কৰা বা কোৱা, আৰু কি গুণৰ প্ৰকাশ থকা দেখি তুমি নিজক আৰু তুমি যি বস্তুক চেতন বুলি নাম কল্পনা কৰিছা যে ঈশ্বৰ, গড্, আল্লাহ, পৰমেশ্বৰ দেৱ-দেবী ইত্যাদিক চেতনময় বুলি কোৱা? তেওঁ বা তাৰ প্ৰকাশ ক'ত, তাৰ অস্তিত্বই বা ক'ত, তাৰ কোনো এটা গুণ কোনেবা

দেখুয়াব পারিব নে ? যি বস্তুর গুণ প্রকাশ হব, সেই গুণ তারেই রূপ মাত্র। যেনে অগ্নির নানা নাম গুণ অগ্নিরেই রূপ। অগ্নি যি বস্তু সেই বস্তু নির্ব্বাণ হলে তার নাম রূপ গুণ তার লগে লগেই সকলো নির্ব্বাণ হৈ যায়।

যদি তুমি কোয়া যি লরচর করে খায়, সিটোকে আমি চেতন বোলোঁ, আরু যিয়ে লরচর নকরে নাখায় সিটোকে আমি জড় বোলো। তেন্তে বিচার করি বুজি দেখা যে জীব সমূহে জাগ্রত অবস্থাত লরে চলে, খায় সুষুপ্তি অবস্থাত অর্থাৎ নিদ্রা অবস্থাত চেতন বা জ্ঞান নাথাকে যে আমি সৃষ্টি জগৎ ধন দেখিছো, অমুক সময়ত শুইছো অমুক সময়ত উঠিম জড় বা চেতন আছো বা নাই ইত্যাদি কোনো জ্ঞান নাথাকে। পিচত জাগ্রত অবস্থাত বোধ হয় যে মই সুখে শুই আছিলোঁ। জাগ্রত অবস্থাত জীব সমূহর চেতন ব জ্ঞান থাকে, সুষুপ্তি অবস্থাত নাথাকে, জীবে সেই অবস্থাত জড় রূপে থাকে। কিন্তু দুয়ো অবস্থাতে একেই জীব থাকে। এই দুয়ো অবস্থার মাজত কোন অবস্থাক জড় কোন অবস্থাক চেতন বুলিব? নে দুয়ো অবস্থাকেই জড় বা চেতন বুলিব? আরু দেখা তুমি লরচর করা আরু খোৱা চেতন হৈ সকলো কার্য্য করিছা কিন্তু তোমার যি মঙ্গলকারী ইষ্টদেবতা ঈশ্বর, গড, আল্লাহ খোদা তেওঁ ক'ত খাব লাগিছে ক'ত চলিব লাগিছে, বুলিব লাগিছে যে তাক প্রত্যক্ষ দেখি তুমি চেতন কোৱা ? ক'ত কি ভাবে চেতন বা জ্ঞান প্রকাশ আছে সিটো তুমি দেখুয়াই দিয়া যাতে আমিও দেখি বা জানি বুজিব পারো যে এই ইষ্টর ইষ্ট দেবতা, ইয়ার এই চেতন জ্ঞান, বা গুণ, যিহঁর দ্বারা সমস্ত ব্রহ্মাণ্ডর কার্য্য হৈ আছে।

আরু বস্তু বিচার করি দেখা যে জীব সমূহে যেতিয়া শরীর ধারণ করা নাছিল, সেই অবস্থাত তুমি জড় বা চেতন, কৈত

অদ্বৈত প্ৰভৃতি কি আছিল, কোনো কিছু জনা আছিল নে নাই, পণ্ডিত নে মূৰ্খ, জ্ঞানী নে অজ্ঞ, ধনী নে দীন, আৰু কি অৱস্থাত যে আছিল কোনো জ্ঞানেই তেতিয়া নাছিল। যেতিয়া তুমি শৰীৰ ধাৰণ বা জন্ম গ্ৰহণ কৰিছা তেতিয়াও তোমালোকে মূৰ্খ হৈ জনম লভিছা। সংস্কৃত, ইংৰাজী, পাৰ্শী, উৰ্দ্দু, বাইবেল কোৰাণ, বেদ, বেদান্ত আদি পাঠ কৰি জন্ম গ্ৰহণ কৰা নাই। এটা এটা অক্ষৰ ক খ গ ঘ ইত্যাদি পাঠ কৰি পণ্ডিত, মৌলবী, পাদ্ৰী আদি পদ দিয়া আৰু গ্ৰহণ কৰা হৈছে। ইয়াত বৰ আশ্চৰ্য্যৰ বিষয় এই যে প্ৰত্যক্ষ মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্যনাৰায়ণ স্বতঃপ্ৰকাশ অনাদি কালৰে পৰা আজিলৈকে প্ৰকাশমান হৈ আছে, কিন্তু তুমি আজি জন্মি কালি মৃত্যু হব লাগিছা, সামান্য এটি তৃণৰ যে কি গুণ আছে, কি কি কাৰ্য্যত বা উপকাৰত লাগে ইও তোমাৰ জ্ঞান নাই। অথচ যিয়ে জগতৰ জ্ঞানদাতা আৰু জ্ঞান স্বৰূপ বিৰাট পৰব্ৰহ্ম চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জগতৰ মঙ্গলকাৰী মাতা-পিতা, গুৰু-আত্মা তাকে জড় বুলি ঘিন কৰি, ত্যাগ কৰি, মিথ্যা কল্পনাক চেতন জ্ঞান কৰি, নিজে ভ্ৰান্তিত পৰিছা আৰু জগতক ভ্ৰান্তিৰ বাটেদি চলাইছা, ই বৰ দুখৰ বিষয়।

যি জনৰ যেনেকুৱা সংস্কাৰ, সি সেই ৰূপেই বুজিছে আৰু বুজাইছে। যি জনৰ দ্বৈত সংস্কাৰ, সি দ্বৈত, যি জনৰ অদ্বৈত সংস্কাৰ তাৰ অদ্বৈত, যি জনৰ স্বভাৱ সংস্কাৰ তাৰ স্বভাৱ, যি জনৰ সংস্কাৰ শূন্য তাৰ শূন্য ইত্যাদি। মঙ্গলকাৰী বিৰাট চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জানক যি জনৰ জড় সংস্কাৰ পৰিছে সি জড় বোধেৰে কেই তাৰ প্ৰতিপাদন কৰিছে। আৰু যি জনৰ চেতন বুলি সংস্কাৰ পৰিছে, সি শ্ৰদ্ধা ভক্তি পূৰ্ব্বক চেতক পূৰ্ণ ভাবে উপাসনা কৰিছে। কিন্তু সকলো সমাজতে যদি মানুহৰ নিজৰ প্ৰত্যক্ষ জ্ঞান

বা অনুভৱ থাকিলহেঁতেন, তেন্তে জড়-চেতন বিষয় পৰস্পৰ বিতণ্ডা বশতঃ ইষ্ট দেৱতাৰ পৰা বিমুখ হৈ হিংসা দ্বেষ অশান্তি ভোগ আৰু জগতত অমঙ্গলৰ কাৰণ নহ'লহেঁতেন। এই ৰূপ জ্ঞান থাকিলে বুজিলেহেঁতেন যে সৃষ্টিৰ আদিত মাথোন একমাত্ৰ পৰমাত্মা হে আছিল, আন কোনো বস্তু বা সৃষ্টি নাছিল। নিজৰ ইচ্ছা অনুসাৰে "মই একৰ পৰা বহু ৰূপ হওঁ" এই সংকল্প কৰি তেওঁ স্বয়ং কাৰণৰ পৰা সূক্ষ্ম সূক্ষ্মৰ পৰা স্থূল স্ত্ৰী-পুৰুষ চৰাচৰক হৈ অসীম অখণ্ডাকাৰ নিৰ্ব্বিশেষে পূৰ্ণৰূপে প্ৰকাশমান ব্ৰহ্ম। কাৰণ ৰূপত কাৰণেই আছে, জড় শক্তিৰে জড়ৰ কাৰ্য্য, চেতন শক্তি বা জ্ঞানেৰে সমস্ত চেতনৰ কাৰ্য্য ব্ৰহ্মাণ্ডময় অন্তৰে বাহিৰে প্ৰেৰণাৰে কৰিছে আৰু কৰাইছে। জড় অৱস্থাত চেতনৰ কাৰ্য্য নহয়, কিন্তু চেতনৰ ক্ষমতা আছে যে জড় বস্তুক কাৰ্য্য কৰাব পাৰে। স্থূল জড়ক লয় কৰি সূক্ষ্ম জ্ঞান অৱস্থাপন্ন কৰিব পাৰে আৰু সূক্ষ্ম জ্ঞান অৱস্থাৰ পৰা জ্ঞানৰ অতীত কাৰণত স্থিতি হ'বৰ ক্ষমতা বা শক্তিও চেতনৰ আছে।

ওঁ শান্তিঃ ! ওঁ শান্তিঃ !! ওঁ শান্তিঃ !!!

# মানুহৰ কৰ্ত্তব্য

জীৱৰ ব্যৱহাৰিক আৰু পাৰমাৰ্থিক মঙ্গলৰ কাৰণে জ্যোতিঃ স্বৰূপ পৰমাত্মায় যে নিয়ম স্থাপন বা আদেশ প্ৰচাৰ কৰিছে সিটো সংক্ষেপে কয়। তুমি স্ত্ৰী-পুৰুষ সমূহ মাত্ৰেই সাৰ তাৰ বুজি তাৰ প্ৰতিপালনৰ যত্নশীল হোৱা। তেওঁ মঙ্গলময়, তেতিয়া হলে তেওঁ সৰ্ব্বক্ষণ সৰ্ব্ব বিষয় প্ৰসন্ন হৈ মঙ্গল কৰিব। ই ধ্ৰুৱ আৰু সত্য।

১। মন, ইন্দ্ৰিয়, স্থূল শৰীৰ, শয্যাদি ব্যৱহাৰ বস্তু, ঘৰ, বাড়ি বাট, ঘাট সদায় পৰিষ্কাৰ ৰাখিবা।

২। ঘিউ, দুধ আদি খোৱা বস্তু ভেজাল বা কৃত্ৰিম কৰি কোনেও যেন আনৰ বা জগতৰ ৰোগাদিৰ কাৰণ নহয়।

৩। গছৰ ফল পকিলেহে পাৰি ব্যৱহাৰ কৰিবা। পকিলে ফল সুস্বাদ আৰু স্বাস্থ্যকৰ হয়। কোনো কাৰণে প্ৰয়োজন হলেহে কেচা ফল পাৰি কেচা অৱস্থাত ব্যৱহাৰ কৰিব পাৰা। কিন্তু লাভৰ কাৰণে কেচা ফল কৃত্ৰিম উপায়েৰে পকালে ঈশ্বৰৰ আদেশ লঙ্ঘনৰ কাৰণে পাপৰ কাৰ্য্য কৰা হয়।

৪। স্ত্ৰী, পুৰুষ, জীৱৰ যোঁৱা যি অভাৱ দেখা সিটো নিজৰে অভাৱ জানি তেতিয়াই অভাৱ মোচনৰ চেষ্টা কৰিবা। খোৱাৰ অভাৱ হলে খাবলৈ দিবা, পিয়াহত পানী দিবা, নিদ্ৰা শৌচ আদিৰ প্ৰয়োজন হলে বিচাৰ কৰি মোচন কৰিব ব্যৱস্থা কৰিবা যাতে নিজৰ আৰু আনৰ শৰীৰ বা মনৰ কোনো ৰূপ কষ্ট নহয় তাৰ কাৰণে সদায় যত্নশীল থাকিবা।

৫। ঘৰে ঘৰে, গাৱেঁ গাৱেঁ, জিলায় জিলায়, দেশে দেশে, সুগন্ধ ঘিউ, সুস্বাদ অন্ন, শস্যাদি আৰু চন্দনাদি সুগন্ধ বস্তু পৰিষ্কাৰ

কৰি, ভক্তি পূৰ্ব্বক ভগৱানৰ নামে অগ্নিকুণ্ডত আহুতি দিব আৰু দিয়াব। তাৰ দ্বাৰা ভগবান প্ৰসন্ন হৈ প্ৰয়োজন মতে পানী দি অন্নাদি উৎপন্ন কৰিব আৰু জীৱৰ অভাৱ মোচন হব।

৬। সাধাৰণতঃ পৃথিবী, পানী, বায়ু পৰিষ্কাৰ ৰাখিবা যাতে ৰোগ উৎপন্ন নহয়।

৭। নিৰাকাৰ সাকাৰ সৰ্ব্বশক্তিমান অখণ্ডাকাৰ পৰব্ৰহ্মক পূৰ্ণ ৰূপে প্ৰণাম প্ৰাৰ্থনা আদি কৰি উপাসনা কৰিবা অৰ্থাৎ উদয় অস্তৰ পুৱা, সন্ধ্যা, ওঁকাৰ মঙ্গলকাৰী বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপে চন্দ্ৰমা সূৰ্য্য নাৰায়ণক লৰা-বুঢ়া স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই শ্ৰদ্ধা ভক্তি পূৰ্ব্বক প্ৰণাম কৰিবা। তাৰ ওচৰত অপৰাধ হৈছে, যদি মনত কৰা তেন্তে তাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবা। তেওঁ দয়াময়, নিশ্চয় ক্ষমা দিব ই নিশ্চয় জানিবা।

৮। পৰমাত্মা বা ভগৱানৰ নাম "ওঁ সৎগুৰু" মন্ত্ৰ প্ৰাণ বায়ুৰ লগে লগে অৰ্থাৎ মনে মনে জপ কৰিবা। কোনো শঙ্কা নকৰিবা। যেতিয়াই মনত পৰিব বা ইচ্ছা হব তেতিয়াই ভক্তি পূৰ্ব্বক জপ কৰিবা। ইয়াত সময় অসময় শুচি অশুচি বিধি নিষেধ কোনো বিষয়ৰ চিন্তা নকৰিবা। ৰজা-প্ৰজা, স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই পৰমাত্মাৰ এই আদেশ যথা সাধ্য প্ৰতিপালন কৰিবা। তোমাৰ জ্ঞান মুক্তিৰ কাৰণে কোনো প্ৰকাৰ চিন্তা নাই। ভগৱানে তোমাক সকলো প্ৰকাৰ মঙ্গল কৰিব, তোমাক মুক্তি স্বৰূপ পৰমানন্দে ৰাখিব। তোমাৰ মনত জন্ম মৰণৰ কোনো শঙ্কা নাথাকিব। ই ধ্ৰুব আৰু সত্য বুলি জানিবা। কিন্তু মিথ্যা কল্পনা আড়ম্বৰ দ্বাৰা প্ৰবঞ্চ কৰি যদি ইয়াৰ অতিৰিক্ত ব্যৱস্থা কৰা তেন্তে তোমাৰ দুখৰ সীমা নাথাকিব ইও ধ্ৰুব আৰু সত্য জানিবা।

মানুহ মাত্ৰৰে সাধাৰণ কৰ্ত্তব্য কোৱা হল। তাৰ বাহিৰেও ৰজা, মন্ত্ৰী প্ৰভৃতি ক্ষমতাশীল মানুহ সকলৰ প্ৰতি এটা বিশেষ কৰ্ত্তব্য আছে। যাতে ধৰ্ম্ম নেতা সকলে বিচাৰৰ দ্বাৰা সত্য অসত্যৰ নিৰ্দ্ধাৰণ কৰে আৰু তাৰে জগৎ শান্তিময় হয়, সি বিষয় যত্নশীল হোৱা সিহঁতৰ কৰ্ত্তব্য। এক সত্যৰ বাহিৰে দ্বিতীয় সত্য নাই যেতিয়া, সমগ্ৰ জগৎ নিজ আত্মা পৰমাত্মাৰ স্বৰূপ যেতিয়া, তেন্তে মানুহ মাত্ৰেই বিচাৰ পূৰ্ব্বক সত্যক ধাৰণ কৰা উচিত। ইয়াৰ অন্যথা কৰিলে পৰমাত্মাৰ ওচৰত অপৰাধৰ কাৰণ ৰজা প্ৰজাৰ কষ্ট ভোগ হয় আৰু হইয়ে আছে দেখিছো। কাৰণ, জাতি কি বস্তু, জাতি গত ধৰ্ম্ম আৰু উপাস্য দেৱতা কি বস্তু, এই বিষয় নিজে অনুভৱেৰে নাজানি সি সকলৰ স্বাৰ্থ আৰু অভিমান বশতঃ বস্তু শূন্য নাম বা শব্দ অৱলম্বন কৰি নিজৰ জাতি, ধৰ্ম্ম, উপাস্য দেৱতাৰ শ্ৰেষ্ঠত্ব আৰু আনৰ জাতি, ধৰ্ম্ম, উপাস্য দেৱতাৰ নিকৃষ্টত্ব প্ৰতিপাদন কৰি আৰু সেই কাৰণে নিজে সত্য ভ্ৰষ্ট হৈ আনকো সত্য ভ্ৰষ্ট কৰি অশান্তি অমঙ্গল উৎপন্ন কৰে। এনেকুৱা ধৰ্ম্ম নেতা সকলক কঠোৰ শাৰীৰিক দণ্ডেৰে কাৰাবদ্ধ কৰিব যিসকলে পাৰে সিহঁতৰ সিটো কৰা কৰ্ত্তব্য। যাতে কাকো কোনেও সত্য ভ্ৰষ্ট কৰি কষ্ট কৰাব নোৱাৰে, ৰজা সকলে সিটোকে এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাৱে যতন কৰিলে পৰমাত্মাৰ আদেশ পালন কৰা হয়। তাতে শ্ৰেষ্ঠ প্ৰকাশ হৈ ৰজা প্ৰজা সৰ্ব্ব জীৱৰ মঙ্গল কৰে আৰু জীৱ সকলে পৰস্পৰৰ প্ৰিয় ভাৱাপন্ন হৈ শান্তিতে দিন নিয়াব, ই ধ্ৰুৱ আৰু সত্য জানিবা।

ওঁ শান্তিঃ ! ওঁ শান্তিঃ !! ওঁ শান্তিঃ !!!

——:o:——

# ৰজা প্ৰজা

ৰজা প্ৰজা, ৰাজনীতি প্ৰজানীতি, ৰাজশক্তি, প্ৰজাশক্তি, বিষয় লৈ নানা প্ৰকাৰ আন্দোলন হৈছে। যি বস্তুৰ এই সকল নাম দি সত্য নে মিথ্যা কি বস্তু কোনেও ই বিষয় বিচাৰ কৰি নাচায়। এই বিষয় মানুহ মাত্ৰেই নিজৰ নিজৰ মান অপমান, জয় পৰাজয় সামাজিক কল্পিত স্বাৰ্থ এৰি গম্ভীৰ আৰু শান্তিচিত্তে বিচাৰ কৰি সাৰ তত্ত্ব বস্তু গ্ৰহণ কৰা, যাতে জগতৰ অমঙ্গল আঁতৰি মঙ্গল স্থাপন হয় আৰু জীৱ সকলে শান্তি পায়।

যি বস্তু কোনো কালে নাই, যি বস্তু দৃশ্যতো অদৃশ্যতো নাই, যি বস্তু প্ৰকাশেও অপ্ৰকাশেও নাই, যি বস্তু ব্যক্তেও অব্যক্তেও নাই সেইয়ে মিথ্যা। মিথ্যাৰ পৰা ৰজা প্ৰজা প্ৰভৃতি হোৱা অসম্ভৱ। মিথ্যা মিথ্যাই। যি বস্তু সৰ্ব্বকালে বা সৰ্ব্বস্থান যি আছে সেইয়ে সত্য। সত্যৰ পৰাই সমস্ত হোৱা সম্ভৱ। এক সত্য, স্বতঃ প্ৰকাশ, নিজৰ ইচ্ছাতে নিৰাকাৰ সাকাৰ বা কাৰণ সূক্ষ্ম স্থূল চৰাচৰ স্ত্ৰী পুৰুষক লৈ অসীম অখণ্ডকাৰ সৰ্ব্বব্যাপী নিৰ্ব্বিশেষ সৰ্ব্ব শক্তিমান পূৰ্ণৰূপে প্ৰকাশমান। তেওঁ অদৃশ্যতো সত্য, দৃশ্যতো সত্য, প্ৰকাশেও সত্য, অপ্ৰকাশেও সত্য, ব্যক্তেও সত্য, অব্যক্তেও সত্য। সত্যক বিচাৰিব নালাগে। তেওঁ অন্তৰে বাহিৰে সৰ্ব্বত্ৰ প্ৰত্যক্ষ প্ৰকাশমান অৰ্থাৎ এক সত্য পৰমেশ্বৰ ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ ৰজা, জীৱ সমূহক লৈ প্ৰত্যক্ষ পূৰ্ণ ৰূপে প্ৰকাশমান। তেওঁৰ বাহিৰে দ্বিতীয় কোনো সত্য ৰজা, আদিত নাছিল, এতিয়াও নাই,

ভৱিষ্যতেও নহব, হোৱাৰ সম্ভৱনাও নাই। ই ধ্ৰুৱ আৰু সত্য বুলি জানিবা। এই সত্য বস্তু পৰমাত্মাৰ দ্বাৰা প্ৰজাৰূপী জীৱ সমূহৰ উৎপত্তি পালন স্থিতি মঙ্গল অমঙ্গল আদি কাৰ্য্যবোৰ পৰা হৈ আছিছে। তেওঁৱেই প্ৰজাৰূপী স্ত্ৰী-পুৰুষ জীৱ সমূহৰ একমাত্ৰ মাতা-পিতা, গুৰু-আত্মা পৰমাত্মা বস্তু। তেওঁৰ ৰাজনীতি স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰৰ ইন্দ্ৰিয়াদিৰ ধৰ্ম। যেনে চকুৰ ধৰ্ম দেখা, কাণৰ ধৰ্ম শুনা। যি ইন্দ্ৰিয়ৰ যি ধৰ্ম বা কাৰ্য্য সেই ইন্দ্ৰিয়ৰ দ্বাৰা সেই কাৰ্য্য সাধন হৈ আছিছে আৰু হব। তেওঁত বাহিৰে 'দ্বিতীয় সত্য মূৰ্ত্তি ৰূপ অৱতাৰ দেৱতা স্ত্ৰী-পুৰুষ কোনো নাই যে যি জনে এই ৰাজনীতিৰ কিঞ্চিৎ মাত্ৰও কম বেচ কৰিব পাৰে, যি কৰিব লগা, নকৰিব লগা তেওঁই সকলো কৰিব। তেওঁৰ ৰাজনীতিৰ বা নিয়মৰ ব্যতিক্ৰম কৰি চলিব লাগিলে আদি সৃষ্টি স্ত্ৰী-পুৰুষ জীৱ সমূহে চলিব নোৱাৰিবই, তদুপৰি তেওঁৰ নিয়ম বা আদেশ লঙ্ঘনৰ কাৰণে অশেষ দুখ ভোগ কৰিব লাগিব। যদি কোনোবাই কয় যে সৃষ্টি হব নিদিয়া বা পালন সংহাৰ আদিৰ নিয়ম ব্যতিক্ৰম কৰিম সি বিড়ম্বনা মাত্ৰ হব; চুলিৰ আগ পৰিমানো ব্যতিক্ৰম নঘটিব। এই বস্তু ৰূপী সত্য পৰমাত্মা জীৱ সমূহক যি প্ৰকাৰ স্বাধীনতা দিছে, সিটো প্ৰত্যক্ষ দেখিছা। যেনে কাণেৰে শুনা, চকুৰে দেখা, নাকেৰে গন্ধ পোৱা ভৰিৰে চলা, হাতেৰে গ্ৰহণ ইত্যাদি। তেওঁৰ নিয়ম অনুসাৰে প্ৰীতি পূৰ্ব্বক ইন্দ্ৰিয়ৰ ব্যৱহাৰ কৰিলে জীৱে সুখ স্বচ্ছন্দে দিন নিয়াব আৰু পৰমাত্মা প্ৰসন্ন হৈ সিহঁতক জ্ঞান মুক্তি দান কৰি আনন্দে ৰাখিব। ই ধ্ৰুৱ আৰু সত্য জানিবা। তাৰ বিপৰীত আচৰণ কৰিব গলে বৃথা

কষ্ট ভোগ হয়। চকুৰে নেদেখি কাণেৰে দেখিব চেষ্টা কৰিলে, ভৰিৰে নচলি মুখেৰে চলিব চেষ্টা কৰিলে চেষ্টা কৰিলে কাৰ্য্যও নহব, যাথোন পৰমাত্মাৰ আদেশ বা নিয়ম লঙ্ঘনৰ কাৰণে দুখৰ এক শেষ হব। তেওঁ যি শক্তিৰে যি কাৰ্য্য সমাধা কৰে, সেই শক্তিৰে সেই কাৰ্য্য শ্ৰদ্ধা ভক্তি পূৰ্ব্বক স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই সমাধা কৰা কৰ্ত্তব্য। যেনে তাৰ অন্ন বা পৃথিৱীৰে যত্ন পূৰ্ব্বক অন্ন আদি উৎপন্ন কৰি পৰমাত্মাকে প্ৰীতি পূৰ্ব্বক প্ৰতি পালন, পানী শক্তিৰে পিয়াহ নিবাৰণ, অগ্নি শক্তিৰে স্থূল বস্তু দহন এন্ধাৰ নিবাৰণ, ভাত ৰন্ধা ইত্যাদি। যদি তেওঁৰ এই ৰাজনীতি আদেশ নিয়ম লঙ্ঘন কৰি তাৰ বিপৰীত পৃথিৱীত বাস নকৰি আকাশত বাস, পিয়াহৰ পানী নাখাই অগ্নি পান কৰি পিয়াহ আঁতৰাব চেষ্টা কৰে তাতে কাৰ্য্য সিদ্ধি নহব, জীৱৰ কষ্টৰ সীমা নাথাকিব। যদি পৃথিৱী আদি স্থূল শক্তি সকলক যি ভাবে গ্ৰহণ কৰিলে স্থূল শৰীৰ ৰক্ষা হয় সেই ভাবে প্ৰীতি পূৰ্ব্বক গ্ৰহণ কৰি স্থূল শৰীৰ ৰক্ষা কৰা আৰু যি সূক্ষ্ম শক্তিক যি ভাবে গ্ৰহণ কৰিলে সূক্ষ্ম শৰীৰ ৰক্ষা হয় অৰ্থাৎ জ্ঞান মুক্তি হয় বা জীৱ ব্ৰহ্ম অভেদ অনুভৱ হৈ জীৱ মুক্ত স্বৰূপ থাকে সেই সূক্ষ্ম শক্তিক সেই ভাবে প্ৰীতি পূৰ্ব্বক গ্ৰহণ কৰি সূক্ষ্ম শৰীৰ ৰক্ষা কৰা অৰ্থাৎ জ্ঞান মুক্তি বা পৰমাত্মাৰ সৈতে অভেদে পৰমানন্দ লাভ কৰা তেতিয়াহে যথাৰ্থ ৰজাৰ যথাৰ্থ ৰাজনীতি যথাৰ্থই পালন কৰা হয় আৰু তাৰ ফলত জীৱ সমূহ যথাৰ্থই সুখে স্বচ্ছন্দে থাকিব পাৰে। যেনে পৃথিৱী-পানী স্থূল শক্তিৰ অংশ অন্ন পানী নাখালে স্ত্ৰী-পুৰুষ জীৱ সকলৰ উঠিবৰ বহিবৰ শক্তি নাইকিয়া হয়, ক্ৰমে বুদ্ধি লোপ পায়, একেবাৰেই খাব নাপালে

মৰণ ঘটে, তেনেই সূক্ষ্ম শৰীৰ জীৱাত্মা সূক্ষ্ম শক্তি জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণৰ প্ৰীতি পূৰ্ব্বক ধাৰণ আৰু প্ৰকাৰে নিৰাকাৰ সকলৰ পূৰ্ণ ৰূপে উপাসনা প্ৰেম ভক্তি প্ৰনাম নকৰিলে তেজহীন, শক্তিহীন, জ্ঞান হীন, বুদ্ধি হীন অজ্ঞান অভিমান অহঙ্কাৰত জড় সমান মৰাৰ নিচিনা হৈ থাকে। হিত অহিত বিচাৰ কৰিবৰ শক্তি বা জ্ঞান নাথাকে, আমি কি বস্তু, জ্যোতি স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ কি বস্তু বা পৰমাত্মা কি বস্তু পৰমাত্মা ইয়াৰ পৰা পৃথক দ্বিতীয় এক সত্তা কিম্বা এই সমষ্টিক লৈ সৰ্ব্ব শক্তিমান পূৰ্ণ একসত্তা পৰমাত্মা প্ৰত্যক্ষ বিৰাজমান ই বিষয় সম্যক্‌ দৃষ্টি বোধ বা জ্ঞান নহয়। মানুহে কোটি কোটি শাস্ত্ৰ ৰচনা কৰক বা পাঠ কৰক জ্যোতিঃ স্বৰূপক ধাৰণা বা উপাসনা নকৰিলে অৰ্থাৎ জ্যোতিৰ বিহনত মুক্তি বা সম্যক্‌ দৃষ্টি জ্ঞান লাভ কৰিব নোৱাৰিব, ই ধ্ৰুব আৰু সত্য জানিবা। এই এক সত্য ব্ৰহ্ম ৰূপী পৰমাত্মা জ্যোতিঃ স্বৰূপৰ পৰা বিমুখ হৈ জগতে ইমান দুখ ভোগ কৰিছে যে এক সত্য বোধ নহৈ নানা ভিন ভিন দেখিছে। এক সত্য বোধ নহৈ ভিন ভিন বোধ হোৱাই প্ৰজা বা জীৱ সংজ্ঞা জানিবা। ভিন্‌ ভিন্‌ নাম ৰূপ থকা সত্ত্বেও এক সত্য বোধ হলেই ব্ৰহ্ম ভাৱ বা ব্ৰাহ্ম ভাৱ জানিবা।

সমস্ত ভাবিব পাৰা যে এক সত্যৰ বাহিৰে দ্বিতীয় সত্য নাই একেই সত্য স্বতঃ প্ৰকাশ নিজৰ ইচ্ছাত নিৰাকাৰ সাকাৰ কাৰণ, সূক্ষ্ম স্থূল চৰাচৰ জীৱ সমূহক লৈ পূৰ্ণ ৰূপে প্ৰকাশমান যেতিয়া, তেতে সূক্ষ্ম শক্তি জ্যোতিক জ্ঞান মুক্তিৰ কাৰণে ধাৰণা বা উপাসনা কৰিব লাগে আৰু স্থূল শক্তি পালন পৃথিৱী, কাঠ,

শিব ইত্যাদিক ধাৰণা বা উপাসনা কৰি জ্ঞান মুক্তি নহব? কিম্বা নহব? সিওটো এক সত্যৰেই প্ৰকাশ।

যি কিছু দৃশ্য অদৃশ্য নাম ৰূপ আছে সমস্তই এক সত্য বা ব্ৰহ্মৰ পৰাই হৈছে, সমস্তই ব্ৰহ্মৰেই স্বৰূপ ইয়াত কোনো ভুল নাই। কিন্তু স্বৰূপ সকলত উপাস্য উপাসক, বন্ধন মুক্তি, ৰজা ৰাজনীতি প্ৰজা ভাব নাই। যি ঠাইত যি ভাবে থাকে সি ঠাইত সি ভাবেই আছে। পিতা মাতাৰ পৰা যতক্ষণলৈকে পুত্ৰ কন্যা জন্ম নহয় তিমান ক্ষণলৈকে মাতা-পিতা, পুত্ৰ-কন্যা, উপাধি সংজ্ঞা বা উপাস্য উপাসক ভাব নাচে। মাতা-পিতাৰ পৰা পুত্ৰ-কন্যা জন্মিলে মাতা-পিতা, পুত্ৰ-কন্যা উপাধি সংজ্ঞা হয় মাতা-পিতা উপাধিতে উপাসক উপাস্য সেৱ্য পূজ্য আৰু পুত্ৰ-কন্যা উপাধিতে উপাসক, সেৱক পূজক ভাব জন্মে। এক সত্য স্বতঃ প্ৰকাশ ওঁকাৰ পুৰুষ অব্যক্ত অপ্ৰকাশ থাকিলে ব্ৰহ্ম, পৰব্ৰহ্ম, গড্, আল্লাহ, খোদা, ঈশ্বৰ, পূৰ্ণ, সৰ্ব্ব শক্তিমান, উপাস্য, সেৱ্য, পূজ্য, ৰজা প্ৰভৃতি নাম সংজ্ঞা নাথাকে। যেতিয়া পৰমাত্মা বা ব্ৰহ্ম নিজৰ ইচ্ছাত প্ৰকাশ হৈ ৰূপান্তৰ উপাধি ভেদে এই জগতত স্ত্ৰী-পুৰুষ জীৱ সমূহ নানা নাম ৰূপ সৃষ্টি কৰে, তেতিয়া মাতা-পিতা ৰূপী পৰমাত্মাৰ লক্ষ্য কৰি উপাস্য সেৱ্য-পূজ্য ৰজা উপাধি বা সংজ্ঞা হয়, আৰু পুত্ৰ-কন্যা ৰূপী জীৱ সমূহক লক্ষ্য কৰি উপাসক, পূজক, সেৱক প্ৰজা সংজ্ঞা হয়। মানুহৰ ই জ্ঞান নাই যে যি মাতা-পিতা জাগ্ৰত অৱস্থাত প্ৰকাশ ভাবে বৰ্ত্তমান থাকে, সেই মাতা-পিতাই সুষুপ্তি অৱস্থাত অপ্ৰকাশ ভাবে থাকে। পুনঃ তেওঁই জাগ্ৰত অৱস্থাত জ্ঞানযুক্ত হৈ সমস্ত কাৰ্য্য কৰে। আমি দুই মাতা বা দুই পিতাৰ পৰা জন্মা নাই। একেই সত্য পৰমাত্মা নিৰাকাৰ নিৰ্গুণ জ্ঞানাতীত অপ্ৰকাশ অৱস্থাত অব্যক্ত থাকে আৰু

তেওঁই স্বয়ং সকলৰ ব্যক্ত প্ৰকাশমান জ্ঞানময় জ্যোতি ৰূপে প্ৰত্যক্ষ বিৰাজমান। প্ৰকাশ ব্যক্ত সাকাৰক মানিলে অব্যক্ত নিৰাকাৰৰ বেলেগ চেষ্টা নকৰিলেও সহজে কাৰ্য্য সিদ্ধি হয়। তেনেকুৱা জাগ্ৰত অৱস্থাত পিতা-মাতাক মান্য কৰিলেই সুষুপ্তি অৱস্থাতেও মান্য কৰা হয়। প্ৰকাশ বা জাগ্ৰত অৱস্থাতহে ব্যৱহাৰ চলে, কিন্তু অপ্ৰকাশ সুষুপ্তিত ব্যৱহাৰ নচলে। ব্যৱহাৰত সত্যক স্বীকাৰ কৰি চলাটো ৰাজৰূপী পৰমাত্মাৰ ৰাজনীতি বা আদেশ পালন কৰা। সমস্তই যে ব্ৰহ্ম স্বৰূপ সেইটো ঠিক। কিন্তু যদি কোনো ভোক লাগিলে শিল খাই ভোক নিবাৰণ কৰিম তেন্তে শিলাৰ কেতিয়াও ভোক নিবাৰণ নহব। অন্ন আদি ভাল ভাল খাদ্য বস্তু খোৱা কৰ্ত্তব্য। তাতে ভোক নিবাৰণ হব, ৰোগ নহব, শান্তি পাব। যদি মনে কৰা যে সকলোৱে ব্ৰহ্ম স্বৰূপ নিৰ্ম্মল পানী নাখাই গেলা পানী খাই পিয়াহ আতৰাম্। যদি তেনে কৰ্ম্ম কৰা তেন্তে দূষণ শৰীৰত ৰোগ হব দুখৰ সীমা নাথাকিব। যদি কোনো বে সকলোৰেই ব্ৰহ্মৰূপ তেন্তে অগ্নিৰে স্থূল শৰীৰ ভস্ম নকৰি পানীৰে কৰিম, তাতে কাৰ্য্য সিদ্ধি নহব নানা প্ৰকাৰ দুখ হব। সেই ৰূপ জ্ঞান মুক্তিৰ কাৰণে কাঠ শিল পানী ইত্যাদিক ধাৰণা কৰিলে কাৰ্য্য সিদ্ধি নহব, ঈশ্বৰৰ জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণক বুকুত মূৰত ধাৰণা কৰিব লাগিব। এই ব্ৰহ্ম শক্তি জ্যোতিঃ স্বৰূপ বাহিৰে নানা প্ৰকাৰ কুসংস্কাৰ বাসনাদি ভয় আৰু অজ্ঞান অন্ধকাৰ লয় নহব। অজ্ঞান কুসংস্কাৰ এৰাৰত থাকি জীৱ সমূহে অশেষ দুখ ভোগ কৰিব। এয়েই ব্ৰহ্মৰ শক্তি, শক্তিয়েই ব্ৰহ্ম। শক্তি ভাব আৰু শক্তিৰ অতিৰিক্ত ভাব নৈ মাতা-পিতা জ্যোতিঃ স্বৰূপ এক, পূৰ্ণ সৰ্ব্বশক্তিমান। এই জ্যোতিঃ স্বৰূপৰ পৰা জীৱে বিমুখ হলে তেওঁয়েই কালৰ কাল মহাকালৰূপে দেখা

দিয়ে। যি জীৱে তাৰ শৰণাগত হৈ জগতৰ হিত সাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য কৰে, তেওঁ সি জনৰ ওচৰত মিত্ৰতকৈও অতি মিত্ৰ ৰূপে দেখা দিয়ে। তেওঁৰ বাহিৰে দ্বিতীয় মিত্ৰ এই আকাশত নাই।

নিৰাকাৰ অৱস্থাত ৰজা, ৰাজনীতি, প্ৰজা সংজ্ঞা ৰূপ নাই, আকাৰ ব্যক্ত প্ৰকাশ অৱস্থাত ৰূপ থাকে। এটাই পৰমাত্মা জ্যোতিঃ ৰূপে প্ৰকাশ হৈ তিনি অৱস্থাত বৰ্ত্তমান আছে বা থাকে। অসংখ্য তৰা জ্যোতিঃ ভিন ভিন প্ৰকাশ পাইছে এইয়ে প্ৰজা ৰূপে জীৱ সমূহৰ সূক্ষ্ম ৰূপ। সমস্তকে লৈ ব্ৰহ্মাণ্ডৰ ৰজা ৰূপী চন্দ্ৰমা জ্যোতিঃ প্ৰকাশ মান। ব্ৰহ্ম জ্যোতিঃ সূৰ্য্য নাৰায়ণ ৰজা, ৰাজনীতি, প্ৰজা বা জীৱ সমূহৰ নাম সংজ্ঞা দি তাৰো অতীত হ'লে ত'তে পূৰ্ণ বিৰাজমান। সমদৰ্শী জ্ঞানীসকলে এই ভাবে বুজে। জীৱ সমূহৰ হাড় মঙহৰ স্থূল শৰীৰৰ ৰূপ পানী। জীৱৰ সূক্ষ্ম ৰূপ জ্যোতিঃ। ব্ৰহ্ম গায়ত্ৰীৰ শেষত "ওঁ আপোঃ জ্যোতিঃ ৰসোঽমৃতং ব্ৰহ্ম" পদত এই ভাবে প্ৰকাশ আছে। জীৱ সমূহৰ স্থূল সূক্ষ্ম ইন্দ্ৰিয়াদিৰ স্থূল সূক্ষ্ম গুণ বা ধৰ্ম ৰাজনীতি সংজ্ঞা জানিবা। তেওঁয়েই সত্য ৰজা আৰু তেওঁয়েই তাৰ সত্য ৰাজনীতি। এই ৰজা আৰু এই ৰাজনীতিৰ এই প্ৰজা সমূহ চিৰবৰ্ত্তমান আছে আৰু থাকিব। পৰমাত্মা ৰজাক নিৰাকাৰ সাকাৰ পূৰ্ণৰূপে মানিলে, তাৰ ৰাজ-নীতি আদেশ পালন কৰিলে লৌকিক ৰজা সকলৰ আদেশ পালন কৰা হয়।

ৰজাই ৰজাৰ কৰ্ম কৰিব। বিচাৰ কৰি শাস্তিৰে প্ৰজা পালন কৰিব। প্ৰজাসকলে প্ৰজাৰ কৰ্ম কৰিব। প্ৰীতিৰে ৰজাৰ আদেশ পালন কৰিব। মানুহ মাত্ৰেই কৰ্ত্তব্য যে স্ত্ৰী-পুৰুষ, ৰজা-প্ৰজা যি জনৰ যেতিয়া যি অভাৱ হয় বিচাৰ কৰি অভাৱ

মোচন কৰি দিয়া। নিৰাকাৰ সাকাৰ পূৰ্ণৰূপে জ্যোতিঃস্বৰূপ চন্দ্ৰমা সূৰ্য্যনাৰায়ণক পূজা সন্ধ্যা প্ৰণাম, প্ৰেম ভক্তিৰে ধাৰণা বা উপাসনা কৰিবা। তাৰ নাম ওঁকাৰ মন্ত্ৰ, ওঁসৎ গুৰু, ওঁসৎ গুৰু বুলি প্ৰাণ বায়ুৰ লগে লগে অৰ্থাৎ মনে মনে জপ কৰিবা। তাৰ নামত ভাল ভাল সুগোন্ধ বস্ত্ৰ প্ৰসাদ নৈবেদ্য অৰ্পিত আৰতি পূজা কৰিবা যাতে আকাশৰ মেঘ বায়ু আদি পৰিষ্কাৰ হয়। কোনো জীৱে যাতে অন্ন বস্ত্ৰৰ কষ্ট নাপায় যাতে সুখে শান্তিতে দিন নিয়াব পাৰে এই বিষয় সদায় তীক্ষ্ণভাৱে লক্ষ্য ৰাখিবা। শৰীৰ, মন, ইন্দ্ৰিয়, ঘৰ, বাৰী, শয্যা, বাট, ঘাট পৰিষ্কাৰ ৰাখি ব্যৱহাৰ কৰিবা। যাতে সকলোৱে সকলো প্ৰকাৰে সুখ শান্তিত থাকিব পাৰা সিটোকে কৰিবা। ইয়ে সাৰ সত্য আৰু সাৰ ধৰ্ম বুলি জানিবা। ই ধ্ৰুব আৰু সত্য।

পুনঃ বিচাৰ কৰা যে ৰজা, ৰাজনীতি আৰু প্ৰজা যিহক কয় আৰু সি কি বস্তু মিথ্যা নে সত্য। মিথ্যা মিথ্যাই। মিথ্যাৰ পৰা একো হব নোৱাৰে। সত্য একৰ বাহিৰে দ্বিতীয় নাই। সত্যৰ পৰা ৰূপান্তৰ হৈ উপাধি ভেদে সকলো হব পাৰে। এক সত্যৰে পৰা জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰৰ উৎপত্তি পালন আৰু স্থিতি হৈছে। ই প্ৰত্যক্ষ। যদি স্থূল শৰীৰ হাড় মঙহ মল মুত্ৰৰ পুতলী শৰীৰৰ নাম ৰজা ৰাজনীতি আৰু প্ৰজা হয়, তেনেহলে স্ত্ৰী পুৰুষ জীৱ সমূহৰেই এই সকল আছে। যদি দশ ইন্দ্ৰিয়ৰ নাম ৰজা, ৰাজনীতি আৰু প্ৰজা হয়, তেনেহলে দশ ইন্দ্ৰিয়ৰ স্ত্ৰী-পুৰুষ জীৱ সকলোৰেই আছে। যি ইন্দ্ৰিয়ৰ যি গুণ বা ধৰ্ম সিটো সকলোৰেই দেখিছা। যেনে চকুৰে দেখা, কাণেৰে শুনা ইত্যাদি। যদি চেতন জীৱাত্মাৰ নাম ৰজা, ৰাজনীতি বা প্ৰজা হয়, তেনেহলে স্ত্ৰী পুৰুষ চেতন জীৱ সমূহ এটা সত্য

ওঁকার পুরুষর পরা উৎপন্ন হৈছে। আহার, নিদ্রা, ভয়, মৈথুন, সুখ, দুখ, জন্ম, মরণ সকলো জীৱৰে সমভাৱে ঘটিছে। তেনে যদি হয়, তেন্তে স্ত্রী-পুরুষ জীব মাত্রেই রজা, রাজনীতি, প্রজা হব পারে। যদি অজ্ঞান অবস্থার নাম, তেন্তে সকল মানুহরেই সিটো আছে। মানুহ সকলর জীৱব্রহ্মত অভেদ জ্ঞান নাই, আমি আরু ব্রহ্ম কি বস্ত এই বিষয় সকলোরেই অজ্ঞান সমান। যদি সমদৃষ্টি জ্ঞান অবস্থার নাম হয়, তেন্তে পৃথিবীত কৌটির মাজত এজন সমদর্শী জ্ঞানবান পুরুষ আছে। সমদর্শী পুরুষ জীব সমূহক নিজর আত্মা পরমাত্মার স্বরূপ জানি সর্ব্ব বিষয় অধিকার আরু সৎ শিক্ষা বা উপদেশ দিয়ে। তেওঁ এক সত্য। নিরাকার সাকার স্ত্রী-পুরুষ জীব সমূহক লৈ সর্ব্ব শক্তিমান রূপে বিরাজমান বা প্রকাশমান। এই কারণে তার ধর্ম্মরাজ, ধর্ম্মপুরুষ অক্ষয় পুরুষ, অক্ষয় বত, পরমেশ্বরাদি নানা নাম। তেওঁ নিরাকার নিগুণ, সাকার সগুন, ব্যক্ত অব্যক্ত প্রত্যক্ষ প্রকাশমান। তেওঁ দয়া করি নিজক চিনাকি নিদিলে স্ত্রী-পুরুষ জীব কোনেও তাক চিনিব নোৱারে। তেওঁ ধর্ম্ম, অর্থ, কাম, মোক্ষ চতুর্ব্বর্গ ফল দাতা। জীব সকলর একমাত্র সুখ দাতা। জীৱসকলে তার বিমুখ হলে বা তার আদেশ লঙ্ঘণ করিলে দুখর সীমা নাথাকে সদায় অশান্তি ভোগ করে।

এক সত্য নিরাকার সাকার অর্থাৎ মঙ্গলকারী ওঁকার বিরাট ভগবান চন্দ্রমা সূর্য্য নারায়নেই জগতর রজা মহারাজ। লৌকিক রজাক পরমাত্মার পরা বেলেগ নাভাবি শ্রদ্ধা ভক্তিরে রজার আদেশ পালন করা প্রজা সকলর উচিত।

বিরাট পরব্রহ্মরূপী রজা আরু তার রাজনীতি, লৌকিক

ৰজা আৰু ৰাজনীতি এইয়ে বেলেগ যে বিৰাধ পৰব্ৰহ্ম সৰ্ব্বকালেই ৰজা হৈ আছিছে আৰু হৈ থাকিব, আৰু তেওঁৰ ৰাজ নীতি অদল বদল নহয় আৰু নহব। উৎপত্তি, পালন, স্থিতি ইত্যাদি তেওঁৰ ৰাজনীতিৰ অন্তৰ্গত জানিবা। লৌকিক ৰজা অল্প দিন স্থায়ী আৰু ৰাজনীতিও পৰিবৰ্ত্তনশীল। সাধাৰণ জীৱ সমূহৰ মাজত ৰজা শ্ৰেষ্ঠ, পূজনীয় আৰু পবিত্ৰ। ই ধ্ৰুব আৰু সত্য। ৰজাৰ প্ৰসন্ন অপ্ৰসন্নৰ ওপৰত প্ৰজা সকলৰ সুখ-দুখ নিৰ্ভৰ কৰে। হিন্দুসকলৰ স্বীকৃত তেত্ৰিশ কোটি দেৱতাৰ মাজত জ্ঞানী, সৰ্ব্ব-দৰ্শী ৰজা শ্ৰেষ্ঠ পূজনীয় আৰু পবিত্ৰ। সকলো মানুহ দেৱতা আদিৰ মাজত এক স্বতঃ প্ৰকাশ ওঁকাৰ পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ পবিত্ৰ শ্ৰেষ্ঠ পূজনীয় উপাস্য দেৱতা। ই ধ্ৰুব আৰু সত্য। তেওঁৰ বাহিৰে কোনো সত্য শ্ৰেষ্ঠ পূজনীয় পবিত্ৰ উপাস্য দেৱতা বাহিৰ নাই আৰু নহব। জগতৰ ৰজা ওঁকাৰ পুৰুষ পৰমেশ্বৰ এক। লৌকিক ৰজা বহু। ৰজাই নিজৰ ইচ্ছামতে ভিন ভিন ৰাজনীতি প্ৰচাৰ কৰাই প্ৰজা সকলক ভিন ভিন ৰাজ নীতি অনুসাৰে চলিবৰ বাধ্য কৰায়। লৌকিক এজন, ৰজা মৃত্যু হলে আৰু আন এজন ৰজা হয় আৰু ইচ্ছা অনুসাৰে নতুন ৰাজনীতি কৰে। পূৰ্ণ পৰব্ৰহ্মৰূপী ৰজাৰ ৰাজ-নীতি সদায় এক আৰু তাৰ লঙ্ঘণ চেষ্টাত দুখ নিশ্চয়। কিন্তু লৌকিক ৰজাৰ ৰাজনীতি লঙ্ঘণ কৰিও বহু সময় প্ৰজায় দণ্ডৰ পৰা অব্যাহতি পায়।

ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ মহাৰাজাৰ আদেশ বা ৰাজনীতি স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয়াদিৰ যিহৰ দ্বাৰা যি কাৰ্য্য সকল দিনে নিষ্পন্ন হয়, তাৰ দ্বাৰা সেই

কাৰ্য্য নিৰ্ব্বাহ আৰু জন্ম-মৃত্যু আহাৰ নিদ্ৰা ভয় মৈথুন সুখ দুখাদি যি ঘটিব লগা সি সদায় সমভাৱে সকলোৰে ঘটিয়েই থাকে। তাৰ ইচ্ছা অতিক্ৰম কৰি নিবাৰণ কৰিবৰ দ্বিতীয় সত্য কোনো কিছু নাই। যদি তেওঁ ইচ্ছা কৰে তেন্তে নিবাৰণ হয়। তেওঁৰ আদেশ পালনেই জীৱ সমূহৰ কষ্ট নিবাৰণৰ এক মাথোন উপায়।

যাতে স্ত্ৰী-পুৰুষ জীৱ মাত্ৰেই ওঁকাৰ বিৰাট পৰব্ৰহ্ম মহাৰজাৰ ৰাজনীতি প্ৰতিপালন কৰি সুখে কাল যাপন কৰিব পাৰে সেই বিষয়ে লৌকিক ৰজা আৰু মন্ত্ৰীসকলৰ দায়িত্ব আৰু কৰ্ত্তব্য। যাতে মানুহ মাত্ৰেই স্বাধীনভাৱে পৰস্পৰৰ মঙ্গল সাধন কৰি পৰমানন্দ লাভ কৰে সেয়েই লৌকিক ৰজা আৰু মন্ত্ৰী সকলৰ কৰ্ত্তব্য।

লৌকিক ৰজা আৰু মন্ত্ৰীসকলৰ নিজৰ আজ্ঞাধীন প্ৰজাসকলক পুত্ৰ-কন্যাৰ সমান জানি প্ৰতিপালন কৰা উচিত আৰু প্ৰীতি পূৰ্ণ সমদৃষ্টিৰে সৎ শিক্ষা দিয়া কৰ্ত্তব্য, যাতে বাল্য কালৰে পৰা স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই সমভাৱে সত্যধৰ্ম, সকলো প্ৰকাৰ সৎ বিদ্যা আৰু ব্যৱহাৰিক কাৰ্য্য স্বাধীনভাৱে শিক্ষা আৰু সম্পন্ন কৰিব পাৰে। প্ৰজা সকলৰ সকলো প্ৰকাৰ দুখ কষ্টৰ কাৰণ জানি যাতে সিহঁতৰ কষ্ট মোচন আৰু সুখ শান্তি হয় সেই বিষয়ে এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাৱে ৰজা আৰু পুৰুষ সকলৰ সমাধা কৰা উচিত। যি প্ৰজাৰ জমি-মাটি, ঘৰ-বাড়ি নাই সিহঁতক মাটি-জমি, ঘৰ বাড়ি, যি সকলৰ হালৰ গৰু, ধান, মুগ, মাহ আদি খেতিৰ কঠিয়া নাই, সিহঁতক খেতিৰ কঠিয়া, হালৰ গৰু দিয়া কৰ্ত্তব্য। বাণিজ্য ব্যৱসায় আদি, যি জন যি কাৰ্য্যৰ উপযোগী

সি জনৰ সি বিষয় অভাৱ হলে সমৰ্থিৰে সেই অভাৱ মোচন কৰি দিয়া ৰজা সকলৰ কৰ্ত্তব্য।

লৌকিক ৰজাৰ সৰ্ব্ব প্ৰধান কৰ্ত্তব্য যাতে প্ৰজাসকলে অন্ন, পানী, কাপোৰ, ঘৰৰ আদিৰ অভাৱত দুখ কষ্ট নাপায় আৰু পৰমাত্মায় যি যি উদ্দেশ্যে পৃথিৱী, অন্ন, পানী, ধন, ৰাজ্য দিছে সেই সকলো উদ্দেশ্য বুজি প্ৰীতিৰে সি সকল ব্যৱহাৰ কৰে আৰু অপব্যয় নহয়।

স্ত্ৰী পুৰুষ প্ৰজা মাত্ৰেই সকলোৰে কৰ্ত্তব্য যে যিজনে যি ৰাজ্যত বাস কৰে সিইতে সেই ৰাজ্যৰ ৰজাক পৰমেশ্বৰ বা নিজৰ নিজৰ মাতা-পিতাৰ সমান জানি শ্ৰদ্ধা ভক্তিৰে এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাবে ৰজাৰ আদেশ প্ৰতিপালন কৰা। যাতে ৰজা-প্ৰজা দুয়ো পৰমানন্দে দিন নিয়াব পাৰে সিটো মানুহ মাত্ৰেই কৰ্ত্তব্য। ন্যায়পৰায়ণ লৌকিক ৰজাৰ আদেশ লঙ্ঘনত পৰমেশ্বৰ বা ওঁকাৰ বিৰাট জ্যোতিঃস্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ, ৰাজ ৰাজেশ্বৰৰ অমান্য হয়, তাৰফলত প্ৰজা সকল দণ্ড-ৰূপ নানা দুখ ভোগ কৰে। পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃস্বৰূপ মহাৰজা আৰু লৌকিক মহাৰজা দুয়োকে শ্ৰদ্ধা ভক্তি কৰা, প্ৰেম প্ৰীতিৰে দুয়োৰে আদেশ প্ৰতিপালন কৰা প্ৰজা সকলৰ বিশেষ কৰ্ত্তব্য। ইয়াত ৰজা প্ৰজা দুয়োৰে মঙ্গল আৰু পৰমানন্দ।

স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেৰেই যেতিয়া যি আৱশ্যক আৰু অভাৱ হয় সি বিষয় যত্ন পূৰ্ব্বক সোনকালে মোচন কৰা বা কৰি দিয়া কৰ্ত্তব্য। নিজৰ নিজৰ স্বাস্থ্যৰ বিষয় যেতিয়া যি অভাৱ হয়, তেতিয়াই তাক পূৰণ কৰা কৰ্ত্তব্য। পিয়াহ লাগিলেই পানী, ভোক লাগিলেই ভাত আদি খোৱা বস্তু খাব লাগে। বাহ্য প্ৰস্ৰাৱৰ

ৰেশ আঁহিলে সহ্য কৰি বহু কৰি থাকিব নালাগে। স্ত্ৰী-পুৰুষ জীৱ সমূহৰ সকলো বিষয়তে সমভাৱে অধিকাৰ। এইয়ে ভগৱানৰ আদেশ। ই মানুহ মাত্ৰেই পালন কৰা কৰ্ত্তব্য। সমদৰ্শী জ্ঞানী ই বিষয় জানে আৰু সেই অনুসাৰে কাৰ্য্য কৰে। নিজৰ আদেশ পালন কৰিলেই তেওঁ প্ৰসন্ন হৈ দিব্য জ্ঞান মুক্তি দি পৰমানন্দে ৰাখিব। ই ধ্ৰুৱ আৰু সত্য জানিবা। সন্মান আৰু স্বাৰ্থৰ কাৰণে সত্যক ত্যাগ কৰা অবোধৰ কাৰ্য্য নহয় জানো? যদি কোনো এজন মানুহক হাত ভৰি বান্ধি গছত ওলমাই থয়, আৰু তাক শ্ৰেষ্ঠ জ্ঞানী ধাৰ্ম্মিক পণ্ডিত বক্তা মহাত্মা বুলি বাৰে বাৰে ধন্যবাদ কৰে, তেনে হলে কি সেই মানুহৰ সুখ হয়? নে কষ্টৰ সীমা নাথাকে? স্বচ্ছ ভাবে যদি কোনো মানুহে খোলা থাকে অৰ্থাৎ নিৰ্বাধ ভগৱানত নিষ্ঠা ভক্তিমান অভেদ জ্ঞান মুক্তস্বৰূপ পৰমানন্দে থাকে, সি জনক যদি কোনো বিষয় পদ বা ধনাবাদ নিদি নানা ৰকম নিন্দা কৰে, তাতে সেই মানুহৰ কি কোনো দুখ কষ্ট বা ক্ষতি বৃদ্ধি হয় নে? সকলোৱেই জানে যে জ্ঞানবান মানুহে নিজৰ সন্মানক পদাঘাত কৰি অপমানক মূৰত লৈ কাৰ্য্য উদ্ধাৰ কৰে—কাৰ্য্য উদ্ধাৰ নকৰা জনক মূৰ্খ বোলে। পানীৰ ওপৰৰ দিশে সোঁত নবয়, নিচৰ দিশে বোৱাই পানীৰ ধৰ্ম। সেই ৰূপ সত্য ধৰ্ম বিমুখ অহংকাৰী সকলৰ ওচৰত ব্ৰহ্ম বা ব্ৰহ্মশক্তি প্ৰকাশিত নহয় অৰ্থাৎ সিহঁতক তেওঁ শক্তি নিদিয়ে কিয়নো জগতত সিহঁতৰ দ্বাৰা অনিষ্ট বাহিৰে ইষ্ট নহয়। যি সৰল, ধীৰ, নম্ৰ, মৰমিয়াল, আনৰ উপকাৰী, সত্য নিষ্ঠ, ধাৰ্ম্মিক, সমদৰ্শী, ন্যায়পৰায়ণ যি সকলে স্ত্ৰী-পুৰুষ জীৱ সমূহক নিজৰ আত্মা পৰমাত্মা স্বৰূপ জানি জগতৰ হিত সাধনত ৰত থাকে,

তেনে সাধু ভকত সকলৰ দেহে ব্ৰহ্ম বা ব্ৰহ্ম শক্তি প্ৰকাশ পায়। কিয়নো সিহঁতৰ দ্বাৰা জগতত ইষ্টৰ বাহিৰে অনিষ্ট নহয়। কিন্তু গুৰু সকলোৱেই হব খোজে, কোনেও শিষ্য হব নোখোজে এনে সুশিষ্য হলেই ব্ৰহ্মাণ্ডৰ সকলো পাপৰ ভাৰ উঠি যায়, জীৱ সমূহে শান্তি পায়। নিজৰ নিজৰ অধিকাৰৰ ঠাইত এলাহ ত্যাগ কৰি তীক্ষ্ণ ভাবে নামধাৰী ধৰ্ম্মধ্বজী ভণ্ডসকলক যথোচিত শাস্তি দিয়া ৰজা ৰাজপুৰুষ সকলৰ বিশেষ কৰ্ত্তব্য। যিসকলে জাতি, ধৰ্ম্ম, উপাস্য দেৱতা কি বস্তু প্ৰকৃত নাজানি গৌৰৱ দম্ভেৰে প্ৰচাৰ কৰে যে "আমাৰ এই জাতি ধৰ্ম্ম উপাস্য দেৱতা শ্ৰেষ্ঠ, আনৰ নিকৃষ্ট" সেই সমস্ত প্ৰবঞ্চক ধৰ্ম্মনেতা সকলক কঠিন দণ্ড দিয়া কৰ্ত্তব্য. তেতিয়া হলে জগতত প্ৰবঞ্চনা নাথাকিব, সত্য প্ৰকাশ হৈ মঙ্গল আহিব, জীৱসমূহে শান্তি পাব।

ওঁকাৰ পৰমাত্মাৰ পৰা ৰজা, প্ৰজা-স্ত্ৰী-পুৰুষ জীৱসমূহৰ উৎপত্তি আৰু তাতেই স্থিতি। ৰজাসকলে স্ত্ৰী-পুৰুষ প্ৰজাসকলক সৰ্ব্ব বিষয় সমভাবে প্ৰতিপালন আৰু ন্যায় কাৰ্য্যত শাসন কৰিব। নিজে সৎ বাটে যাব আৰু প্ৰজা সকলকো সৎ বাটে লৈ যাব। আয় বুজি নিজে ব্যয় কৰিব, প্ৰজা সকলকো সেই ৰূপে শিকাব। সকলো প্ৰকাৰ সৎ ব্যয়ত নিজে সদায় মুকলি হাতে থাকিব, প্ৰজা সকলকো সেই ৰূপে শিকাব। প্ৰজা সকলে ৰজাৰ আদেশ ভালদৰে প্ৰতিপালন কৰিব। ৰজা-প্ৰজা দুয়ো নিজক ৰক্ষা কৰি পৰস্পৰ সকলোকে ৰক্ষা কৰিব। ইয়াত ৰজা-প্ৰজা দুয়োৰে মঙ্গল। যদি ৰাজ্যত ৰজা বা ৰাণী আৰু প্ৰজা সকলে কোনো অভাৱ বশতঃ কষ্ট পাই আছে তেন্তে সেই বিষয়ে আন ৰাজ্যৰ ৰজা সকলক জনাব। পৃথিবীৰ সমস্ত ৰজা-প্ৰজা পৰস্পৰক

সাহায্য কৰি বিপদৰ পৰা উদ্ধাৰ কৰা কৰ্ত্তব্য। তাতে পৰমাত্মা প্ৰসন্ন হৈ ৰজা-ৰাণী, ৰাজ্য, প্ৰজা সকলৰ মঙ্গল বিধান কৰিব আৰু জ্ঞান দি মুক্ত স্বৰূপ পৰমানন্দত ৰাখিব।

বহুতে ৰাজ্য আৰু ৰাজনীতি পৰিৱৰ্ত্তনৰ লৈতে গ্ৰহ আৰু গ্ৰহ দেৱতাৰ সম্বন্ধ কল্পনা কৰে। সেই বিষয়ে স্ত্ৰী-পুৰুষ মানুহ মাত্ৰেই নিজৰ নিজৰ মান অপমান, জয় পৰাজয়, সমাজিক মিথ্যা কল্পিত স্বাৰ্থ এৰি গম্ভীৰ শান্তচিত্তেৰে সাৰ সত্য তত্ত্ব বস্তুক গ্ৰহণ কৰা যাতে জগতৰ মঙ্গলকাৰী গ্ৰহ দেৱতা কোন তাক বিচাৰেৰে জানিব পাৰে।

বিচাৰ কৰি দেখা পৰমেশ্বৰ ওঁকাৰ পুৰুষেই মঙ্গলকাৰী গ্ৰহ দেৱতা। সৰ্ব্ব শাস্ত্ৰৰ মিয়ে সাৰ, সেই এক পৰমাত্মা ব ব্ৰহ্মৰ বাহিৰে দ্বিতীয় সত্তা ই আকাশত পূৰ্ব্বত বা আদিত কোনো নাছিল, বৰ্ত্তমানেও নাই ভবিষ্যতেও নহব হবৰ সম্ভাবনাও নাই। ই ধ্ৰুব আৰু সত্য।

একেই সত্তা পৰমাত্মা নিজৰ ইচ্ছাত নিৰাকাৰ সাকাৰ বা কাৰণ সূক্ষ্ম স্থূল চৰাচৰ স্ত্ৰী-পুৰুষ জীৱ সমূহক লৈ অসীম অখণ্ডাকাৰ সৰ্ব্ব ব্যাপী নিৰ্ব্বিশেষ সৰ্ব্ব শক্তিমান পূৰ্ণৰূপে স্বতঃ প্ৰকাশ বিৰাজমান। তেওঁৰ বাহিৰে দ্বিতীয় কোনো নাই। ই ধ্ৰুব আৰু সত্য বুলি জানিবা।

যেনেকুৱা আকাশৰ সীমা নাই, সেই ৰূপ তাৰো সীমা নাই, তেওঁ নিৰাকাৰ নিৰ্গুণ অব্যক্ত ভাবে অপ্ৰকাশ, সাকাৰ সগুণ ব্যক্ত ভাৱত তেওঁই সাত ভাগে প্ৰকাশমান। শাস্ত্ৰত সিটোকেই গ্ৰহ দেৱতা বোলে। তেওঁ স্বৰূপ মুখ্যত এক, বাহ্যিত সাতটা বুলি প্ৰতিয়মান হৈ আছে। এই সাত দেৱতাবেই পৰা অনাদি

কালৰে পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ উৎপত্তি, পালন, স্থিতি হৈ আছিছে, হৈ আছে আৰু হব। ইয়াকে শাস্ত্ৰত কয় যে, "গ্ৰহৰূপী জনাৰ্দ্দনঃ" অৰ্থাৎ ওঁকাৰ বিষ্ণু ভগৱান বিশ্বময় পূৰ্ণৰূপে প্ৰকাশমান।

ভূঃ ভুৱঃ স্বঃ মহঃ জনঃ তপঃ সত্যং, এক পৰমেশ্বৰ ওঁকাৰ পুৰুষ এই সাত ভাগত প্ৰকাশমান। ওঁকাৰ পুৰুষৰ এই সাত অঙ্গ প্ৰত্যঙ্গ সাত গ্ৰহ দেৱতা। ইয়াৰ মাজত কোনো এটা গ্ৰহ দেৱতা নাথাকিলে সকলো জীৱৰ জ্ঞান আৰু শৰীৰ নষ্ট হয়। মানুহে কয় যে ছয়টা গ্ৰহ গোট হৈছে, সপ্তম গ্ৰহ যোগ হলেই কাৰ্য্য সমাপ্ত হয়। কিন্তু গ্ৰহ দেৱতা সিহঁতে কয়, সি যে একেই সত্য, সাত গ্ৰহ ৰূপে অনাদি কালৰে পৰা বিৰাজমান, সিটো কোনেও নাজানে।

এই গ্ৰহ দেৱতা ৰূপী সাতটা তত্ত্ব বস্তুক জ্ঞান চকুৰে অন্তৰে বাহিৰে অভেদে দৰ্শন কৰা। তেতিয়া সকলো লয় আত্তিৰ পৰম শান্তি পাবা। "ভূ" পৃথিবী গ্ৰহ দেৱতাৰ পৰা অন্ন উৎপন্ন হৈ স্ত্ৰী-পুৰুষ জীৱ সকলৰ পালন হৈছে, হৈ আছে আৰু হব। এই পৃথিবীয়েই জীৱ শৰীৰৰ হাড় মঙহ। পৃথিবীত গ্ৰহ দেৱতা নাথাকিলে, জীৱ অন্ন অভাৱত মৰিল'হেঁতেন আৰু হুন সাহবে পৰা জীৱ শৰীৰ পৰ্য্যন্ত জন্ম নহলহেঁতেন। এই পৃথিবী জীৱ মাত্ৰেৰেই প্ৰয়োজনীয় আৰু উপকাৰী, পৃথিবী কমিন্তু কানো সম্প্ৰদায় বা সমাজৰ নহয়।

"ভুৱঃ" পানী গ্ৰহ দেৱতাৰ পৰা বৰষুণ হৈছে, তাৰে অন্ন তৃণ ঘাঁহ আদি জন্মিছে, তাকে জীৱ সমূহে স্নান পানেৰে প্ৰাণ ৰক্ষা কৰিছে। এই পানীয়েই জীৱ শৰীৰত ৰক্ত ৰস নাড়ী। পানী গ্ৰহ দেৱতা নাথাকিলে, জীৱ মাত্ৰেই মৰণ হব, আৰু

তৃণ গাছ আদি পৰ্য্যন্ত শুকাই যাব। এই পানী জীৱ সমূহৰেই প্ৰয়োজনীয় আৰু উপকাৰী। ই কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

"স্বঃ" অগ্নি গ্ৰহ দেৱতাৰ দ্বাৰা জীৱ সমূহৰ ভোক, খোৱা বস্তু, পৰিপাক বাক্য উচ্চাৰণ ইত্যাদি হৈছে। শৰীৰত এই অগ্নি অলপ মন্দ হলেই অন্ন পৰিপাক নহয়, ভোক নালাগে, নানা ৰোগ ওপজে। বৈতিয়া ডাক্তৰ বেজ সকলে কয় যে, "তোমাৰ শৰীৰৰ তেজ অগ্নি মন্দ হৈছে, আমি তেজবান দৰব দিম, তাতে অগ্নি বৃদ্ধি হব।" এই অগ্নি বেচি মন্দ হলে ভৰি হাত ঠাণ্ডা বা শীতল হয়। এই অগ্নি শৰীৰত শেষ হলে জীৱৰ মৰণ ঘটে, তৃণ, গাছ আদিত নাথাকিলে বৃদ্ধি নহৈ মৰি যায়। এই অগ্নি জীৱ মাত্ৰৰেই প্ৰয়োজনীয় আৰু উপকাৰী ই কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

"মহঃ" বায়ু গ্ৰহ দেৱতা নাথাকিলে জীৱৰ মৰণ হয়, সিয়ে জীৱৰ প্ৰাণ বায়ু। সকলোৱেই জানে যে, এই প্ৰাণ বায়ু শেষ হলেই জীৱৰ মৃত্যু হয়। এই বায়ু জীৱ মাত্ৰৰেই প্ৰয়োজনীয় আৰু উপকাৰী, সি কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

"জনঃ" আকাশ গ্ৰহ দেৱতা নাথাকিলে বেদ বেদান্ত বাইবেল কোৰাণাদিৰ শব্দৰেই জ্ঞান নহয়, জীৱ বধিৰ (বেঙা) হয়। এই শূণ্য আকাশ সংজ্ঞা পৰিত্যাগ কৰি "জনঃ" শব্দত আকাশৰ অসংখ্য জীৱৰূপী নক্ষত্ৰ জানিবা। এই আকাশ জীৱ মাত্ৰৰেই প্ৰয়োজনীয় আৰু উপকাৰী, সি কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

"তপঃ" চন্দ্ৰমা জ্যোতিঃস্মান গ্ৰহ দেৱতা চিৰ কালৰ কাৰণে অপ্ৰকাশ হলে জীৱৰ চকু আৰু মনৰ কাৰ্য্য সিদ্ধ হব নোৱাৰে।

প্ৰত্যক্ষ দেখা জীৱৰ অপ্ৰকাশ সুষুপ্তি অৱস্থাত মনৰ অপ্ৰকাশ বশতঃ কোনো প্ৰকাৰ জ্ঞান বা জ্ঞানৰ ক্ৰিয়া নাথাকে। এনে বোধ নাথাকে যে মই সুষুপ্তিত আছোঁ পিচত সাৰ পাম, ভগৱান আছে বা নাই, এই সৃষ্টিখন দেখি আছোঁ বা নাই, মই মূৰ্খ বা পণ্ডিত, ঋষি বা অৱতাৰ, দ্বৈত বা অদ্বৈত, নিৰাকাৰ বা সাকাৰ, নিৰ্গুণ বা সগুণ, স্বভাৱ বা শূণ্য, কোনো বিচাৰেই নাথাকে, অচেতন হৈ জড়ৰ নিচিনা হৈ থাকিব লাগে। যেতিয়া সাৰ পায়, তেতিয়া চন্দ্ৰমা জ্যোতিৰ অংশ মন প্ৰকাশ হয়, আৰু মনৰ দ্বাৰা জ্ঞান হয়, মই আছোঁ ইটো সিটো দেখিছোঁ, বুজিছোঁ, ইটো এই, সিটো সেই বুজিছোঁ, অৰ্থাৎ নানা সংকল্প বিকল্প কৰিছোঁ; এই মন স্থিৰ হলে বা লয় হলে সকলো লয় হয় আৰু বস্তু বোধৰে শান্তি আছে। মন লয় নহলে শত বস্তু এক বুলি জ্ঞান নহয়, ভিন ভিন নানা বস্তু বোধ হৈ অজ্ঞানত মৃত্যুৰ সমান হৈ থাকিব লাগে, আৰু অশান্তিৰ সীমা নাথাকে। এই চন্দ্ৰমা জ্যোতিৰ প্ৰকাশ জীৱ মাত্ৰৰেই প্ৰয়োজনীয় আৰু উপকাৰী। ই কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

“সত্যং” সৎ স্বৰূপ সূৰ্য্য নাৰায়ণ শ্ৰেষ্ঠ দেৱতা বা জগতৰ চক্ষু নিৰস্ত হলে জীৱ সমূহৰ চকুৰ জ্ঞান, বুদ্ধি লোপ পায়, ব্যৱহাৰিক পাৰমাৰ্থিক কোনো কাৰ্য্যই সিদ্ধ নহয়, জড় চেতনৰ উৎপত্তি স্থিতি পালনাদি সকলো ব্যৱহাৰ সমাপ্ত থাকে। এই সূৰ্য্য নাৰায়ণ জীৱৰ চকুৰ পৰা চেতনা শক্তি সংকোচ কৰিলে জীৱে প্ৰকাশ ৰহিত হৈ সুষুপ্তি অৱস্থাত জ্ঞানৰ অতীত থাকে অৰ্থাৎ সকলো প্ৰকাৰ চেতনা জ্ঞান বা জ্ঞানৰ ক্ৰিয়া নহা হৈ জড়ৰ নিচিনা থাকে। তেওঁ নাকৰ শ্বাস প্ৰশ্বাস প্ৰাণ শক্তি সংকোচ কৰিলে জীৱৰ মৃত্যু ঘটে। তেওঁ যি জীৱৰ মৰণ ঘটায় সি জীৱৰ মৃত্যু

হয়, যি জগতৰ বতাই ৰাখে সি জীৱিত থাকে। যি জীৱক তথায় সি শুই যায়, যি জীৱক চেতন দি জগায় সি জাগি বা সাৰ পাই চেতন ভাৱে শক্তি বা ক্ষমতা পাই ব্যৱহাৰিক পাৰমাৰ্থিক কাৰ্য্য কৰে। তেওঁ অব্যক্ত অপ্ৰকাশভাৱত একাৰ ৰাতি আৰু ব্যক্ত প্ৰকাশ ভাৱত পোহৰময় দিবা। স্বৰূপ পক্ষত দুয়ো অৱস্থাৰ অতীত। তেওঁ এক স্বতঃ প্ৰকাশ নিৰাকাৰ সাকাৰ বা কাৰণ সূক্ষ্ম স্থূল স্ত্ৰী-পুৰুষ চৰাচৰ জীৱ সমূহক লৈ প্ৰত্যক্ষ ব্যক্ত আৰু পূৰ্ণৰূপে প্ৰকাশমান। তেওঁ স্থূল ৰূপত স্থূলেৰে স্থূলৰ কাৰ্য্য সূক্ষ্মৰে সূক্ষ্ম ৰূপত সূক্ষ্মৰ কাৰ্য্য কৰিছে। অৰ্থাৎ স্থূল পৃথিৱী পানী ৰূপত অন্ন আদি উৎপন্ন কৰি চেতন জীৱ সমূহক স্থূল ভাৱে ৰক্ষা কৰিছে আৰু সূক্ষ্ম চন্দ্ৰমা সূৰ্য্য নাৰায়ণ, জ্যোতিৰূপে জীৱ সমূহৰ স্থূল শৰীৰক আৰু চেতনাক সূক্ষ্মভাৱে পালন বা ৰক্ষা কৰিছে। অভেদ জ্ঞানেৰে জীৱ ব্ৰহ্ম এক বোধ কৰাই মুক্ত স্বৰূপ পৰমানন্দ আনন্দত ৰাখিছে। কাৰণ ৰূপ সমষ্টিক লৈ তেওঁ সদায় য'তে ত'তেই প্ৰকাশমান। তেওঁ জীৱ মাত্ৰৰেই প্ৰয়োজনীয় আৰু উপকাৰী তেওঁ কোনো কল্পিত সম্প্ৰদায় বা সমাজৰ নহয়।

তেওঁ এক সত্য অক্ষৰ পুৰুষ এই আকাশ মন্দিৰত অনাদি কালৰে পৰা স্বতঃ প্ৰকাশ বিৰাজমান। তত্ত্ব বস্তু বিচাৰ কৰি জ্ঞান চকুৰে দেখি লোৱা, তেওঁৰ বাহিৰে কোনোকিছু দ্বিতীয় বস্তু নাই, নাছিল, নহব। ঈশ্বৰ আৰু সত্য। তেওঁ নিজ গুণে জীৱক দয়া কৰি চিনাকি দিলে জীৱই তেওঁক চিনিব পাৰ অৰ্থাৎ জ্ঞান মুক্তি পায় নহলে আন কোনো উপায় জীৱৰ নাই। তেওঁৰে পৰা অৱতাৰ ঋষি-মুনি, স্ত্ৰী-পুৰুষ জীৱ সমূহ উৎপন্ন হৈ তেওঁতেই লয় পায়, তেওঁ সৰ্ব্ব কালেই য'তে ত'তে প্ৰকাশ-

মান, তেওঁৰ কোনো কালতে কোনো ঠাইত কোনো সময়তে অভাৱ নাই।

তেওঁৰ অঙ্গ প্ৰত্যঙ্গৰ শক্তিক জানি যি যি কাৰ্য্য সম্পন্ন হয়, সেই সেই অঙ্গ বা শক্তিৰে সেই সেই কাৰ্য্যভাৰ শৰণাগত ভাৰত মানুহ মাত্ৰেই প্ৰীতিৰে সম্পন্ন কৰি জগতৰ হিত সাধনত যত্নশীল হলে তেওঁ প্ৰসন্ন হৈ সকলো দুখ, অমঙ্গল আঁতৰাই শান্তিময় মঙ্গল বিধান কৰিব। তেওঁ স্বয়ং নিজৰ এক এক অঙ্গ বা এক এক শক্তিৰে জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ, ইন্দ্ৰিয়াদিৰ উৎপত্তি, পালন, স্থিতি বা সমষ্টিক গ্ৰহণ কৰে আৰু জীৱ সমূহক কৰায়, এই কাৰণে তাৰ ভিন ভিন গ্ৰহ দেৱতা নাম কোৱা হৈছে। স্ত্ৰীপুৰুষ জীৱ আৰু জীৱৰ ইন্দ্ৰিয়াদিৰ কল্পিত নাম তেত্ৰিশ কোটি দেৱতা। যেনে কাণৰ দেৱতা দিক্‌পাল। এই সমস্ত দেৱতাৰ মাজত তেজস্বী পবিত্ৰ সমদৰ্শী জ্ঞানী বৰ পূজনীয়। ৰজা-প্ৰজা জীৱ সমূহৰ মাজত পবিত্ৰ পূজনীয় এক সত্য স্বতঃ প্ৰকাশ নিৰাকাৰ সাকাৰ মঙ্গল কাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ। তেওঁৱেই একমাত্ৰ মাতৃ-পিতৃ, গুৰু, আত্মা, পৰমাত্মা পবিত্ৰ শ্ৰেষ্ঠ পূজনীয়। তেওঁৰ বাহিৰে আন, অন্য আৰু মনোত দ্বিতীয় সত্য কোনো নাই, ই ধ্ৰুৱ আৰু সত্য জানিবা।

তোমাৰ অঙ্গ প্ৰত্যঙ্গ ৰূপী এক এক গ্ৰহ দেৱতাৰে তুমি এক এক কাৰ্য্য কৰিছা। চকু দেৱতাৰে ৰূপ জ্ঞান, কাণ দেৱতাৰে শব্দ জ্ঞান, নাক দেৱতাৰে গোন্ধ জ্ঞান, জীভা দেৱতাৰে স্বাদ জ্ঞান ইত্যাদি। কিন্তু এই অঙ্গশক্তি গ্ৰহ দেৱতা সকলকলৈ তুমি অন্তৰে বাহিৰে এজনেই আছা। বাহিৰত এইবোৰ ভিন ভিন ভাৱ হোৱা সত্ত্বেও তুমি অন্তৰে বাহিৰে এজনেই মাথোন। তুমি অন্তৰৰ পৰা দেখিছা, শুনিছা, গোন্ধ পাইছ, স্বাদ পাইছা ইত্যাদি।

এই ৰূপে এক সত্য স্বতঃ প্ৰকাশ পৰমেশ্বৰ ওঁকাৰ বিৰাট পৰ-ব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ বাহিৰত ভিন ভিন গ্ৰহ দেৱতা নাম ৰূপে প্ৰকাশ হৈছে, ভিন ভিন প্ৰকাশ হোৱা সত্ত্বেও অন্তৰত তেওঁ নিৰাকাৰ সাকাৰ সমস্তকে লৈ সৰ্ব্ব শক্তিমান একেজনেই পুৰুষ পূৰ্ণ ৰূপে বিৰাজমান। সমদৃষ্টি সম্পন্ন জ্ঞানী পুৰুষেহে ই বিষয় জানে।

এই প্ৰকাৰ পুৰুষৰ হিন্দু শাস্ত্ৰত যি নৱগ্ৰহ দেৱতা নাম কল্পিত হৈছে তাৰ ভাব এই যে স্ত্ৰী-পুৰুষ জীৱ সমূহৰ যি নটা ইন্দ্ৰিয়-দ্বাৰ তাত এক এক জ্যোতিঃ চেতন শক্তি এক এক প্ৰকাৰৰ ব্যৱহাৰ ভুক্ত সমস্ত গ্ৰহণ কৰিছে। এইয়ে নৱগ্ৰহ দেৱতা। ইয়াকেই মুছলমানসকলে কয় যে—খুদ খোদা সাত তবকৰ ওপৰত থাকে। এনে স্থলত মুছলমানসকল আৰু মানুহ মাত্ৰেই বিচাৰ কৰি বুজা যে খুদ খোদা আৰু তবক কি বস্তু, সত্য নে মিথ্যা? মিথ্যা হলে ই চৰ্চ্চাই নোহাৰে সত্যহে হব। যদি সত্য হয় তেন্তে সত্য একৰ বাহিৰে দ্বিতীয় নাই। এক সত্যই (১) পৃথিৱী তবক জীৱ সমূহৰ হাড় মঙহ, (২) পানী তবক, জীৱ সমূহৰ ৰক্ত ৰস নাড়ী, (৩) অগ্নি তবক, জীৱ সমূহৰ ভোক অন্ন পৰিপাক আৰু পাক শক্তি, (৪) বায়ু তবক, জীৱ সমূহৰ নাকৰ শ্বাস প্ৰশ্বাস, (৫) আকাশ তবক, জীৱ সমূহৰ কাণৰ শব্দ (৬) জীৱ তবক, তৰা তবক—অসংখ্য তৰা বা অসংখ্য জীৱ, আমি তুমি ভিন ভিন বোধ ৭) চন্দ্ৰমা জ্যোতিঃ তবক,—জীৱ সমূহৰ সংকল্প বিকল্পাত্মক মন। এই সাত ভাগে প্ৰত্যক্ষ প্ৰকাশমান হৈ আছে। এই সাত তবকৰ ওপৰে সমদৃষ্টি অভেদ জ্ঞান স্বৰূপ খুদখোদা সুৰ সূৰ্য্যনাৰায়ণ জ্যোতিঃ স্বৰূপ নিৰাকাৰ অব্যক্ত অপ্ৰকাশ আৰু আৰু সাকাৰ ব্যক্ত প্ৰকাশমান ভাবে সাত তবক জীৱ সমূহক

হৈ স্বয়ং সৰ্ব্ব শক্তিমান পূৰ্ণ ৰূপে প্ৰত্যক্ষ প্ৰকাশমান। তেওঁৰ বাহিৰে দ্বিতীয় কোনো সত্য নাই, নাছিল আৰু নহ'ব। ই ধ্ৰুৱ আৰু সত্য জানিবা। মানুহ মাত্ৰেই নিজৰ নিজৰ মান অপমান ভয় পৰাজয় কল্পিত সম্প্ৰদায়িক মিথ্যা এৰি নিৰকাৰ সাকাৰ পূৰ্ণ এক সত্য পৰমাত্মাৰ শৰণা গত হৈ ক্ষমা ভিক্ষা কৰি জগতৰ বা জীৱ সমূহৰ হিত সাধন ৰূপ তেওঁৰ প্ৰিয় কাৰ্য্য কৰা। তেওঁ প্ৰসন্ন হৈ জগতৰ অমঙ্গল আঁতৰাই মঙ্গল বিধান কৰিব, স্ত্ৰী-পুৰুষ জীৱ সমূহেও শান্তি পাব। ই ধ্ৰুৱ আৰু সত্য। যদি মুছলমান বা সাধাৰণ মানুহৰ মাজত কোনোৱে অজ্ঞান বশতঃ মনত ভাবে যে, খুদা'খোদাৰ পৰা এই সাত স্তবক বেলেগ বস্তু অৰ্থাৎ এই প্ৰকাশমান সাকাৰ সমষ্টি এক বেলেগ সত্তা আৰু খোদা, গড্ বা ব্ৰহ্ম নিৰাকাৰ আৰু এটা সত্তা, তেন্তে বিচাৰ কৰি বুজিব লাগিব যে নিৰাকাৰ এক ব্যষ্টি হ'ব, পূৰ্ণ সৰ্ব্ব শক্তিমান সংজ্ঞা হ'ব নোৱাৰিব। সমষ্টিহেই পূৰ্ণ সংজ্ঞা জানিবা। এই আকাশত মিত্ৰৰ বাহিৰে শত্ৰু কোনো নাই, জীৱ সমূহ পৰস্পৰ নিজৰ আত্মা পৰমাত্মাৰ স্বৰূপ, অজ্ঞান বশতঃ ভ্ৰান্তৰ সক ভাবি পৰস্পৰ হিংসা দ্বেষ কৰি সকলোৱেই বৃথা কষ্ট আৰু অশান্তি ভোগ কৰিছে। হিন্দু সকলে যিহকে জ্যোতিঃস্বৰূপ ব্ৰহ্ম বোলে মুছলমান সকলে সেইটোকে খোদাৰ নূৰ বোলে, আৰু সেইটোকেই খ্ৰীষ্টিয়ানসকলে লাইট বা লোগস্ বোলে। সিহঁতে নাজানে জ্যোতিঃ নূৰ আৰু লাইট একেই বস্তু বা পৰমাত্মাৰ নাম। জ্যোতি চকুৰে দেখা যায়। কিন্তু পুৰণা বাইবেলত লিখা আছে—

ঈশ্বৰ দৰ্শনত জীৱৰ মৃত্যু।

ই কিবকম সঙ্গত হয়? ই বিষয় বিচাৰ কৰি সাৰ ভাব গ্ৰহণ কৰা। প্ৰেম ভক্তি পূৰ্ব্বক পৰমাত্মা বা ঈশ্বৰত প্ৰাৰ্থনা

উপাসনাৰে মন শুদ্ধ পবিত্ৰ হৈ যেতিয়া অভেদ জ্ঞান বা এক সত্তা বোধ হয় তেতিয়া এক সত্তা ঈশ্বৰৰ পৰা পৃথক জীৱ ভাব নাথাকে তেতিয়াই জীৱিত থকাতেও জীৱৰ মৃত্যু হয় বা জীৱ অৱস্থা নথাকে। এক সত্তাৰ বাহিৰে দ্বিতীয় সত্তা নাই যে জীৱ বেলেগ এটা সত্তা হব। এক সত্য ঈশ্বৰ বা ব্ৰহ্মৰ পৰাই জীৱ সমূহৰ উৎপত্তি পালন স্থিতি অনাদি কালৰে পৰা হৈ আহিছে, জীৱৰো সত্তা ভাব মৃত্যু কি ৰূপে হব পাৰে? এই সত্যৰ ৰূপান্তৰ উপাধি ভেদে জন্ম মৃত্যু ভাব হয়, যেনে সুষুপ্তিৰ পৰা জাগৰণ, জাগৰণৰ পৰা সুষুপ্তি। এক সত্যৰ উপাসনাৰে যেতিয়া একেই সত্য জ্ঞান হয়, তেতিয়া বেলেগ বেলেগ ভাব বা জ্ঞানৰ লয় হয়, ঈশ্বৰ একেই সত্য পৰমাত্মাক অভেদ ৰূপে দৰ্শন কৰি নিত্য কাল ধৰি তাতেই বিৰাজমান থাকে। বিচাৰৰ দ্বাৰা এই সাৰ ভাব গ্ৰহণ কৰি পৰমানন্দে থাকা।

পথত এডোখৰ হীৰা পৰি থাকিলে গোবৰ খাহ কাটা হাবাৰুৱন মানুহে দেখি তাক সামান্য পাথৰ জ্ঞানে লাথি মাৰি গুচি যায়। কিন্তু এজন জহুৰীয়ে দেখি তাৰ মূল্য বুজি তাক সমাদৰে গ্ৰহণ কৰে আৰু যত্নেৰে ৰাখে। সেই ৰূপ একসত্য স্বতঃ প্ৰকাশ পৰমাত্মা নিৰাকাৰ সাকাৰ জীৱ সমূহক লৈ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্যোতিৰূপে বিৰাজ বা প্ৰকাশমান। সত্য নষ্ট অজ্ঞানী তাক নিচিনি প্ৰকৃতি জড় আৰু মায়া বুলি ঘৃণ কৰি ত্যাগ কৰে। পৰমাত্মাৰ প্ৰিয় জ্ঞানী ভক্ত সকল তাক জানি চিনি অমূল্য ধন বুলি হৃদয়ত ধাৰণ কৰে। কোনো মানুহৰ ঘৰত আলহি আহিলে প্ৰথমতে আদৰ আকোৱালীৰে ভক্তি শ্ৰদ্ধা কৰে, কিন্তু বহুদিন থাকিলে তাৰ প্ৰতি অনাদৰ হয়। সেইৰূপে তেওঁ অনাদি কালৰে পৰা স্বতঃ প্ৰকাশ, তেওঁক মানুহে সদায় দেখা পাই আহিছে সেই কাৰণে তেওঁক অজ্ঞানী সকলে

অনাদৰ কৰে। তেওঁ স্ত্ৰী-পুৰুষ মানুহ মাত্ৰৰেই একমাত্ৰ পূজনীয় উপাস্য দেৱতা, ধৰ্ম্ম জাতি, মাতা, পিতা, গুৰু, আত্মা বা মঙ্গল-কাৰী পৰমাত্মা। তেওঁৰেই অসংখ্য নাম, তেওঁ বস্তুও আছে নামো আছে। আৰু দেৱ, দেৱী, পৰমেশ্বৰ, গড, আল্লা, ব্ৰহ্ম, পৰব্ৰহ্ম ইত্যাদি নানা নামো আছে। কিন্তু তেওঁক এনে বস্তু নাই, যাৰোন কল্পিত নামহে আছে। জ্ঞান চক্ষুৰে বিচাৰ কৰি সত্য বস্তুক লক্ষ্য কৰি বুজিবৰ বৈলে চেষ্টা কৰা। সকল সম্প্ৰদায়ৰ মানুহ মাত্ৰেই পক্ষ-পাত এৰি নিৰপেক্ষ ন্যায় পৰায়ণ, সত্য প্ৰিয়, সত্যবাদী, সৎ অসৎ বিচাৰশীল হৈ মিথ্যাক ত্যাগ সত্যক গ্ৰহণ কৰা। যি যি বিষয় প্ৰকৃত জানে সি বিষয় সি নিজক সত্য জানি সত্যকেহে সত্য কৰা হৈৰে ধৰ্ম্ম। যি লৌকিক শিক্ষিত কিন্তু যি বিষয় প্ৰকৃত বস্তু জ্ঞান নাই যে বস্তু কি, সত্য বস্তু কি সেইটো সত্য ভাৱে কোৱা উচিত যে সত্য বস্তু কি আমি লৌকিক শিক্ষা সংগ্ৰহ কৈছো কিন্তু আমাৰ প্ৰকৃত বস্তু জ্ঞান নাই। এইয়ে লোক হিতকৰ আৰু ইয়াৰ দ্বাৰাই জগত শান্তিময়, শান্তিৰ বিস্তাৰ হয়, ইও ধৰ্ম্ম। এই জ্যোতিঃস্বৰূপ ওঁকাৰ পুৰুষ পৰমাত্মা আৰু তুমি জীৱ সমূহ মাতা-পিতা, পুত্ৰ-কন্যা। মানুহ মাত্ৰৰেই পক্ষপাত শূন্য হৈ ন্যায় পৰায়ণ হৈ বুজিবৰ চেষ্টা কৰা। যি মাতা-পিতাৰ পৰা পুত্ৰ-কন্যা উৎপন্ন হয়, পুত্ৰ-কন্যাৰ কৰ্ত্তব্য যে সেই প্ৰকৃত মাতা-পিতাক জানি চিনি তেওঁৰ চৰণত সৰল ভাৱে সকলো অপৰাধ ক্ষমা ভিক্ষা কৰি শুদ্ধান্তঃকৰণে তেওঁৰ প্ৰিয় কাৰ্য্য সাধন কৰা অৰ্থাৎ মাতা-পিতাৰ যি সময় যি আৱশ্যক হয় সি সময় সেই বস্তু তৎক্ষণাৎ প্ৰীতিৰে দিয়া পুত্ৰ-কন্যাৰ আৱশ্যক না কৰ্ত্তব্য। যাতে পিতা মাতা অসন্তুষ্ট নহয় আৰু পুত্ৰ-কন্যাৰ ওপৰত প্ৰসন্ন হৈ সৰ্ব্বকালে মঙ্গল চেষ্টা কৰে সেইয়ে পুত্ৰ-কন্যাৰ, মাতা-পিতাৰ প্ৰতি কৰ্ত্তব্য।

প্ৰকৃত মাতা-পিতাক এনেকুৱাকৈ কোৱা উচিত নহয় যে এই মাতা-পিতাৰ পৰা আমি উৎপন্ন হোৱা নাই, সিহঁতৰ আদেশ পালন অৰ্থাৎ প্ৰিয় কাৰ্য্য সাধন কিয় কৰিম ? নিজৰ কল্পনাৰে আন মাতা-পিতাৰ পৰা উৎপন্ন হৈছো সিহঁতকেহে মানিম। পিতৃ মাতাৰ প্ৰতি এনেকুৱা ব্যৱহাৰ কিমানদূৰ অবোধ পাতকিৰ কাৰ্য্য আৰু দুখৰ বিষয়। পুত্ৰ-কন্যাৰূপী স্ত্ৰী-পুৰুষ জীৱ সমূহে যি জনৰ পৰা উৎপত্তি পালন স্থিতি অনাদি কালৰে পৰা হৈ আহিছে তেওঁক জানি চিনি তাৰ শৰণাগত হৈ নিজৰ মাতা-পিতা জ্ঞানেৰে তেওঁৰ সকলো কাৰ্য্য ভালৰূপে শ্ৰদ্ধাৰে প্ৰতিপালন কৰা কৰ্ত্তব্য। যি মাতা-পিতাৰ পৰা উৎপন্ন হৈছো, সেই মাতা-পিতাক প্ৰকৃত মাতা-পিতা নাভাবি, বস্তু শব্দ কল্পিত এটা মিথ্যা মাতা-পিতাক পৰমেশ্বৰাদি নাম কল্পনা কৰি ভক্তি বা মান্য কৰিবৰ ইচ্ছা কৰা কিমান দূৰ অধৰ্ম্ম। বিচাৰ কৰি জগৎবাসী মানুহ সকলে নিজৰ প্ৰকৃত মাতা-পিতা নে কোন সিটো দেখিবা। এক সত্য স্বতঃ প্ৰকাশ ওঁকাৰ বিবাদি পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সত্যনাৰায়ণ স্ত্ৰী-পুৰুষ জীৱ সমূহক লৈ সৰ্ব্বশক্তিমান পূৰ্ণ প্ৰত্যক্ষ প্ৰকাশমান। তেওঁৰে পৰা জীৱ আৰু জীৱসমূহৰ স্থূল সূক্ষ্ম শৰীৰৰ উৎপত্তি পালন স্থিতি অনাদি কালৰে পৰা হৈ আহিছে। তেওঁৱেই একমাত্ৰ স্ত্ৰী-পুৰুষ জীৱসমূহৰ গুৰু, আত্মা বা পৰমাত্মা। কিন্তু তথাপি মূৰ্খসকলে স্বীকাৰ নকৰে যে তেওঁৰে পৰা আমাৰ উৎপত্তি পালন স্থিতি হৈ আছে তেওঁই আমাৰ একমাত্ৰ মাতা, পিতা, গুৰু, আত্মা বা পূজনীয় পৰমাত্মা। বস্তু, দেৱ, দেৱী, পৰমেশ্বৰ আদি নাম কল্পনা কৰি স্বীকাৰ কৰে যে আমি তাৰেহে পৰা উৎপত্তি হৈছোঁ, ইয়াৰ পৰা উৎপন্ন হোৱা নাই। জ্ঞানবান মানুহে

সিহঁতৰ বিপৰীত দেখে আৰু জানে যে তেওঁই জীৱৰ একমাত্ৰ পিতা, মাতা, গুৰু, আত্মা, পৰমাত্মা।

এই মঙ্গলকাৰী ওঁকাৰ বিৰাট পৰব্ৰহ্মৰ যি যি প্ৰত্যঙ্গৰে জীৱ সমূহৰ যি যি অঙ্গ প্ৰত্যঙ্গ উৎপন্ন হৈছে ওপৰত লিখা মতে তত্ত্ব বস্তু বিচাৰ কৰিলে সহজে বুজিব পাৰিব। যেনে ওঁকাৰ বিৰাট পুৰুষৰ চৰণ পৃথিৱীৰ পৰা অন্ন আদি উৎপন্ন হৈ স্ত্ৰী-পুৰুষ জীৱ সমূহৰ প্ৰতি পালন আৰু হাড় মঙ্গহৰ গঠন বা উৎপত্তি। তেওঁৰ নাড়ী ৰূপী পানীৰে ৰসপুষ্ট হৈ অন্নাদি উৎপন্ন হৈছে, জীৱই স্নান পান কৰি প্ৰাণ ৰক্ষা কৰিছে আৰু তাৰে জীৱ সমূহৰ ৰক্ত ৰস নাড়ী উৎপন্ন হৈছে, হৈ আছে আৰু হ'ব।

এই মঙ্গলকাৰী জ্যোতিঃস্বৰূপ মাতা পিতা পৃথিৱী পানী প্ৰভৃতি অঙ্গ বা শক্তি নথাকিলে অন্ন আৰু পানীৰ অভাৱত জীৱ-সমূহৰ মৰণ ঘটিব আৰু বিজ্ঞান বা ব্ৰহ্মজ্ঞান লোপ পাব ই বিষয় সম্বন্ধী জ্ঞানীসকলে প্ৰত্যক্ষ জানে আৰু নিঃস্বাৰ্থ মানুহ মাত্ৰেই ইয়াক স্বীকাৰ কৰে। আৰু আন পিনৰ পৰা দেখা ইয়াৰ সৈতে তোমালোকৰ—

ৰজা প্ৰজা সম্বন্ধ।

# সময়োচিত উপদেশ

ৰাজ প্ৰজা, ধনী নিৰ্ধনী, জ্ঞানী অজ্ঞানী, জগৎবাসী মানুহসকল নিজৰ নিজৰ মান অপমান, জয় পৰাজয়, সামাজিক স্বাৰ্থ, সম্প্ৰদায়গত সংস্কাৰ এৰি গম্ভীৰ আৰু শান্ত চিত্তেৰে বিচাৰ কৰি মিথ্যাক ত্যাগ আৰু সত্যক গ্ৰহণ কৰিবা। তাতে তোমাৰ দুখ দূৰ হৈ হিংসা দ্বেষ নিৰ্মূল হৈ চিৰশান্তি লাভ হ'ব, ই ধ্ৰুৱ আৰু সত্য জানিবা।

বিচাৰ শক্তি আছে বুলিহে মানুহ পশুতকৈ শ্ৰেষ্ঠ। বিচাৰ হীন মানুহ পশুৰ সমান। আহাৰ, নিদ্ৰা, মৈথুন, ভয় মানুহ আৰু পশু দুয়োৰে একে ভাৱে ঘটিছে। মাথোন বেলেগ এইয়ে যে, মানুহে বিচাৰ কৰি সত্য মিথ্যা গ্ৰহণ আৰু ত্যাগ কৰিব পাৰে, পশুৱে সেইটো নোৱাৰে। কিন্তু পশুৰ যেনেকৈ বিচাৰ শক্তি নাই, তেনেকৈ কল্পনা শক্তিও পশুৰ নাই। যি যথাৰ্থ পক্ষে নাই, তাক আছে বুলি ধাৰণা কৰি বংশ পৰম্পৰা ক্ৰমে পশুৱে নচলে, কিন্তু মানুহে চলে। নিজৰে যি কাৰ্য্য নহয়, তাৰে নিমিত্ত সেই কাৰ্য্যৰ চেষ্টা পশুৱে নকৰে, মানুহে কৰে। যি বস্তু যেনেকুৱা নহয়, তাক সেইটোৱেই এনেকুৱা ভেদ কৰি এক পশুৱে আন পশুৰ সৈতে বিবাদ বিসম্বাদ সম্ভৱতঃ পৰস্পৰৰ পীড়ন বা মৰণ নঘটায়, মানুহে ঘটায়। অমূলক বস্তু শূন্য শব্দ দ্বাৰা মতামত গঢ়ি ভেদ থকাৰ কাৰণে জীৱপীড়ন বা জীৱহত্যা নকৰে, মানুহে কৰে। কাৰণ বিচাৰ কৰি সত্যক গ্ৰহণ নকৰা মানুহৰ যেনেকুৱা অমঙ্গল পশুৰ তেনে নহয়। সেই কাৰণে ক্ষমতা থকা সত্ত্বেও যি মানুহে বিচাৰ নকৰি জীৱন যাপন কৰে সি পশুৰ সমান।

আন আন শক্তিৰ নিচিনা বিচাৰ শক্তিও ব্যৱহাৰত বাঢ়ে। আজি যি বিষয় বহু চেষ্টাতো বুজিব নোৱাৰিছো, কালি সি বিষয় বুজিব বা বুজিব পাৰিম। গতকালি যি বিষয় বুজা নাই আজি সি বিষয় নিশ্চয় বুজিব। পোহৰ ঠাইত চকু মেলিলেই যেনে দৃশ্য বস্তু দেখা পায়, তেনেকুৱাকৈ বিচাৰ কৰিলে যি আছে সিটো অৱশ্যে জানিব, ই পৰমাত্মাৰ নিয়ম। বুদ্ধিৰে সত্য কি বস্তু থিৰাং কৰিবৰ যি চেষ্টা, তাৰেই নাম বিচাৰ।

মানুহৰ যেনে বিচাৰ শক্তি আছে, তেনে কল্পনা শক্তিও আছে। এই দুটা শক্তিৰ স্বভাৱ পৰস্পৰ বিৰুদ্ধ। যি যেনে বস্তু তাক সেই বস্তু বুলি থিৰাং কৰা যেনে বিচাৰ শক্তিৰ কাৰ্য্য তেনেকৈ কল্পনা শক্তিৰো কাৰ্য্য হৈছে যি বস্তু প্ৰকৃত তেনে বস্তু নহয় তাকে সেই বস্তু বুলি গ্ৰহণ কৰা। যি বস্তু নাই তাক আছে বুলি ধাৰণা কৰাটো কল্পনাৰ কাৰ্য্য। কিন্তু বিচাৰৰ কাৰ্য্য তাৰ বিপৰীত। বিচাৰত যি বস্তু আছে তাক আছে বুলি ধাৰণা হয় যি নাই তাক নাই বুলিয়েই ধাৰণা হয় অৰ্থাৎ যি নাই তাক কল্পনাৰে আছে বুলিলেও বাস্তবিকতে আছে বুলি ধাৰণা নহয়, আৰু কোনেও কিছু নবুলিলেও তাৰ সম্বন্ধে শৰীৰ বা মনৰ কোনো বেপাৰেই নঘটে।

মানুহৰ ভিতৰত কল্পনা বা ভ্ৰম আৰু বিচাৰ বা জ্ঞান এই দুই শক্তি আছে। তাৰ কাৰণে বস্তু অৰ্থাৎ যি বা যিজন যথাৰ্থতে আছে সেই প্ৰকৃত বস্তুক লক্ষ্য কৰি শাস্ত্ৰত আৰু লোক ব্যৱহাৰত দুটা শব্দ প্ৰচলিত আছে। এক সত্য আৰু এক মিথ্যা। যি বস্তু যথাৰ্থ পক্ষে কোনো কালে, কোনো ঠাইত নাই, যি বস্তুক জ্ঞানৰ অভাৱত বা কল্পনা বশতঃ আছে বুলি মনত হয়, বা কোনো স্বাৰ্থ সিদ্ধিৰ কাৰণে যি বস্তুৰ প্ৰচাৰ হয় সিয়েই মিথ্যা। যি বস্তু কোনো

কালে, কোনো ঠাইত, কোনো অৱস্থাতে নাই আৰু যি বস্তু নিৰাকাৰ অপ্ৰকাশ অদৃশ্যেও নাই, সাকাৰ প্ৰকাশ দৃশ্যেও নাই সিয়ো মিথ্যা। মিথ্যা মিথ্যাই, মিথ্যা সকলোৰে ওচৰত মিথ্যা। মিথ্যাৰ পৰা সৃষ্টি জীৱজন্তু, সুখ দুখ কিছুই হব নোৱাৰে। যি বস্তুৰ কাৰণ মিথ্যা, তাৰ কাৰ্য্যও মিথ্যা। যি বস্তুৰ কাৰ্য্য মিথ্যা, তাৰ কাৰণও মিথ্যা। সত্য তাৰ বিপৰীত। যিয়ে বা যি বস্তু সকলো ঠাইতে বা সকল অৱস্থাতে আছে সেই বস্তু সত্য। সত্য বস্তুক আছে বুলিলেও, নাই বুলিলেও আছে। জগতৰ সকলো মানুহে যদি মিথ্যাক আছে বুলি কয়, তথাপি মিথ্যা নাই, আৰু জগতৰ সকলো মানুহে যদি সত্যক নাই বুলি কয়, তথাপি সত্য আছেই আৰু থাকিব। সত্য আজি আছে, অনাদি কালতো আছিল অনন্তকাললৈকো থাকিব। সত্য নিৰাকাৰ, অপ্ৰকাশ অদৃশ্যতো আছে, সাকাৰ প্ৰকাশ দৃশ্যতো আছে। কোনো বস্তু আছে যদি সত্যতে আছে।

জেদ হিংসাৰ কাৰণে জগতৰ মানুহে যে সান্ত যন্ত্ৰণাত বান্ধ খাই আছে, তাৰ কাৰণ সত্য মিথ্যা বিচাৰ নকৰা। কি সত্য কি মিথ্যা নাজানি, নানা জাতি, জাতিগত নানা ধৰ্ম, নানা শাস্ত্ৰ, নানা উপাস্য দেৱতা প্ৰভৃতি কল্পনা বশতঃ নিজৰ জাতি, ধৰ্ম্ম, শাস্ত্ৰ, উপাস্য দেৱতা শ্ৰেষ্ঠ, আৰু আনৰ নিকৃষ্ট ভাবত মানুহৰ মাজত যি বিদ্বেষ, এইয়ে জগতৰ দুখৰ মূল কাৰণ। অথচ জাতি, ধৰ্ম্ম, শাস্ত্ৰ, উপাস্য দেৱতা সত্য নে মিথ্যা, কি বস্তু, কি ৰূপ, কত আছে, সি বিষয় কোনো জনৰো জ্ঞান নাই আৰু জানিবৰ চেষ্টাও নাই। মাথোন মুখেৰেই বাহাদুৰী আৰু কাৰ্য্যত পৰস্পৰৰ পীড়ন। এনেকুৱা মত ভাব, এনেকুৱা ব্যৱহাৰৰ কাৰণে জগতত অশান্তি আৰু দুখৰ সীমা নাই। কোটী জন মানুহৰ মাজত যদি

এজনৰ প্ৰকৃত জ্ঞান হয় যে, জাতি ধৰ্ম শাস্ত্ৰ কি বস্তু, তথাপি সেই পৰমাত্মাৰ প্ৰিয় সমদৰ্শী, জগতৰ হিতসাধক জ্ঞানীৰ কথাত পৰমাত্মা বিমুখ জগতবাসীয়ে কানকেই নিদিয়ে। এই কাৰণে জগতবাসীৰ দুখ মোচন নহয়। কাৰণ ৰজা, প্ৰজা, ধনী, নিৰ্ধনী মানুহ মাত্ৰেই এলাহ ত্যাগ কৰি তীক্ষ্ণভাৱে সকলো প্ৰকাৰ স্বাৰ্থ বুদ্ধি এৰি গম্ভীৰ আৰু শান্ত চিত্তেৰে বিচাৰ কৰি জাতি, ধৰ্ম, শাস্ত্ৰ, উপাস্য দেৱতা প্ৰভৃতি বিষয় মিথ্যাক ত্যাগকৰি সাৰ ভাব বা সত্য বস্তুক গ্ৰহণ কৰক। যাতে জগতৰ অমঙ্গল আঁতৰি শান্তি হয় এইবিষয় মানুহ মাত্ৰেৰেই কৰ্তব্য। সত্যক লাভ কৰাৰ পিচত সকলো ভ্ৰম আৰু অশান্তি আঁতৰিলে সহজে বুজিব যে চেতন জীৱ মাত্ৰেই নিজৰ আত্মা পৰমাত্মা স্বৰূপ। সেই জ্ঞানেৰে সকলোৱে মুক্ত স্বৰূপ হৈ পৰস্পৰৰ মঙ্গল চেষ্টা কৰিব আৰু জগত শান্তিময় হ'ব। এই যি জগত দেখিছা, শুনিছা আৰু আন সাৰ ভাবি ব্যৱহাৰ কৰিছা ই সত্য নে মিথ্যা? যদি ইয়াৰ কাৰণ কাৰণ-ৰূপী পৰমাত্মা সত্য হয়, তেন্তে কাৰ্য্য ৰূপী জগতো সত্য। যদি পিতৃমাতৃ সত্য হয়, তেন্তে পুত্ৰ কন্যাও সত্য। যদি পুত্ৰ-কন্যা মিথ্যা হয়, তেন্তে মাতাপিতাও মিথ্যা। পিতা-মাতৃ ৰূপী পৰমাত্মা সত্য হলে তুমি পুত্ৰ-কন্যা ৰূপী জীৱ সকলো সত্য। তুমি মিথ্যা হলে তেওঁলোকো মিথ্যা। যি বস্তু নিশ্চয় যথাৰ্থতে আছে তাকেই নাম সত্য আৰু যি বস্তু নাই তাকেই মিথ্যা, তেন্তে সহজে জানা যে সত্য এক অদ্বিতীয় স্বতঃ প্ৰকাশ। সত্যক প্ৰকাশ কৰিবৰ কাৰণে আন এক সত্যৰ প্ৰয়োজন নাই। নিৰাকাৰ সাকাৰ কাৰণ সূক্ষ্ম স্থূল সৰ্বশক্তিমান, প্ৰত্যক্ষ পূৰ্ণৰূপে পৰব্ৰহ্ম প্ৰকাশমান দ্বিতীয় আন কোনো সত্য নাই। সমদৰ্শী জ্ঞানী মাত্ৰেই ই বিষয় জানে। এই পূৰ্ণক লক্ষ্য

কৰিবলৈকে শাস্ত্ৰত দুটা নাম বা সংজ্ঞা কল্পিত হৈছে। এক নিৰাকাৰ, নিৰ্গুণ অব্যক্ত আৰু এক সাকাৰ সগুণ ব্যক্ত, প্ৰকাশ। এই সাকাৰ নিৰাকাৰ তত্ত্ব বা সাৰ বস্তু একজনেই পুৰুষ। যি সকল নাম বা সংজ্ঞা উল্লেখ হল সেই সকল তাৰেই উদ্দেশ্য তাকেই লক্ষ্য কৰি কল্পিত হৈছে। তেওঁ নাথাকিলে নাম কল্পনাও নাথাকিলহেঁতেন, নাম কল্পনাৰ কৰ্ত্তাও নাথাকিলহেঁতেন। যি ইন্দ্ৰিয়ৰ অগোচৰ, বুদ্ধি জ্ঞানৰো অতীত, সেই বস্তুক বা অৱস্থাক নিৰাকাৰ নিৰ্গুণ বোলে। যি বস্তুক দেখা নাযায়, শুনা নাযায়, হাতেৰে স্পৰ্শ কৰা নাযায়, যি বস্তুৰ সোৱাদ নাপায়, যি বস্তুক মনেৰে ধাৰণা কৰা নাযায়, সেই সাৰ তত্ত্ব, বস্তুৰ সেই ভাৱ বা অৱস্থাকেই নিৰাকাৰ নিৰ্গুণ বোল। এই বস্তুৰেই এই যে আন এক ভাৱ বা অৱস্থা আছে, যি অৱস্থাত নেকি দেখা শুনা আদি সকলো প্ৰকাৰৰ ইন্দ্ৰিয়ৰে ধৰা যায়, সেই ভাব বা অৱস্থাক সাকাৰ সগুণ বোলে। যি কোনো কাজ, কৰ্ম্ম, ব্যৱহাৰ, সেই সাকাৰকে লৈ হয়, নিৰাকাৰত সকলো প্ৰকাৰ ব্যৱহাৰ নচলে। যেনেকুৱা যি চেতন তোমাৰ সুষুপ্তি অৱস্থাত ভেদ, অভেদ, ভাল মন্দ, জ্ঞান অজ্ঞান, আমি তুমি, উপাস্য উপাসক, জাতি সম্প্ৰদায়, ধৰ্ম্ম অধৰ্ম্ম, শাস্ত্ৰ অশাস্ত্ৰ ইত্যাদি কোনো জ্ঞান নাথাকে, জ্ঞান নাই ই জ্ঞানও নাথাকে। পিছত সেই অৱস্থাৰ শেষত জাগৰণ অৱস্থা ঘটিলে ধৰ্ম্ম, জাতি, পৰমেশ্বৰ, জীৱ ইত্যাদি জ্ঞান হয়, আৰু সুষুপ্তি অৱস্থা যে জ্ঞানৰ অতীত সি বিষয়ও তেতিয়া বোধ হয়। সাকাৰ সম্বন্ধে জ্ঞান আৰু ব্যৱহাৰ আছে, সেই কাৰণে নিৰাকাৰ নিৰ্গুণ সম্বন্ধে জ্ঞান বা কথা আছে, নহলে, নিৰাকাৰ সম্বন্ধে কথা বা জ্ঞান নাথাকিলহেঁতেন। যেনে জাগ্ৰত সুষুপ্তিত তুমি ভিন ভিন মানুহ বা বস্তু

নোহোৱা, একেই চেতন বা মানুহ, তেনেকুৱাই সাকাৰ নিৰাকাৰ দুয়ো অৱস্থাত একেই পুৰুষ বা বস্তু। এই দুটা একেই পুৰুষ বা বস্তুৰ ভিন ভিন ভাব বা অৱস্থা মানুহ বা বস্তু একেই সত্য।

সেই একেই সত্য বস্তু আঠটা ৰূপে বা মূৰ্ত্তিতে প্ৰকাশমান। অহংকাৰ নামৰ বস্তুক এৰি সাতটা ৰূপ। তেওঁ ভূ ভুব আদি সাতটা মহাব্যাহৃতি অৰ্থাৎ তেওঁৱেই মাটি, পানী, অগ্নি, বতাহ, আকাশ, চন্দ্ৰমা আৰু সূৰ্য্যনাৰায়ণ এই সাতটা ৰূপত অনাদি। তাৰে পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূলশৰীৰৰ আৰু ইন্দ্ৰিয়াদি যুক্ত সূক্ষ্ম শৰীৰৰ উৎপত্তি পালন লয় হৈছে। যেনে হাত ভৰি আদি অঙ্গ প্ৰত্যঙ্গৰ সমষ্টি স্থূল শৰীৰ আৰু চকু কাণ আদি ইন্দ্ৰিয় মন বুদ্ধিৰ সমষ্টি সূক্ষ্ম শৰীৰ লৈ চেতন জীৱক ভিতৰ পিনৰ পৰা দেখিলে একে পুৰুষ, কিন্তু বাহিৰ পিনৰ পৰা দেখিলে ভিন ভিন অঙ্গ প্ৰত্যঙ্গ বুলি বোধ হয়, যি জনৰ এক এক বস্তুৱে এক এক প্ৰকাৰ ভিন ভিন কাৰ্য্য হৈছে তেনেকুৱাই বিৰাট পৰমাত্মা অৰ্থাৎ যি জনৰ নাম ওঁকাৰ তাৰ ভিন ভিন অঙ্গ প্ৰত্যঙ্গ আৰু শক্তি ৰূপী এই বিচিত্ৰ জগত যি জগতত এক এক অঙ্গ প্ৰত্যঙ্গ শক্তিৱে এক প্ৰকাৰৰ ভিন ভিন কাৰ্য্য সম্পন্ন হৈছে। কিন্তু ভিতৰ পিনৰ পৰা দেখিলে তেওঁ একেই পুৰুষ। বাহিৰত এক ভিতৰত এক। তেওঁ জগতৰ সমস্ত চিত্ৰ বিচিত্ৰক লৈ অনাদি অনন্ত পূৰ্ণ ৰূপে য'তে ত'তেই। বাহিৰ ভিতৰ, ব্যক্তি শক্তি বা নক্সক লৈ তেওঁ এক আৰু পূৰ্ণ।

বেদ উপনিষদাদি পুৰাণ শাস্ত্ৰত এই এক সত্য মঙ্গলময় ওঁকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপৰ বৰ্ণনা আছে যে সূৰ্য্য নাৰায়ণ তেওঁৰ জ্ঞান চকু চন্দ্ৰমা জ্যোতিঃ মন, আকাশ মূৰ, বায়ু প্ৰাণ,

অগ্নি, মুখ, পানী নাড়ী, পৃথিৱী তেওঁৰ চৰণ। এই অষ্ট শক্তি বা বস্তুৰে এক এক প্ৰকাৰ ভিন ভিন কাৰ্য্য হৈছে। ওঁকাৰ বিৰাট পুৰুষ জ্যোতিঃ স্বৰূপৰ যি সাত অঙ্গৰ উল্লেখ কৰা হল, সেই সকলৰ পৰস্পৰ সম্বন্ধ বুজাবৰ কাৰণে উৎপত্তি লয়ৰ প্ৰণালী যি অৱস্থাৰ নাম অনুলোম বিলোম তাৰ বিচাৰ কৰা আৱশ্যক কাৰণে গম্ভীৰ আৰু শান্ত ভাৱেৰে বিচাৰ কৰি সাৰ ভাব গ্ৰহণ কৰা।

মিথ্যাৰ পৰা কেতিয়াও সত্য বা সৃষ্টি হব নোৱাৰে আৰু সত্য কেতিয়াও মিথ্যা হব নোৱাৰে। সত্য সত্যই থাকে। সত্য বা বস্তু কেতিয়াও এক ভিন্ন দুই হব নোৱাৰে। সত্যৰে পৰা সমস্ত ভাব আৰু বস্তু উৎপন্ন হয়। একমাত্ৰ সত্য স্বৰূপ পৰমাত্মা সৰ্ব্বশক্তিমান পৰিপূৰ্ণ। সেই সত্য স্বৰূপে নিৰাকাৰ পৰব্ৰহ্ম কাৰণ সূক্ষ্ম স্থূল জগত সাকাৰ। ব্ৰহ্ম ভাবৰ নাম কাৰণ, শক্তি ভাবৰ নাম সূক্ষ্ম, আৰু জড় ভাবৰ নাম স্থূল। সূক্ষ্ম কৰ্ত্তা চেতন। স্থূল কাৰ্য্য জড়। এই যি জগৎ বোধ হৈছে সূক্ষ্ম শক্তিত সিটো লয় হয়, সূক্ষ্ম কাৰণ পৰব্ৰহ্মত লয় হয়। স্থূল সূক্ষ্ম নিজৰ উৎপত্তিৰ স্থান কাৰণত নিৰাকাৰ ভাৱে থকাৰ কাৰণে অজ্ঞান মানুহ সকলে এই দৃশ্যমান সাকাৰ জগতক মিথ্যা বোলে, কিন্তু বাস্তৱতে জগৎ মিথ্যা নহয়। সত্যৰে পৰা হৈছে, কি প্ৰকাৰে মিথ্যা হব? মাথোন ৰূপান্তৰ ঘটে। স্থূল বস্তু অগ্নিৰ সঙ্গ বশতঃ প্ৰথমতে তৰল পানী হৈ পিছত অগ্নিৰূপ হয়, অগ্নি নিৰ্ব্বান হৈ বায়ু ৰূপ হয়, বায়ু নিৰ্ব্বান হৈ আকাশ হয়, আকাশ সূক্ষ্ম হৈ অৰ্দ্ধমাত্ৰা অৰ্থাৎ চন্দ্ৰমা জ্যোতিঃ হয়, অৰ্দ্ধমাত্ৰা সূৰ্য্য নাৰায়ণ বিন্দু হয়, বিন্দু কাৰণ ব্ৰহ্মত লয় হয়। এইয়ে বিলোম বা প্ৰতিলোম। আৰু আন পিনৰ পৰা দেখা, কাৰণ ব্ৰহ্মৰ পৰা বিন্দু, বিন্দুৰ পৰা

অৰ্দ্ধমাত্ৰা, অৰ্দ্ধমাত্ৰাৰ পৰা আকাশ, আকাশৰ পৰা বায়ু, বায়ুৰ পৰা অগ্নি, অগ্নিৰ পৰা পানী, পানীৰ পৰা পৃথিৱী। এই বহু বিস্তাৰ ভাৱৰ নাম অনুলোম। অনুলোম বিলোম এই দুই গতি নিত্য।

বিৰাট পৰব্ৰহ্মৰ এই সাত অঙ্গৰ পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ। ইয়াৰ কিহেৰে কি দোষ উৎপন্ন হৈছে সি বিষয় আগতে দেখিছা। পৃথিৱীৰে হাড় মঙহ ইত্যাদি। সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্বৰূপ তোমাৰ ভিতৰ মস্তিষ্কত আৰু বাহিৰে আকাশত বিৰাজমান। তাৰ বাহিৰৰ প্ৰকাশ গুণেৰে তুমি চকুৰে ব্ৰহ্মাণ্ড ৰূপ দেখিছা, ভিতৰৰ চেতন গুণেৰে বোধ পাব লাগিছা যে, "এই আমি আছো" আৰু সৎ অসৎ বিচাৰ কৰিছা। তেওঁ বাহিৰৰ প্ৰকাশ গুণ সংকোচ কৰিলে চকুৰে আৰু একোকে দেখা নাপায়। কিন্তু এন্ধাৰ বাটিতেও তুমি চেতন পুৰুষ বোধ কৰা যে "আমি আছো।" এই চেতন বা গুণ সংকোচ কৰিলে তুমি আৰু সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্বৰূপ এক হৈ অভেদ নিৰাকাৰ নিৰ্গুণ কাৰণত স্থিত হৈছা। নিৰাকাৰ ভাৱত পৰমাত্মা বা জীৱাত্মাৰ কোনো নাম, ৰূপ, গুণ উপাধি নাই; নাম, ৰূপ, গুণ, উপাধিৰ সমষ্টি যে সাকাৰ সিটোৱে ব্ৰহ্ম বা জীৱৰ সাকাৰ ভাৱ। সাকাৰৰ মাজত চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতিয়ে পৰমাত্মা আৰু জীৱাত্মাৰ ৰূপ।

যি কোৱা হল সেই মতে যথাৰ্থ কি আছে সিটো ধৰিব পাৰিলে জীয়ে কল্পনা আৰু সংস্কাৰৰ পৰা মুক্ত হয়। যি বস্তু বাহিৰে ভিতৰে আছে সিয়ে যথাৰ্থ আৰু বাস্তৱ, যি মনত আছে বাহিৰত নাই সেইয়ে কল্পনা। ইয়াকে নুবুজি সাকাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপৰ অতিৰিক্ত উপাস্য দেৱতা ধৰ্ম, জাতি আদি কল্পনাৰে জীৱৰ সৰ্ব্বনাশ ঘটিছে। কাৰণ নামধাৰী ঋষি,

মুনি, পণ্ডিত, মৌলবী, পাদ্রী ইত্যাদি সকল তুমি অকপট সরল ভাবেরে নিষ্কাম চিত্তেরে যি নিজর অন্তরত প্রকাশ আছে সিটো সত্যক বাহিরত প্রকাশ করি কোৱা "আমি প্রকৃত পক্ষে নাজানো জাতি, ধর্ম, উপাস্য দেৱতা, দেব-দেবী, গড, পরমেশ্বর, অল্লাহ খোদা অর্থাৎ পূর্ণ পরব্রহ্ম জ্যোতিঃ স্বরূপ কি বস্তু কত আছে। আনর মুখত শুনি কিরূপে সংস্কার হৈছে সেই রূপে উপদেশ দিছো। জন্মর আগত আমার সংস্কারও নাছিল যে জাতি, ধর্ম, উপাস্য দেৱতা, এনে কি, আমি নিজে কি বস্তু, দ্বৈত বা অদ্বৈত শূন্য বা স্বভাব। আমার অহঙ্কার বৃথা। আমার কিহর মান অভিমান অহঙ্কার? সকলোরেই মূর্খ অৱস্থাত জন্মিছো। কোনেও সংস্কৃত, ইংরাজি, পারসী, উর্দু, বঙ্গলা ইত্যাদি বিদ্যা লগত লই জন্মা নাই। মূর্খ অৱস্থাত জন্মি এটা এটা অক্ষর ক, খ, গ, ঘ, ইত্যাদি পঢ়ি পঢ়ি বর্তমান নাম ঋষি মুনি ইত্যাদি পাইছো"। এনেকুৱা সরল ভাবে সত্য প্রকাশ করিলে যি বস্তু যথার্থতে আছে ত্রৈলোক্যর অন্তরত প্রকাশ হে সকলো অমঙ্গল আতরাব, সকলোরে মঙ্গল স্থাপনা করিব। ইয়াক ধ্রুব আরু সত্য বুলি জানিবা।

যদি ই বিষয়ত তোমার প্রকৃত জ্ঞান থাকিল হেতেন তেনেহলে তুমি জাতি ধর্ম উপাস্য দেৱতা লৈ পরস্পর বিবাদ বিসম্বাদ হিংসা দ্বেষ বশতঃ অশান্তি ভোগ নকরিব হৈতেন। জাতি ধর্ম উপাস্য দেৱতা সত্য নে মিথ্যা? যদি কোৱা সত্য, তেন্তে সত্য বোলিয়া এক আরু অদ্বিতীয় তেন্তে জাতি ধর্ম উপাস্য দেৱতা লৈ বিবাদ বিসম্বাদর থাই কত? আরু যদি কোৱা মিথ্যা, তেন্তে সকলোরেই জাতি ধর্ম উপাস্য দেৱতা সেই একেই মিথ্যা। তেনে হলেও বিবাদ বিসম্বাদর ঠাই কত?

উপাস্য দেৱতা আৰু ধৰ্ম্ম সূক্ষ্ম বিষয়। মনৰ বুদ্ধি পৰিষ্কাৰ নহলে সি বিষয় উপযুক্ত ধাৰণা হব নোৱাৰে। কিন্তু জাতি যে কি বস্তু সিটো তুমি সকলেই মনে কৰা যে জানা। জাতি ৰক্ষাৰ কাৰণে তুমি সদায় চেষ্টা কৰা। জাতি গল নে থাকিল, জাতি বস্তুটো গলে উন্নতি আহিব নে নাহিব, সেই বিষয় লৈ তুমি দিনে ৰাতি চিন্তা কৰা। সেই কাৰণে জাতি যে কি বস্তু, কত আছে, কি ৰূপ, সি বিষয় বুজিব আৰু জানিবলৈ তোমাৰ সকলোৰেই কৰ্ত্তব্য।

যিয়ে নিজৰ জাতি প্ৰকৃত পক্ষে কি বস্তু সিটোকে নাজানে, সি কি প্ৰকাৰে নিজৰ জাতিগত ধৰ্ম্ম উপাস্য দেৱতা পৰমেশ্বৰক জানি নিজে মানিব আৰু আনকো সদাই তাৰ মৰ্ম্ম কৰিব। যিহেতু কাৰণে তুমি মৰিবলৈ লাগিছা বাচিব লাগিছে সেই জাতিৰ সম্বন্ধেই যেতিয়া যথাৰ্থ জ্ঞান নাই, তেন্তে ৰক্ষাগুৰ তেনে শাস্ত্ৰ পঢ়া না পঢ়া একেকথা কিন্তু সি মাথোন বৃথা পণ্ডশ্ৰম। জাতি কি বস্তু নাজানি নিজৰ জাতিক শ্ৰেষ্ঠ বুলি যি অভিমান কৰি আছা সি কিহৰ অহঙ্কাৰ? এই হাড় মঙহৰ পুতলা স্থূল শৰীৰক জাতি বুলি জানি অহঙ্কাৰ? নাইবা এই স্থূল শৰীৰৰ নাকক জাতি বুলি অহঙ্কাৰ? নে এই শৰীৰৰ চাল চামৰা ৰক্ত ৰস মঙহ মজ্জাক জাতি বুলি জানি তাৰ শ্ৰেষ্ঠত্বৰ কাৰণে অহঙ্কাৰ আৰু আনৰ শৰীৰৰ সেই সেই বস্তুৰ নিকৃষ্টতা জানি ঘিণ নে চেতন জীৱাত্মাক এক মাত্ৰ উৎকৃষ্ট বোলাৰে প্ৰীতি আৰু মাৰে নিকৃষ্ট বোলে ঘিণ কৰা নে বগা কলা ছালৰ সকল গুণৰ ওপৰত নজৰ ৰাখি একেনক ভাল আনক বেয়া বোলেৰে জাতি নিন্দা কৰা? কোন্ তত্ত্বৰ অভাৱ বা তাৰতম্যক তুমি জাতি বুলি কোৱা যে তাৰ কাৰণে

এক পিনে অহঙ্কাৰ আৰু আন পিনে বিপ ? ওঁকাৰ বিৰাট পৰব্ৰহ্মৰ কোন্ শক্তি বা অঙ্গ বা গুণ এক জীৱত আছে আৰু আন জীৱত নাই যে সেই কাৰণে এজনক উচ্চ জাতি বুলি সন্মান কৰা আৰু আন জনক নীচ জাতি বুলি অমান্য কৰা ?

ইয়াৰ আগতে দেখি আহিছো যে, ওঁকাৰ জ্যোতিঃস্বৰূপ বিৰাট পৰব্ৰহ্ম নিৰাকাৰ নিৰ্গুণ সাকাৰ সগুণ। নিৰাকাৰ নিৰ্গুণ অৱস্থা বা ভাৱত জাতি ধৰ্ম উপাস্য দেৱতা নাই, সেই অৱস্থাত বা ঠাইত সকলো ব্যৱহাৰ সমাপ্ত। সাকাৰ সগুণ ভাৱ যে পৃথিৱী পানী আদি সাত সৃষ্টি সেই বিষয় আগতে কৈ অহা হৈছে। এই সাত তত্ত্বকেই জাতি বুলি ধৰিলো। পৃথিৱী জাতি, পানী জাতি, অগ্নি জাতি, বায়ু জাতি, আকাশ জাতি, চন্দ্ৰমা জ্যোতিঃ জাতি, সূৰ্য্য নাৰায়ণ জাতি। এই সাত জাতিয়ে কিদৰে কি কাৰ্য্য হৈছে সেই বিষয় আগতে দেখি আহিছো। তাৰ চৰণ পৃথিৱী জাতিয়ে অন্ন উৎপন্ন হৈছে, ইন্দ্ৰিয় সমূহ উৎপন্ন হৈছে ইত্যাদি। নিৰাকাৰ বা সুষুপ্ত অৱস্থাত জাতি সংজ্ঞা নাই। বস্তু বিচাৰ কৰি সহজেই বুজিছো যে, এক সত্য ওঁকাৰ বিৰাট পৰ ব্ৰহ্মৰ শক্তি বা অঙ্গ প্ৰত্যঙ্গ জাতিৰ পৰা স্ত্ৰী-পুৰুষ জীৱ সমূহৰ স্থূল সূক্ষ্ম শৰীৰ ইন্দ্ৰিয় জাতি ধৰ্ম আদিৰ উৎপত্তি, পালন লয় অনাদি কালৰে পৰা হৈ আহিছে আৰু অনন্ত কাল হৈ থাকিব। এনে অৱস্থাত যদি চৰ্ম্ম মগজ, মল মূত্ৰৰ পুতলি স্থূল শৰীৰকেই জাতি বুলি বোধ কৰা তেনে হলে পৃথিৱী পানী আদি তত্ত্বৰে উৎপন্ন যিমান স্থূল শৰীৰ সকলোৱেই এক জাতি, ভিন ভিন জাতি নহয়। যদি দশ ইন্দ্ৰিয়ক বা তাৰ মাজত কোনো এটাক জাতি বুলি বোধ কৰা, তেন্তে আগত দেখি আহিছো ওঁকাৰ পুৰুষৰ কোন্

কোন্ অঙ্গ বা তত্ত্বৰ পৰা কোন্ কোন্ ইন্দ্ৰিয় উৎপন্ন হৈছে। যি অঙ্গ বা তত্ত্বৰ পৰা যি ইন্দ্ৰিয় এক জীৱত উৎপন্ন হৈছে সি তত্ত্বৰ পৰা সি ইন্দ্ৰিয় সকলো জীৱতেই উৎপন্ন হৈছে। যি ইন্দ্ৰিয়ৰ যি গুণ বা ধৰ্ম সিটো প্ৰত্যেক জীৱতেই সমান ভাৱে বৰ্ত্তমান আছে। চকুৰে সকল জীৱৰেই ৰূপ জ্ঞান, কাণেৰে সকলোৰেই শব্দ জ্ঞান ইত্যাদি। তেন্তে বিচাৰত জানা গল সকলোৰেই এক জাতি। যদি জীৱ চেতনকে স্বতন্ত্ৰ কোনো জাতি বুলি ভাবা, তেন্তে প্ৰত্যক্ষ ভাবে দেখিছা উঁহাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণৰ পৰা জীৱ চৈতন্যৰ উৎপত্তি লয় আৰু জীৱ মাত্ৰৰেই জন্ম মৰণ সুখ, দুখ সমভাৱে ঘটিছে। তেন্তে বিচাৰত জানা গল যে জীৱ সমস্ত এক জাতি আৰু সেই জাতি হৈছে উঁহাৰ বিৰাট পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ। তেওঁ পূৰ্ণ পৰব্ৰহ্ম জ্যোতিঃ স্বৰূপ অনাদি অনন্ত এক বিৰাজমান। তেওঁ স্থূল পৃথিবী পানী তত্ত্বৰ জীৱক পালন কৰিছে, সূক্ষ্ম চন্দ্ৰমা সূৰ্য্য নাৰায়ণ জ্ঞানময় জ্যোতিঃ ৰূপে জীৱৰ অন্তৰত আত্ম দেখাই মুক্তি স্বৰূপ পৰমানন্দৰ আবিৰ্ভাৱ কৰিছে। কাৰণ স্বগত তেওঁ সাকাৰ সৃষ্টিক লৈ পূৰ্ণ ৰূপে যাক ফাট বিৰাজমান। এই অসীম আকাশত এক সত্তাই থিৰ। তেওঁৰ বাহিৰে দ্বিতীয় সত্তা শক্তি কোনো নাই। অজ্ঞান বশতঃ স্ত্ৰী-পুৰুষ জীৱ সকল বহু শুদ্ধ কল্পনাৰ পৰিচালিত হৈ শত্ৰু মিত্ৰ ভাৱত অশান্তি ভোগ কৰিছে। বিচাৰ কৰি নিস্বাৰ্থ ভাৱে এক বস্তু গ্ৰহণ কৰিলে সকলো অশান্তি আঁতৰি জগৎ আনন্দময় হব। ইয়াক ধৰ্ম আৰু সত্য সত্য বুলি জানিবা।

স্ত্ৰী পুৰুষ জীৱ সমূহৰ স্থূল জাতি পানী, সূক্ষ্ম জাতি জ্যোতিঃ স্বৰূপ, চন্দ্ৰমা সূৰ্য্যনাৰায়ণ। অজ্ঞান বশতঃ অসংখ্য ভুৱা জ্যোতিঃ

অৰ্থাৎ জীৱ জ্যোতিঃ ভিন্ন ভিন বোধ হৈছে। সদৃষ্টি জ্ঞান অৰ্থাৎ জীৱ ব্ৰহ্মৰ অভিন্ন বোধ হলে এক পৰব্ৰহ্মৰ অসংখ্যাত জীৱ জ্যোতিঃ ৰূপে ভিন ভিন নাম ৰূপ বোধ হোৱা সত্বেও সূৰ্য্য নাৰায়ণ চন্দ্ৰমা জ্যোতিঃ জীৱ সমূহক লৈ একত্বেই সত্য নিৰাকাৰ সাকাৰ সৰ্ব্ব শক্তিমান পূৰ্ণ ৰূপে বোধ হয়।

সৰ্ব্ব বেদ শাস্ত্ৰৰ সাৰ ব্ৰহ্ম গায়ত্ৰীৰ শেষত পাঠ হয়, "ওঁ আপঃ জ্যোতিৰসো মৃতং ব্ৰহ্ম।" পণ্ডিত সকলে ভূৰ্লোক পৃথিৱীক বোলে, ভুৱৰ্লোক অন্তৰীক্ষ অৰ্থাৎ মধ্যত আছে আৰু স্বৰ্লোক স্বৰ্গ। এক ওঁকাৰ পুৰুষ জ্যোতিঃ স্বৰূপৰ তিনি লোকত তিনি প্ৰকাৰৰ জ্যোতিঃ ৰূপে প্ৰকাশমান। তেওঁৰ তিনি ৰূপ প্ৰত্যক্ষ। স্ত্ৰী-পুৰুষ জীৱ সমূহৰ নাভীত জঠৰাগ্নি ৰূপ ভূৰ্লোক অৰ্থাৎ পৃথিৱীৰ অংশ হোৱা সকলৰ স্থূল শৰীৰ ভূৰ্লোক। অন্তৰীক্ষ লোক জীৱ সমূহৰ শ্বাস প্ৰশ্বাস ৰূপ প্ৰাণ বায়ু। তাৰ ৰূপ চন্দ্ৰমা জ্যোতিঃ, স্থূল জীৱৰ জীৱনৰ ৰস, ৰক্ত, নাড়ী পানী। স্বৰ্লোক জ্যোতিঃ স্বৰূপ সূৰ্য্য নাৰায়ণ। সূৰ্য্য নাৰায়ণ জ্যোতিঃ স্ত্ৰী-পুৰুষ জীৱ সমূহৰ মগজ দৃষ্টিৰূপে অৱস্থিত বা অন্তৰ জ্ঞান। এইদৰে তিনি লোক আৰু তিনি লোকত প্ৰকাশমান জ্যোতিঃ বা স্থূল সূক্ষ্ম ৰূপ। সূৰ্য্য নাৰায়ণ গাত জীৱ আৰু ব্ৰহ্মৰ ৰূপ। তেওঁ বহি অতীত নিৰাকাৰ, সকল ৰূপ আৰু আকাৰ বৰ্জ্জিত।

"ওঁ আপঃ জ্যোতি ৰসোহমৃতং ব্ৰহ্ম" অৰ্থাৎ এক সত্য ওঁকাৰ বিৰাট পৰব্ৰহ্ম আপঃ অৰ্থাৎ পানী জ্যোতিঃ বা অমৃতৰূপী চন্দ্ৰ, সূৰ্য্যনাৰায়ণ স্বতঃ প্ৰকাশ। অগ্নি বা জ্যোতিঃ চন্দ্ৰমা সূৰ্য্য নাৰায়ণ অগ্নি বিদ্যুৎ ৰূপে জীৱ আৰু প্ৰাণ বায়ু। অমৃত ৰসাত্মক চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতিৰ পৰা পানী হৈছে। পানী জমি বা গাঢ় হৈ পৃথিৱী হৈছে, পৃথিৱীত অন্ন আদি উৎপন্ন হৈ চেতন

জীৱ প্ৰতিপালিত হয়। জীৱৰ স্থূল শৰীৰ পানী বা ৰস, জীৱ চেতনা অমৃত বা জ্যোতিঃ। চন্দ্ৰমা সূৰ্য্যনাৰায়ণ জ্যোতিৰ পৰা জীৱ বিমুখ, সেই কাৰণে অজ্ঞান বশতঃ জন্ম মৃত্যু, কালৰ ভয়, পৰস্পৰ হিংসা, দ্বেষ, অশান্তি আৰু দুখ। ঔ জ্যোতিঃ স্বৰূপ চন্দ্ৰমা সূৰ্য্যনাৰায়ণত নিষ্ঠা, ভক্তি থাকিলে জীৱে অভেদ জ্ঞান পাই মুক্তি স্বৰূপ পৰমানন্দ শান্তি ভোগ কৰে।

জাতি সম্বন্ধে তোমাৰ যি ভাবে ভুল ধাৰণা, তেনেকুৱাকৈ অধিকাৰী অনধিকাৰী সম্বন্ধেও ভুল ধাৰণা হৈ আছে। পাৰমাৰ্থিক সম্বন্ধেও অধিকাৰ অনধিকাৰ কল্পনাৰে জগতত দুঃখ অমঙ্গল সৃষ্টি হোৱাৰ আগতে বিচাৰ কৰি চুৱা যে, যি জনক অধিকাৰী বুলি ভাবা সেইজনে জাতি বা ৰূপ কি, আৰু কি বস্তু। যি জনক অনধিকাৰী বুলি ভাবা, তেওঁৰেই জাতি ৰূপ কি আৰু কি বস্তু। অধিকাৰী আৰু অনধিকাৰী দুয়োৰে অস্তিত্ব বা স্থিতি ক'ত? যি জনক অধিকাৰী বুলি ভাবিছা, তেওঁৰ যি জাতি যি ৰূপ আৰু যি বস্তু সেই জাতি ৰূপ বা বস্তু সত্য হৈ সত্যৰ অধিকাৰী নে, মিথ্যা হৈ মিথ্যাৰ অধিকাৰী? মিথ্যা মিথ্যাই। যি বস্তু কোনো কালত নাই সেইয়ে মিথ্যা। মিথ্যা কেতিয়াও অধিকাৰী অন-ধিকাৰী বা অধিকাৰ অনধিকাৰৰ বিষয় বা বস্তু হোৱাটো নোৱাৰে; হোৱা অসম্ভৱ। আৰু সত্যৰ ভিন্ন দ্বিতীয় সত্তা নাই। একেই সত্য স্বতঃ প্ৰকাশ নিজৰ ইচ্ছাত নিৰাকাৰ সাকাৰ বা কাৰণ সূক্ষ্ম স্থূল চৰা—চৰ স্ত্ৰী পুৰুষ জীৱ সমূহক হৈ অসীম অখণ্ডৰূপৰ সৰ্ব্বব্যাপী নিৰ্ব্বিশেষ সৰ্ব্ব শক্তিমান পূৰ্ণ। একেই সত্য হৈ একেই সত্যৰ মাজত এজনে অধিকাৰী আৰু এজনে

অনাধিকাৰী হৈ একেই বস্তুক অধিকাৰ কৰিব বা নকৰিব, ই কি প্ৰকাৰে সম্ভৱ হব পাৰে ? সমাজৰ মিথ্যা, ভেদ, হিংসা স্বাৰ্থ অহংকাৰ এৰি দিয়ে প্ৰকৃত মাতা-পিতা, জাতি ধৰ্ম উপাস্য দেৱতা ঈশ্বৰক জানি চিনি তাৰ শৰণাগত হোৱা। শৰণাগত হৈ ক্ষমা ভিক্ষাৰে স্ত্ৰী-পুৰুষ জীৱ সমূহৰ মঙ্গল কামনা ৰূপ তাৰ প্ৰিয় কাৰ্য্য সাধনত সদায় ৰত থাকা। তেনে হলে হে জগতৰ অমঙ্গল আঁতৰি মঙ্গল স্থাপন হব।

মূল কথা এই যে, পৰমাত্মাৰ সৃষ্টি বা প্ৰকাশক কোনেও মানা নে। জীৱৰ সৃষ্টিকে হে মানে আৰু তাৰ কাৰণে দুখ ভোগ কৰে। সকল সমাজৰ মানুহে জীৱৰ সৃষ্টি কহে সন্মান আৰু প্ৰতিষ্ঠাৰে মানি আহিছে। পৰমাত্মাৰ সৃষ্টি প্ৰকাশ সত্য বস্তুক সন্মান আৰু ভক্তি কৰিবলৈ বা জগতৰ হিত সাধন ৰূপ তাৰ প্ৰিয় কাৰ্য্য কৰিবলৈ প্ৰবৃত্তি নাই। জীৱ মাত্ৰেই নিজৰ আত্মা পৰমাত্মাৰ স্বৰূপ, সেই ভাবে সকলোৱে সকলোৰ মঙ্গল চেষ্টা কৰিম, কিন্তু এইয়ে হৈছে জগতৰ কল্যাণ ই জ্ঞান কোনো মানুহৰে নাই। জ্ঞানৰ অভাৱত স্বাৰ্থ হিংসা আৰু ভেদৰ কাৰণে সকলোৱেই দুখ ভোগিছে, কোনো মানুহৰে শান্তি নাই।

জীৱৰ সৃষ্টি কি কি বিষয় স্থূল ভাবেৰে আৰম্ভ কৰি ক্ৰমেই সূক্ষ্ম ভাবক বুজিবলৈ চেষ্টা কৰা। পৃথিৱী পৰমাত্মাৰ সৃষ্টি। সেই পৃথিৱী মাটিৰে হাড়ি কলহ, ইটা চুৰকী, পাতি ঘৰ সকল বাজৰ ঠাকুৰ পাটিঠাকুৰ প্ৰতিমা মন্দিৰ, গিৰ্জাঘৰ মক্কা, মদিনা কাশী, প্ৰয়াগ, বৃন্দাবন, মথুৰা আদি তীৰ্থ, আৰু সেই পৃথিৱী পানীৰ ৰূপান্তৰ পবিত্ৰ পাথৰ, পবিত্ৰ কটি ভাত আদি পবিত্ৰ খাদ্য প্ৰভৃতি সমস্তই জীৱৰ সৃষ্টি। সকলো সৃষ্ট বস্তুৰ সৃষ্টি পৃথিৱীক

সন্মান নকৰা পৃথিৱীৰে সৃষ্ট হোৱা বস্তুৰ মাজত কোনোবাক অতি
প্ৰশংসা কোনোবাক আকৌ নিন্দা কৰি জগতত স্বাৰ্থ হিংসা ভেদৰ
সৃষ্টি কৰি অমঙ্গল ঘটাইছে। হিন্দুৰ দেৱ মন্দিৰত খৃষ্টান আৰু মুছল-
মান প্ৰৱেশ কৰিব নোৱাৰে আৰু প্ৰৱেশ কৰিলে মন্দিৰ ঠাকুৰ
মূৰ্ত্তি অপবিত্ৰ হয়। গিৰ্জ্জা ঘৰত হিন্দু মুছলমান প্ৰৱেশ কৰিলে
সন্মান আৰু জাতি হানি হয়। মছজিদত হিন্দু বা খৃষ্টান প্ৰৱেশ
কৰিলে কাফেৰৰ প্ৰৱেশ বুলি নাপাক বা অপবিত্ৰ হয়। সিহঁতৰ
উহাৰ দ্বাৰা বুজা গ'ল যে জীৱৰ সৃষ্টিক মানিলে জীৱৰ দুখ লাগ
হয়। কাৰণ মন্দিৰ গিৰ্জ্জা মছজিদ আদি জীৱৰ বা মানুহৰ
কৰ্ম্মজ সৃষ্টি। কিন্তু পৰমাত্মাৰ সৃষ্টি এই পৃথিৱীত বিচৰণ
কৰিলে কোনো সম্প্ৰদায় বা কোনো মানুহৰ কোনো জীৱৰ
মান সন্মান হানি নাই। সেই পৃথিৱীৰ উৎপন্ন আৰু পৃথিৱীৰ
কৰ্ষণৰ মাজত নিজ অন্ন খাই সকলোৱেই তৃপ্ত পুষ্ট হয় আৰু অভাৱত
অনাহাৰত সকলোৱেই কষ্ট। কোনেও নকৰা আৰু কৰৰ ক্ষমতা
নাই। এই পৃথিৱী কোনো আমাৰ সন্মানৰ অভাৱত সংকীৰ্ণ
নহয়। কিন্তু সেই পৃথিৱীৰ পৰা কৃত্ৰিম সৃষ্টি লৈ মানুহৰ মন্দিৰ,
ঠাকুৰ ঘৰ গিৰ্জ্জা ঘৰ মছজিদ আদি সৃষ্টি কৰি তাতেই ধৰ্ম্ম
আচাৰ, অনাচাৰ জাতি আমাৰ সম্প্ৰদায় বুলি স্বাৰ্থ হিংসা জগত
পৰস্পৰক কোনো বিষয়ত কাজিয়া আৰু দুৰ্বলতা কৰিছে। কিন্তু
ঈশ্বৰৰ সৃষ্টি এক মুখত ক'লে আৰু নামানিলে কাজ কিন্তু তাৰিবই
নাগিল ঈশ্বৰৰ সৃষ্টিক অতিক্ৰম কৰি কোনেও কোনো
কাম কৰিব নোৱাৰে, এই পৃথিৱীক অতিক্ৰম বা ত্যাগ কৰি
কোনোৱেই থাকিব বা অন্ন আদি উৎপন্ন কৰিব নোৱাৰে, মুখতে
মানক আৰু নামানক। জীৱেই জীৱৰ সৃষ্টিক মানা আৰু নামানা
সম্পূৰ্ণ ৰূপে জীৱৰ ইচ্ছাৰ অধীন। ঈশ্বৰৰ সৃষ্টি আৰু জীৱৰ